# সাৰথিৰ নিৰ্বাচিত ৰচনা ২০২০-২১

অসমীয়া অনলাইন সংগ্ৰহালয়
সাৰথিৰ দ্বাৰা প্ৰকাশিত নিৰ্বাচিত
ৰচনাৰ একত্ৰ সংকলন।



সাৰথিঃ অসমীয়া অনলাইন সংগ্ৰহালয়

# সাৰথিৰ নিৰ্বাচিত ৰচনা ২০২০-২১

অসমীয়া অনলাইন সংগ্ৰহালয় **সাৰথি**ৰ দ্বাৰা প্ৰকাশিত নিৰ্বাচিত ৰচনাৰ একত্ৰ সংকলন।

*SARATHIR NIRBACHITA RACHANA- 2020-21*

A collection of selected essays published by SAROTHI

প্ৰকাশঃ ১ ব'হাগ, ২০২১ খৃঃ

© সাৰথিঃ অসমীয়া অনলাইন সংগ্ৰহালয়

যোগাযোগঃ

Website- www.Sarothiasom.in

E mail - sarothiassam19@gmail.com

Facebook - www.facebook.com/sarothiasom.in

# অৰ্পণ

*ইন্টাৰনেট জগতত অসমীয়া ভাষা-সাহিত্যৰ উন্নতি আৰু বিকাশৰ হকে বিশেষ অৰিহণা যোগাই অহা প্ৰতিজন নিষ্ঠাবান কৰ্মীৰ হাতত শ্ৰদ্ধাৰে*

# আগকথা

যাত্ৰাটো আৰম্ভ হৈছিল ২০২০ বৰ্ষৰ পহিলা ব'হাগত। বিগত এটা বৰ্ষ বহু প্ৰত্যাহ্বানৰ মাজেৰে আহি আমি এটা বছৰ সম্পূৰ্ণ কৰিলো। ইন্টাৰনেটত আজিৰ তাৰিখটো অসমীয়া ভাষাত সমল পাবলৈ যথেষ্ট কঠিন। সেয়ে আমি বিশ্বাস কৰো যে, যোৱা এবছৰৰ প্ৰচেষ্টাটো কেৱল প্ৰয়োজনীয়ই নাছিল; আছিল অত্যাৱশ্যকীয়ও। সম্পূৰ্ণ অবৈতনিকভাৱে কাম কৰি অহা আমাৰ সাৰথিৰ সম্পাদনা গোটটোৱে নিজৰ কৰণীয়খিনিৰ মাজতো সাৰথিৰ বাবে লেখা যুগুত কৰাৰ লগতে ৱেবছাইটতো চলাই ৰখাৰ বাবে পুঁজিৰো যোগান ধৰি আহিছে। শতাধিক প্ৰৱন্ধসম্বলিত ৱেবছাইটটোৱে অসমৰ জ্ঞানপিপাসু আৰু ভাষা-সাহিত্যপ্ৰেমী পাঠকৰ মাজত এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হোৱাটোৱে আমাক অতিশয় আনন্দিত কৰি তুলিছে। সেয়ে, ৱেবছাইটটিৰ বৰ্ষপূৰ্তিৰ উপলক্ষে আমি সাৰথিৰ 'পৰ্যালোচনা' শিতানৰ মুঠ ১৬ টি বাছকবনীয়া প্ৰবন্ধৰ এটা একত্ৰ সংকলন ই-বুক হিচাপে পাঠকলৈ আগবঢ়ালো। আশাকৰোঁ আপোনালোকে ৱেছাইটটিক আদৰি লোৱাৰ দৰে সংকলনটিকো আদৰি ল'ব।

- সম্পাদনা গোট, সাৰথি

# সূচীপত্ৰ


১) কৰোণাই নেকি মানৱ জাতিৰ মৃত্যুদূত ? ---------------------------- ০১

২) কৰোণা মহামাৰীৰ শেষতঃ কোভিড-১৯ য়ে মানৱ সমাজলৈ কঢ়িয়াই আনিব লগা ১০ টা পৰিৱৰ্তন --------------------------- ০৪

৩) বিশ্বজোৰা লকডাউন আৰু খাৰুৱা তেলৰ মূল্য ---------------------------- ০৭

৪) মদে সঁচাকৈয়ে বচাবনে দেশৰ অৰ্থনীতি ? ------------------------------ ১০

৫) আত্মনিৰ্ভৰ ভাৰত অভিযান ---------------------------- ১২

৬) বাঘজান তৈলখাদৰ বিস্ফোৰণ আৰু কিছু কথা ---------------------------- ১৫

৭) অযোধ্যা বিবাদঃ ৰাম মন্দিৰ আৰু বাবৰি মছজিদ ---------------------------- ১৯

৮) EIA-2020 বনাম উত্তৰ পূৰ্বাঞ্চলৰ জৈৱ বৈচিত্ৰ ---------------------------- ২৬

৯) ৰাষ্ট্ৰীয় নিয়োগ সংস্থা (NRA): এক বিশ্লেষণ ---------------------------- ২৯

১০) নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ সম্পৰ্কে কিছু কথা ---------------------------- ৩৪

১১) কৃষক আন্দোলন – ২০২০ ---------------------------- ৩৮

১২) প্ৰমোদ বড়োৰ উত্থান আৰু বড়ো ৰাজনীতিৰ ভৱিষ্যত ---------------------------- ৪৩


১৩) স্বাগতম ২০২১ আৰু কিছু ভাল খবৰ ---------------------------- ৫১

১৪) ভাৰতত কোভিড-১৯ ৰ টিকাকৰণ ---------------------------- ৫৪

১৫) ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস ২০২১ ---------------------------- ৫৮

১৬) আং চান ছ্যু কী ক সেনাৰ গৃহবন্দী-ম্যানমাৰত অচলাৱস্থা---------------------------- ৬৩

# কৰোণাই নেকি মানৱ জাতিৰ মৃত্যুদূত ?



*প্ৰকাশঃ ১২ এপ্ৰিল, ২০২০*

হিৰোচিমা আৰু নাগাচাকিত আমেৰিকাৰ পাৰমাণৱিক বোমা বৰ্ষণৰ পাছতেই ইখনৰ পাছত সিখনকৈ দেশে পাৰমাণৱিক বোমাৰ সফল পৰীক্ষণৰ কৰিবলৈ ধৰিছিল। যদিও এনেবোৰ সফল পৰীক্ষণে সেই দেশবোৰৰ ৰাষ্ট্ৰনেতাসকল আৰু মুষ্টিমেয় একশ্ৰেণীৰ মানুহৰ বুকু গৰ্বৰে ওফন্দাই তুলিছিল তাৰ বিপৰীতে বিশ্বৰ অগণিত জণগনক কিন্তু এখন পৃথিৱীধ্বংসী পাৰমাণৱিক যুদ্ধৰ আশংকাই শান্তিৰে শুব দিয়া নাছিল। বহুতো ৰাষ্ট্ৰই তেওঁলোকৰ সৰ্বসাধাৰণৰ প্ৰাণ ৰক্ষাৰ বাবে মাটিৰ তলত বাংকাৰ সাজি দিয়াৰ ব্যৱস্থা কৰিছিল। বিশ্বৰ 'ছুপাৰ পাৱাৰ'সমূহৰ মাজত ইখনৰ পাছত সিখনকৈ বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছিল। পিছে পাৰমাণৱিক যুদ্ধৰ আশংকাৰ পৰা সম্পূৰ্ণৰূপে মুক্ত নৌহওঁতেই আকৌ এবাৰ মানৱৰ হৃদয় কপাই তুলিছে এবিধ ক্ষুদ্ৰাতিক্ষুদ্ৰ ভাইৰাছে।

বিজ্ঞানীসকলে এইবিধ ভাইৰাছৰ নামাকৰণ কৰিছে-নব্য কৰোণা ভাইৰাছ হিচাপে আৰু ই সৃষ্টি কৰা ৰোগটোৰ নাম দিছে ক'ভিড-১৯। ৰোগবিধৰ লক্ষণ সাধাৰণ পানী লগা জ্বৰৰ দৰে যদিও ইয়াৰ ফলত উশাহ লোৱাত কষ্ট হয় আৰু কেতিয়াবা নিউম'নিয়াৰ লক্ষণেও দেখা দিয়ে। কিন্তু বেমাৰবিধ ইমান ভয়ংকৰ আৰু সহজ সংক্ৰাম্য যে, পৃথিৱীৰ প্ৰায় বোৰ দেশৰ চিকিৎসক আৰু বিজ্ঞানীয়ে আজিলৈকে ইয়াৰ ফলপ্ৰসূ সমাধান উলিয়াবলৈ সক্ষম হোৱা নাই।'বিশ্ব স্বাস্থ্য

সংস্থা'ই ইতিমধ্যেই ইয়াক বিশ্বব্যাপক মহামাৰী বুলি অভিহিত কৰিছে। এই লেখা যুগুতোৱাৰ সময়লৈকে এইবিধ ভাইৰাছ বিশ্বৰ সৰ্বমুঠ ২১০ খন দেশলৈ বিয়পি পৰিছে। মানুহ হিচাপত মুঠ ১৭,৪১,৬১৬ জন ব্যক্তিৰ দেহলৈ ই সংক্ৰমিত হৈছে আৰু ১,০৬,৬৬২ জন ব্যক্তিৰ প্ৰাণ কাঢ়ি নিছে। আজি বিশ্ব মানৱে যেন ভাবিবলৈ বাধ্য হৈ পৰিছে-কৰোণাই নেকি আমাৰ মানৱজাতিৰ মৃত্যুদূত?

কিন্তু এয়াই নেকি আমাৰ মানৱ সভ্যতাৰ ইতিহাসৰ প্ৰথম ভয়ংকৰ মহামাৰী? নিশ্চয় নহয়। মানুহে নিজৰ অস্তিত্বৰ আৰম্ভণিৰে পৰা নানাবিধ ৰোগ-ব্যাধি আৰু অত্যন্ত ভয়ংকৰ মহামাৰীৰ সৈতে যুঁজি আহিছে। বিশ্ব ইতিহাসৰ পৰা প্ৰাপ্ত তথ্য মতে, প্ৰাচীন গ্ৰীচ আৰু ৰোম সাম্ৰাজ্যত হোৱা ‘প্লেগ’ মহামাৰীয়ে গ্ৰীচত প্ৰায় ১ লাখ মানুহৰ আৰু ৰোমান সাম্ৰাজ্যত প্ৰায় ৫০ লাখৰ পৰা ১ কোটি মানুহৰ প্ৰাণ কাঢ়ি নিছিল। ৭৩৫ ৰ পৰা ৭৩৭ খ্ৰীষ্টাব্দৰ ভিতৰত হোৱা জাপান দেশৰ বসন্ত মহামাৰীয়ে জাপানৰ তিনিভাগৰ এক অংশ জনসংখ্যাকেই নিঃশেষ কৰি পেলাইছিল। ঠিক তেনেকৈ ১৩৩১ ৰ পৰা ১৩৫৩ খ্ৰীষ্টাব্দৰ ভিতৰত ইউৰোপ, এছিয়া আৰু উত্তৰ আফ্ৰিকা জুৰি হোৱা প্লেগ মহামাৰীয়ে সমগ্ৰ ইউৰোপৰ আধা জনসংখ্যাকেই নিঃশেষ কৰি পেলাইছিল। যাক ইতিহাসবিদসকলে ‘ক'লা-মৃত্যু’ বুলি নামাকৰণ কৰিছিল। আমাৰ ভাৰতবৰ্ষয়েও সময়ে সময়ে কলেৰা আৰু প্লেগৰ দৰে মহামাৰীৰ সন্মুখীন হৈ আহিছে আৰু লাখ লাখ মানুহৰ জীৱন হেৰুৱাইছে।

ইতিহাসে বিচৰণ কৰিব পৰা নিচেই কাষৰ বিশ্বব্যাপক মহামাৰীটো হৈছে ১৯১৮ ৰ পৰা ১৯২০ চনৰ ভিতৰত হোৱা ‘স্পেনিছ ফ্লু’ নামৰ মহামাৰীটো।যাৰ কাৰণ আছিল ‘ইনফ্লুৱেঞ্জা’ নামৰ ভাইৰাছ বিধ। ই পৃথিৱীৰ আনুমানিক ২ কোটিৰ পৰা ১০ কোটি মানুহৰ প্ৰাণ কাঢ়ি নিছিল। কিন্তু সময় বাগৰাৰ লগে লগে বিজ্ঞানী সকলে ইয়াৰ ভেকচিন সৃষ্টি কৰাৰ লগতে ইয়াৰ ফলপ্ৰসূ চিকিৎসাও আৱিষ্কাৰ কৰি উলিয়াইছিল। ঠিক তেনেকৈ আজিৰ পৃথিৱীত দপদপাই থকা নব্য কৰোণা ভাইৰাছৰো ভেকচিন নিৰ্মাণৰ বাবে বিজ্ঞানীসকলে গৱেষণা চলাই আছে। ইতিমধ্যেই বহুতো মানুহক চিকিৎসকসকলে আৰোগ্য কৰি তোলাৰ লগতে এক সৰ্বোপকাৰী চিকিৎসা পদ্ধতিৰ আৱিষ্কাৰৰ বাবেও চেষ্টা চলাই আছে।

নব্য কৰোণা ভাইৰাছ সংক্ৰমিত ব্যক্তিসকলৰ ক্ষেত্ৰত দেখা পোৱা এটা আকৰ্ষণীয় কথা এই যে,যিসকল ব্যক্তিৰ শৰীৰৰ ‘এণ্টি ব'ডি’ শক্তিশালী তেওঁলোক নিজে নিজেই সুস্থ হৈ উঠিছে। আৰু তেনেকুৱা মানুহৰ সংখ্যা একেবাৰে কমো নহয়।ই জানো আমাক ডাৰউইনৰ সেই বিখ্যাত ‘যোগ্যতমৰ উৎৱৰ্তন’ সিদ্ধান্তটোলৈ মনত পেলাই নিদিয়ে? আজি লাখ লাখ বছৰে

প্ৰকৃতিৰ ওচৰত যোগ্যতাৰ পৰিচয় দি অহা মানুহক জানো প্ৰকৃতিয়ে হঠাতেই অযোগ্য ঘোষণা কৰিব পাৰিব? নিশ্চয় নোৱাৰিব।

********

# কৰোণা মহামাৰীৰ শেষতঃ কোভিড-১৯ য়ে মানৱ সমাজলৈ কঢ়িয়াই আনিব লগা ১০ টা পৰিৱৰ্তন




*প্ৰকাশঃ ১৬ এপ্ৰিল, ২০২০*

ইতিহাসৰ প্ৰত্যেকটো মহামাৰীয়েই মানৱ জীৱনলৈ কিবা নহয় কিবা প্ৰকাৰে বহুতো পৰিৱৰ্তন কঢ়িয়াই লৈ আহিছিল। বৰ্তমান আমি ভূগি থকা এই ক'ভিড-১৯ মহামাৰীয়েও আমাৰ ব্যক্তি আৰু সমাজ জীৱনলৈ নিশ্চয়কৈ বহুতো পৰিৱৰ্তন কঢ়িয়াই আনিব। এনে ১০ টা পৰিৱৰ্তনৰ বিষয়ে আমি আলোচনা কৰি আহকচোন।

১. কৰোণা মহামাৰীৰ শেষত,আমাৰ সামাজিক স্বচ্ছতা ব্যৱস্থালৈ এটা ডাঙৰ পৰিৱৰ্তন আহিব বা অহা উচিত। ৰাজহুৱা স্থানত থু-পিক আদি পেলোৱা বন্ধ হ'ব লাগে। ই বহুতো সংক্ৰামক ৰোগৰ এটা মুখ্য কাৰণ। সমাজৰ সকলো স্তৰতেই ইয়াক লৈ এটা সজাগতা অহা উচিত। ইতিমধ্যে ভাৰতত বিহাৰৰ দৰে ৰাজ্যই ইয়াক দণ্ডণীয় অপৰাধ বুলি ঘোষণা কৰি আইন প্ৰণয়ন কৰিছে।

২. ৱৰ্ক ফ্ৰম হ'ম অৰ্থাৎ ঘৰৰ পৰা কাম কৰা-এই ধাৰণাটো এই লকডাউনৰ সময়ছোৱাতে যথেষ্ট চৰ্চালৈ আহিছে। ভৱিষ্যত দিনত বহুতো কোম্পানী আৰু প্ৰতিষ্ঠানে পেছাদাৰী

ব্যক্তিসকলক ঘৰৰ পৰা কাম কৰাৰ সুবিধা প্রদান কৰিব আৰু ই বৰ্তমানতকৈ অধিক হাৰত হ'ব। ই মানুহৰ কৰ্মজীৱন আৰু ব্যক্তিগত জীৱনৰ মাজত এটা ভাৰাসাম্যতা আনিব ।

৩. ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে মানুহৰ লগত যোগাযোগ কৰাৰ ধাৰণাটো অধিক বিকশিত হ'ব। লকডাউনৰ সময়ছোৱাতে দেখিবলৈ পোৱা গৈছে ভাৰতৰ ছুপ্রিম ক'ৰ্ট আৰু হাই ক'ৰ্ট সমূহে ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তেও শুনানি গ্ৰহণ আৰু ৰায়দান কৰিছে। ভৱিষ্যত দিনত এই ধাৰণা আৰু অধিক জনপ্রিয় হ'ব। এটা ক্ষন্তকীয়া সাক্ষাতৰ বাবে এখন চহৰৰ পৰা আনখন চহৰলৈ বিমানেৰে যাতায়ত কৰা প্ৰৱণতা যথেষ্ট পৰিমাণে হ্রাস পোৱাৰ সম্ভাৱনা আছে। ই পৰিৱেশৰ ভাৰাসাম্যতাৰ বাবেও সহায়ক হ'ব ।

৪. ছ'ছিয়েল মিডিয়াক আমি বিভিন্ন ধৰণৰ উৰাবাতৰি বিয়পোৱাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা ধাৰণাটোৰ কিছু পৰিৱৰ্তন হ'ব বুলি আশা কৰিব পাৰি। বৰ্তমান আৰক্ষী প্ৰশাসনেও ইয়াৰ বাবে উচিত ব্যৱস্থা লোৱা দেখা গৈছে। সাধাৰণ মানুহৰ মাজতো যেন এই ক্ষেত্ৰত কিছু মানসিক পৰিৱৰ্তন আহিছে।

৫. ভাৰতবৰ্ষত টেলি-মেডিছিনৰ ধাৰণাটো আৰু অধিক জনপ্রিয় হ'ব। টেলি মেডিছিন মানে হৈছে দূৰণিবটীয়া গ্ৰামাঞ্চলৰ ৰোগীসকলৰ ৰোগ নিৰ্ণয় আৰু ঔষধ প্রদানৰ বাবে চহৰৰ ডাক্তৰ সকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে যোগাযোগ কৰাই দিয়াৰ এক ব্যৱস্থা। ক'ভিড-১৯ মহামাৰী আৰু সামাজিক দূৰত্ব বজাই ৰখাৰ এই সময়ছোৱাত এই ধাৰণা যথেষ্ট জনপ্রিয় হৈছে। ই ভৱিষ্যতৰ দিনত এটা সাধাৰণ ব্যৱস্থালৈ পৰিণত হ'ব।

৬. দৈনন্দিন জীৱনৰ হেঁচাত পাহৰি পেলোৱা ব্যক্তিগত স্বাস্থ্য আৰু সমৃদ্ধিক মানুহে বেংক বেলেঞ্চতকৈ অধিক গুৰুত্ব দিবলৈ ল'ব। পৰিয়ালৰ সৈতে সময় কটোৱা, ব্যায়াম কৰা বা প্রার্থনা-ধ্যান আদি কৰা কাৰ্যক মানুহে আগতকৈ অধিক গুৰুত্ব দিবলৈ ল'ব ।

৭. মানুহে হোটেল,ৰেষ্টোৰেন্ট আদিত খোৱাতকৈ বিশ্বাসযোগ্যতাসম্পন্ন ঘৰৰ ৰান্ধনীশালত খোৱাটোকেই অধিক গুৰুত্ব দিবলৈ ল'ব। ৰাজহুৱা যাতায়ত ব্যৱস্থাৰ প্ৰতি মানুহৰ বিশ্বাসযোগ্যতা কমিব। ড্ৰোন বা ভাইৰাছ প্ৰতিৰোধী ৰ'ব'টৰ জৰিয়তে সামগ্ৰী ডেলিভাৰী দিয়া ব্যৱস্থা অতি শীঘ্ৰেই গঢ়ি উঠিব। ই ব্যৱসায়িক জগতখনলৈও এটা ডাঙৰ পৰিৱৰ্তন আনিব।

৮. মানুহৰ সামাজিক ব্যৱহাৰৰ ক্ষেত্ৰত এটা বৃহৎ পৰিবৰ্তন আহিব। ৰাজহুৱা সমাগমক মানুহে বিশ্বাস কৰিবলৈ টান পোৱা হ'ব। ডাঙৰ ডাঙৰ পাৰ্টি আয়োজন কৰাতকৈ মানুহে সৰু-সুৰা পাৰ্টি আয়োজন কৰিবলৈহে ভাল পাব।

৯. বৰ্তমান সময়ছোৱাত জনসাধাৰণক ব্যক্তিগত পৰিষ্কাৰ-পৰিছন্নতাৰ প্ৰতি আগতকৈ অধিক সচেতন হোৱা দেখা গৈছে। ই ভৱিষ্যত দিনতো মানুহৰ অভ্যাসৰ এটা অংগ হৈ পৰিব। বাহিৰলৈ ওলাই গ'লে মাস্কৰ ব্যৱহাৰ কৰা আৰু চাবোনেৰে সঘনাই হাত ধোৱাটো ইতিমধ্যেই বহুতো মানুহৰ অভ্যাস হৈ পৰিছেই।

১০. বিভিন্ন দেশৰ চৰকাৰ সমূহে বুজি উঠিছে যে, অন্যান্য খণ্ডতকৈ স্বাস্থ্যখণ্ডত কিয় অধিক বিনিয়োগ কৰা উচিত। আশা কৰা হৈছে ভৱিষ্যত দিনত আমাৰ চৰকাৰসমূহে স্বাস্থ্যখণ্ডত অধিক গুৰুত্ব দিব,চৰকাৰী হস্পিটেল সমূহত বিচনা আৰু আইচ'লেচন ইউনিটৰ সংখ্যা বৃদ্ধি পাব।

*******

# বিশ্বজোৰা লকডাউন আৰু খাৰুৱা তেলৰ মূল্য




*প্ৰকাশঃ ২১ এপ্ৰিল, ২০২০*

লকডাউনে যে কেৱল আপোনাক-মোকেই ঘৰতে বান্ধি ৰাখিছে তেনে নহয়। ই আমাৰ নিত্য সংগীস্বৰূপ বাহনবোৰ,আকাশৰ আগুৰি উৰি ফুৰা উৰাজাহাজবোৰ,উকি মাৰি গুছি যোৱা ৰে'ল গাড়ীবোৰ সকলোকেই যেন বন্দীত্বৰ যাতনা ভোগাইছে। যাৰ ফলত পেট্ৰলজাত সামগ্ৰীৰ ব্যৱহাৰতো এক ব্যাপক সংকোচন আহি পৰিছে। ফ্ৰান্সৰ পেৰিছস্থিত ইণ্টাৰনেচনেল এনাৰ্জি এজেঞ্চীয়ে এক প্ৰতিবেদনত কৈছে যে, বিশ্বজোৰা এই লকডাউনৰ পৰিপ্ৰেক্ষিত দৈনিক খাৰুৱা তেলৰ ব্যৱহাৰ ৯.৩ মিলিয়ন বেৰেলকৈ (১ বেৰেল= ১৫৯ লিটাৰ)হ্ৰাস পাইছে। আৰু তেওঁলোকে শক্তি খণ্ডৰ বজাৰৰ বাবে ইয়াক 'ব্লেক এপ্ৰিল' বুলি ঘোষণা কৰিছে। কোৱা হৈছে যে, যোৱা দশকতোৰ ভিতৰতে ই আটাইতকৈ হতাশাজনক।

কেৱল যে লকডাউনেই খাৰুৱা তেলৰ বজাৰখন প্ৰভাৱিত কৰিছে তেনে নহয়। ২০২০ বৰ্ষটোৰ আৰম্ভণিৰে পৰা চলি থকা ছৌদি আৰব, ৰাছিয়া আৰু আমেৰিকাৰ মাজৰ ত্ৰিকোণীয়া মূল্য যুদ্ধখনৰ বাবেও খাৰুৱা তেলৰ মূল্য প্ৰায় ৬০% হ্ৰাস পাইছে। খাৰুৱা তেলৰ এই যুদ্ধখন বৰ্ণনা কৰিবলৈ গ'লে এনেধৰণৰ-অতীজৰে পৰা খাৰুৱা তেলৰ বজাৰ খন নিয়ন্ত্ৰণ কৰি আহিছিল অপেক দেশসমূহে (OPEC- Organization of the Petroleum Exporting Countries)। অপেকৰ অন্তৰ্গত মুঠ ১৩ খন দেশ হ'ল-ছৌদি আৰব,

ইৰাণ,ভেনিজুৱেলা,ইৰাক,লিবিয়া, নাইজেৰিয়া, আলজেৰিয়া, কুৱেইট, সংযুক্ত আৰৱ এমিৰেট,গেবন,এনগলা,ইকুৱেটৰিয়েল গুৱেনা আৰু কংগো। এই অপেক দেশসমূহক প্ৰত্যাহ্বান জনাবলৈ ২০১০-২০১৪ চনৰ ভিতৰত আমেৰিকাই এক নতুন প্ৰযুক্তি আৰু ব্যৱসায়িক বুদ্ধিৰে তেলৰ বজাৰত প্ৰৱেশ কৰিলে। এই নতুন প্ৰযুক্তিৰ নাম আছিল- চেইল তেল নিষ্কাশন পদ্ধতি। এই প্ৰযুক্তিৰ সহায়ত কম খৰছত অধিক তেল উৎপাদন কৰি আমেৰিকা গোটেই বিশ্বৰে এখন আগশাৰীৰ তেল উৎপাদনকাৰী দেশলৈ উন্নীত হৈ পৰে।

তাৰ বিপৰীতে অপেক দেশসমূহ ব্যাপক লোকচানৰ সন্মুখীন হয়। আমেৰিকাৰ এই আক্ৰমণৰ প্ৰত্যাক্ৰমণ কৰিবলৈ অপেক দেশসমূহে ৰাছিয়াৰ লগতে আৰু ৯ খন দেশক লগত লৈ অপেক প্লাছ নামৰ এটা নতুন গোট গঠন কৰে আৰু সকলোৱে একলগ হৈ বুজাবুজিৰ সহায়ত তেলৰ উৎপাদন আৰু মুল্য নিৰ্ধাৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।অপেক প্লাছ গঠন কৰিয়েই তেওঁলোকে সিদ্ধান্ত ল'লে যে, পূৰ্বতকৈ তেওঁলোকৰ তেল উৎপাদন বঢ়াব।ইয়াৰ উদ্দেশ্য আছিল-তেলৰ যোগান বৃদ্ধি কৰা,যাৰ ফলত তেলৰ চাহিদা আৰু মূল্য হ্ৰাস পাব। এই কৌশলত ৰাছিয়া কিছু দূৰ সফল নোহোৱাকৈ নাথাকিল। যদিও অপেক প্লাছ দেশসমূহে নিজেও যথেষ্ট লোকচানৰ সন্মুখীন হ'ল,তেওঁলোকে কিন্তু আমেৰিকাৰ বহুবোৰ সৰু সৰু তেল উৎপাদনকাৰী কোম্পানীক দেউলীয়া কৰি পেলালে। পিছে আমেৰিকাৰ কিছুমান বৃহৎ পৰিৰসৰ তেল কোম্পানী ইমানেই ধনী আছিল যে,ৰাছিয়া আৰু অপেক দেশসমূহৰ আক্ৰমণে তেওঁলোকক বিশেষ ক্ষতিগ্ৰস্ত কৰিব নোৱাৰিলে। আৰু এইখিনিৰে পৰা যুঁজখনে ল'লে এক নতুন গতি।

ছৌদি আৰৱকে ধৰি অন্য অপেক দেশ সমূহে আৰু অধিক লোকচান সহ্য কৰি তেল উৎপাদন কৰাত একেবাৰেই অনাগ্ৰহী হৈ পৰিল। ৰাছিয়াই কিন্তু হাৰ নামানিলে।ৰাছিয়াই এতিয়াও বিশ্বাস কৰে যে,ৰাছিয়াই আৰু বহুদিনলৈ লোকচান সহ্য কৰি থাকিব পাৰিব আৰু আমেৰিকাৰ ডাঙৰ ডাঙৰ তেল কোম্পানীকো দেউলীয়া কৰি বজাৰৰ দৌৰৰ পৰা বাহিৰ কৰিব পাৰিব।যাৰ ফলস্ৰুতিত ৰাছিয়া এদিন হৈ পৰিব তেলৰ বজাৰখনৰ একছত্ৰী সম্ৰাট। ২০২০ৰ আৰম্ভণিৰে পৰা ৰাছিয়াৰ লগ ছৌদি আৰৱকে ধৰি অন্য অপেক দেশ সমূহে এৰি পেলাইছে আৰু ওলোটাই ৰাছিয়াৰ প্ৰতিদ্বন্দ্বীহে হৈ পৰিছে। বৰ্তমান আমেৰিকাৰ তেল কোম্পানী সমূহ ব্যাপক লোকচানৰ সন্মুখীন হৈছে।তেলৰ বজাৰত উভৈনদী হৈ পৰিছে তেল। আৰু অৰ্থনীতিৰ সূত্ৰ মানি মূল্য হৈ পৰিছে একেবাৰেই নুন্যতম।তাতে আকৌ ভূতৰ ওপৰত দানহ পৰাদি পৰিছেহি বিশ্বজোৰা লকডাউন। সকলোকে আচৰিত কৰি বৰ্তমান খাৰুৱা তেলৰ মূল্য প্ৰতি

বেৰেলত হৈ পৰিছে ২০ মাৰ্কিন ডলাৰ আৰু আমেৰিকাত এই মূল্য ০ ডলাৰতকৈও কম হৈ পৰিছে।

দেখা গৈছে খাৰুৱা তেলৰ এই অভাৱনীয় মূল্য হ্ৰাসে ভাৰত,চীন,জাপানকে আদি কৰি তেল আমদানিকাৰী দেশসমূহক লাভান্বিত কৰিব। আৰু ই আটাইতকৈ ক্ষতিগ্ৰস্ত কৰিব ইৰাণ,ইৰাক,ব্ৰাজিল,আৰ্জেণ্টিনা আদি দৰে সৰু সৰু তেল উৎপাদনকাৰী দেশসমূহক।এই দেশ সমূহৰ অৰ্থনীতি একেবাৰে ভাগি পৰাৰ সম্ভাৱনাই দেখা দিছে।হিচাপ কৰি পোৱা গৈছে যে যদি এই হাৰতেই খাৰুৱা তেলৰ মূল্য চলি থাকে এই বৰ্ষটোত ভাৰতে খাৰুৱা তেল আমদানিৰ বাবদ ব্যয় কৰিব মুঠ ৬৪ বিলিয়ন ডলাৰ।যি যোৱা বছৰটোত আছিল প্ৰায় ১১২ বিলিয়ন ডলাৰ।

খাৰুৱা তেলৰ এই মূল্য হ্ৰাসে নিশ্চয়কৈ বিশ্ব অৰ্থনীতিলৈ এক অশনি সংকেত কঢ়িয়াই আনিছে।লগতে পৰিৱেশ সম্পৰ্কীয় বিষয়বোৰতো ই বিশেষ প্ৰভাৱ পেলাব । পেট্ৰোলিয়ামজাত সামগ্ৰীৰ মূল্য হ্ৰাসে সিহঁতৰ ব্যৱহাৰ বঢ়াই তুলিব।যাৰ ফলত প্ৰদূষণ বাঢ়িব আৰু ইলেকট্ৰনিক বাহনৰ উদ্যোগটোত যি সম্ভাৱনা দেখা গৈছিল সি যথেষ্ট লেহেমীয়া হৈ পৰিব। নবীকৰণযোগ্য ইন্ধন আৰু নবীকৰণযোগ্য প্লাষ্টিকৰ ক্ষেত্ৰখনতো যি সম্ভাৱনীয়তা দেখা গৈছিল সিয়ো হৈ পৰিব একেবাৰেই নিৰাশাজনক।

*******

# মদে সঁচাকৈয়ে বচাবনে দেশৰ অৰ্থনীতি ?




*প্ৰকাশঃ ১৫ মে', ২০২০*

বৈশ্বিক মহামাৰী কৰোণাৰ তাণ্ডৱত ক্ষতিগ্ৰস্ত হৈছে সমগ্ৰ বিশ্ব অৰ্থনীতি। বিশ্বৰ আগশাৰীৰ দেশসমূহৰ দৰেই ব্যাপক ক্ষতিৰ সন্মুখীন হৈছে উন্নয়নশীল দেশসমূহৰো অৰ্থনীতি। ইতিমধ্যে ক্ষতিগ্ৰস্ত অৰ্থনীতি আৰু ইয়াৰ পুনৰোদ্ধাৰ সম্পৰ্কে বিশ্বজুৰি চিন্তা-চৰ্চা আৰম্ভ হৈছে। ভাৰতৰ অৰ্থনীতি সম্পৰ্কেও আৰম্ভ হৈছে বিভিন্ন চৰ্চা, বিভিন্ন ব্যাখ্যা। দুদিনমানৰ আগলৈকে টিভি, ইন্টাৰনেটত দেখিবলৈ পোৱা এটা সঘন দৃশ্য আছিল দেশজুৰি মদৰ দোকানৰ সন্মুখভাগত ব্যাপক ভিৰ। ফেচবুক, ইউটিউব তথা আন আন ছচিয়েল মিডিয়াতো জোৰাৰ উঠিছিল যে, এতিয়া মদাহীসকলেহে বচাব পাৰিব দেশৰ অৰ্থনীতি ! কিন্তু সঁচাকৈয়ে মদে বচাব পাৰিবনে দেশৰ অৰ্থনীতি ?

আমি যদি এখন দেশৰ অৰ্থনীতি, এখন ৰাজ্যৰ আয়ৰ উৎস বিশ্লেষণ কৰো, তেতিয়া দেখিম যে, এখন ৰাজ্যৰ আয়ৰ মুঠ ৪৬ % আহে ৰাজ্যৰ নিজৰ কৰ ৰাজহৰ পৰা, ২৬ % আহে কেন্দ্ৰীয় চৰকাৰৰ অংশ হিচাপে, ২০ % আহে কেন্দ্ৰীয় চৰকাৰৰ পৰা গ্ৰান্ট হিচাপে আৰু ৪ % আহে ৰাজ্য চৰকাৰৰ অনা কৰজাত ৰাজহৰ পৰা।

এতিয়া যদি আমি এখন চৰকাৰৰ কৰজাত ৰাজহৰ শতাংশ বিশ্লেষণ কৰো, তেতিয়া দেখিম যে, ইয়াৰ ভিতৰত ৰাজ্যিক জি. এছ. টি ৩৯.৯%, পেট্ৰলজাত সামগ্ৰীৰ ভেট ২১.৫ %,

আৱকাৰী কৰ (মুখ্যত মদৰ পৰা) ১১.৯ %, সম্পত্তি কিনা-বেচাৰ কৰ হিচাপে আছে ১১.২ %, গাড়ীৰ ওপৰত আৰোপ কৰা কৰ ০.৫৭ % আৰু অন্যান্য ৯.৮ % । ইয়াৰ ভিতৰত দেখা যায় যে, বৰ্তমান লকডাউনৰ বাবে বজাৰৰ সকলো পণ্য আৰু সেৱাৰ কিনা-বেচা কমি গৈছে যাৰ ফলত জি. এছ. টি. সংগ্ৰহ ৯০ % পৰ্যন্ত হ্ৰাস হৈছে।

গাড়ী-মটৰ চলাচল কমি যোৱাৰ বাবে পেট্ৰলজাত সামগ্ৰীৰো উপভোগো প্ৰায় কমি গৈছে। কিন্তু লকডাউন আৰু কৰোণা ভাইৰাছৰ ফলত মানুহৰ মনত সৃষ্টি হোৱা হতাশগ্ৰস্ততা মদৰ চাহিদা পূৰ্বতকৈ অধিক বঢ়াই তুলিছে। সেয়ে চৰকাৰে দেশজুৰি মদৰ দোকানসমূহ খুলি দিয়াৰ ব্যৱস্থা লৈছিল। দোকানৰ আগত দেখা গৈছিল কোনো ধৰণৰ সামাজিক দূৰত্ব নমনা অজস্ৰ গ্ৰাহকৰ ভিৰ। আৰু চৰকাৰে জনসাধাৰণৰ এই ক্ৰয় আচৰণৰ প্ৰতি লক্ষ্য ৰাখি মদৰ ওপৰত থকা কৰ ৭০ % পৰ্যন্ত বঢ়াই দিছে।

দেখা গৈছে উত্তৰ প্ৰদেশৰ দৰে ৰাজ্যত একেদিনাই ৩০০ কোটি টকাৰ মদ বিক্ৰী হৈছে, ফলত চৰকাৰে আয় কৰিছে প্ৰায় ১০০ কোটি টকাৰ আবকাৰী কৰ। অসমেও এই ক্ষেত্ৰত কোনো প্ৰকাৰেই পিছ পৰি থকা নাই। এই আয়ে চৰকাৰক সাময়িকভাৱে লাভবান কৰিছিল বা সকাহ দিছিল যদিও এই সমাধান দীৰ্ঘস্থায়ী হ'ব নোৱাৰে।

*ইয়াৰ কাৰণসমূহ বিশ্লেষণ কৰি চালে দেখা যায় যে-*

১) সুৰাপানৰ ফলত জনসাধাৰণৰ যি স্বাস্থ্যৰ ক্ষতি হয় আৰু যিধৰণৰ সামাজিক বিশৃংখলতাৰ সৃষ্টি হয়, সি চৰকাৰখনক আকৌ অন্য প্ৰকাৰে ক্ষতি কৰিব।

২) মদ্যপানে যিহেতু কোনো ধৰণৰ উৎপাদনশীলতা বা নতুন সম্পদৰ সৃষ্টি কৰিব নোৱাৰে।

৩) ই এটা সময়ত জনসাধাৰণক অৰ্থনৈতিকভাৱে দুৰ্বল কৰি মদৰ ক্ৰয় ক্ষমতাই কমাই পেলাব ! সেয়ে চৰকাৰে কেৱল মদৰ ওপৰতে গুৰুত্ব নিদি দেশৰ অৰ্থনীতি পুনৰ প্ৰচলনৰ ব্যৱস্থা কৰাৰ কথা চিন্তা কৰিব লাগে।

ইয়াৰ লগে লগে জনসাধাৰণক সামাজিক দূৰত্বৰ নিয়মসমূহ কঠোৰভাৱে পালন কৰিবলৈ বাধ্য কৰাব লাগে। ইতিমধ্যে চৰকাৰে অৰ্থনীতি পুনৰোদ্ধাৰৰ বাবে অন্য কিছু উপায়ো অৱলম্বন কৰা দেখা গৈছে। যেনে- আন্তঃৰাষ্ট্ৰীয় বজাৰত তেলৰ মূল্য হ্ৰাস হোৱাৰ সুযোগ লৈ পেট্ৰলজাত সামগ্ৰীৰ ওপৰত কৰ ৬৯% লৈ বৃদ্ধি কৰিছে। আৰু দেশৰ অৰ্থনীতিৰ ভাগি পৰা ৰাজহাড় পুনৰ নিৰ্মাণৰ বাবে ২০ লাখ কোটি টকাৰো পেকেজ ঘোষণা কৰিছে। অৱশ্যে ইয়াৰ সফলতা নিৰ্ভৰ কৰিব এই ধনৰ সদব্যৱহাৰৰ ওপৰত।

********

# আত্মনিৰ্ভৰ ভাৰত অভিযান




*প্ৰকাশঃ ১৯ মে', ২০২০*

কৰোণা মহামাৰীয়ে বিশ্ববাসীক বহু কথাই শিকাই গৈছে। কভিড ১৯ আক্ৰান্তই লাখৰ ঘৰ পাৰ হোৱা ভাৰতবৰ্ষইও এই কৰোণা মহামাৰীৰ সময়ত বহু কথাই নতুনকৈ উপলব্ধি কৰিবলৈ বাধ্য হৈছে। ভাৰতীয় সমাজ ব্যৱস্থাত কৰোণাৰ এই সময়তে **আত্মনিৰ্ভৰ ভাৰত** নামৰ এক নতুন ধাৰণাৰ যোগ কৰা হৈছে।

ভাৰতে উপলব্ধি কৰিছে, ভাৰতীয় চিকিৎসা আৰু সামাজিক স্বাস্থ্য ব্যৱস্থা, ভাৰতীয় অৰ্থব্যৱস্থা আৰু ভাৰতীয় সমাজ ব্যৱস্থালৈ যদি পৰিৱৰ্তন অনা নাযায়, তেনেহ'লে অদূৰ ভৱিষ্যতে ভাৰতে কৰোণাৰ দৰে মহামাৰীৰ সন্মুখীন হ'বলৈ গৈ আকৌ বিবুদ্ধিত পৰিব।

সেয়ে যোৱা ১২ মে' তাৰিখে প্ৰধান মন্ত্ৰী মোদীয়ে দেশবাসীক উদ্দেশ্যি দিয়া ভাষণত উচ্চ স্বৰেৰে ঘোষণা কৰিছে যে, বৰ্তমান এই সংকটৰ মুখামুখি হ'বলৈ ভাৰত আত্মনিৰ্ভৰশীল হ'ব লাগিব। থলুৱা আৰু দেশীয় উৎপাদনক বহুজাতিক কোম্পানীৰ পণ্য-দ্ৰব্যতকৈ অধিক গুৰুত্ব দি থলুৱা উদ্যোগী আৰু ব্যৱসায়ী সকলক সহায় কৰিব লাগিব।

প্ৰধান মন্ত্ৰীয়ে ভাৰতবাসীৰ এই প্ৰচেষ্টাক *আত্মনিৰ্ভৰ ভাৰত অভিযান* বুলি ঘোষণা কৰিছে। আৰু ইয়াৰ লগত সংগতি ৰাখি কেন্দ্ৰীয় চৰকাৰৰ এখন আঁচনিও ঘোষণা কৰিছে, যাৰ নাম দিয়া হৈছে-*আত্মনিৰ্ভৰ ভাৰত অভিযান যোজনা*।

এই যোজনাৰ সফল ৰূপায়নৰ বাবে ভাৰত চৰকাৰ আৰু কেন্দ্ৰীয় ৰিজাৰ্ভ বেংকে একেলগে ২০ লাখ কোটি টকাৰ এটা আৰ্থিক পুঁজিৰো যোগান দিয়াৰ কথা ঘোষণা কৰিছে। যি ভাৰতৰ ২০১৯-২০ বিত্তীয় বৰ্ষৰ জি ডি পিৰ মুঠ ১০ শতাংশ।

প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মতে, আত্মনিৰ্ভৰশীল ভাৰতবৰ্ষ পাঁচটা স্তম্ভৰ ওপৰত প্ৰতিষ্ঠিত হ'ব-

- *অৰ্থব্যৱস্থা*
- *আন্তঃগাথঁনি*
- *২১ শতিকাৰ প্ৰযুক্তিচালিত ব্যৱস্থা আৰু পদ্ধতি*
- *চাহিদা*
- *ভাইব্ৰেণ্ট ডেমগ্ৰাফি*

আত্মনিৰ্ভৰ ভাৰত অভিযান যোজনাই ভাৰতৰ লঘু আৰু মধ্যম উদ্যোগ, মিউচুৱেল ফাণ্ড, কৃষক আৰু শ্ৰমিকৰ সাহাৰ্য পুঁজি, এম জি এনৰেগা, কিষাণ ক্ৰেডিট কাৰ্ড, ক্ষুদ্ৰ ব্যৱসায়িক কম সুদৰ হাৰত ঋণ প্ৰদান আদি বিষয়সমূহ সামৰি লৈছে।

দেশৰ বিত্তমন্ত্ৰী শ্ৰীমতী নিৰ্মলা সীতাৰমণে মুঠ পাঁচটা কিস্তিত এই অৰ্থনৈতিক সাহায্য পুঁজিৰ বিষয়ে ১৩মে'ৰ পৰা ১৭ মে'ৰ ভিতৰত মুঠ পাঁচখন সংবাদমেল যোগে ৰাইজক অৱগত কৰিছে। ইয়াৰে প্ৰথম কিস্তিত ঘোষণা কৰিছে ৫,৯৪,৫৫০ কোটি, দ্বিতীয় কিস্তিত ঘোষণা কৰিছে ৩,১০,০০০ কোটি, তৃতীয় কিস্তিত ঘোষণা কৰিছে ১,৫০,০০০ কোটি, চতুৰ্থ আৰু পঞ্চম কিস্তিত ঘোষণা কৰিছে ৪৮,১০০ কোটি টকা।

এই ধনৰাশিৰ লগতে আছে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পূৰ্বঘোষিত আঁচনিৰ ধন, যাৰ পৰিমাণ প্ৰায় ১,৯২,৪০০ কোটি টকা আৰু কেন্দ্ৰীয় ৰিজাৰ্ভ বেংকে দিব লগা ধন,যাৰ পৰিমাণ ৮,০১,৬০৩ কোটি টকা। বহুতো সমালোচকে কৈছে যে, এই অৰ্থনৈতিক পেকেজ এক ভেকোভাওনাহে। কিয়নো এই পেকেজৰ সিংহভাগেই ৰিজাৰ্ভ বেংকৰ অনুদান (৮,১০,৬০৩ কোটি টকা) আৰু ইয়াৰ সৈতে সংলগ্ন আছে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পূৰ্বঘোষিত বহুতো আঁচনিৰ ধন।

সমালোচক সকলৰ মতে, এই আত্মনিৰ্ভৰ ভাৰত আঁচনিৰ বাবে চৰকাৰে ব্যয় কৰিব লগা মুঠ ধন ভাৰতৰ জি ডি পি ৰ কেৱল ১ শতাংশহে। মুঠৰ ওপৰত ভাৰতে আত্মনিৰ্ভৰশীলতাৰ ক্ষেত্ৰত আগুৱাই যাবলৈ হ'লে প্ৰত্যেক বছৰে শিক্ষাৰ ক্ষেত্ৰত থকা চৰকাৰী ব্যয়ৰ পৰিমাণ বৃদ্ধি কৰি যাব লাগিব আৰু লগতে দক্ষতা বিকাশত অধিক গুৰুত্ব দিব লাগিব

আৰু এই দক্ষতা বিকাশৰ ক্ষেত্ৰতো ব্যয়ৰ পৰিমাণ বৃদ্ধি কৰিব লাগিব। বিশেষ গুণসম্পন্ন ৰাজহুৱা শিক্ষাৰ অবিহনে বিশ্বৰ কোনো দেশেই আত্মনিৰ্ভৰশীল হ'ব পৰা নাই। আৰু শক্তিশালী জনস্বাস্থ্য ব্যৱস্থাৰ অবিহনে কোনো দেশেই উন্নতিৰ ক্ষেত্ৰত আগুৱাই যাব নোৱাৰে।

*******

# বাঘজান তৈলখাদৰ বিস্ফোৰণ আৰু কিছু কথা




*প্ৰকাশঃ ১৪ জুন, ২০২০*

**বাঘজান -৫ খাদটোৰ ইতিহাস-**

২০০৫ চন, সেইসময়ত অইল ইণ্ডিয়া লিমিটেডে "হেলিবাৰ্টন" নামৰ এটা কোম্পানীৰ সহযোগত বাঘজান – ৫ খাদটো খান্দিছিল প্ৰাকৃতিক গেছ উদ্ঘাটনৰ উদ্দেশ্যে। সেইসময়ত "হেলিবাৰ্টন"ৰ জ্যেষ্ঠ ভূ-বিজ্ঞানী আছিল অসম সন্তান প্ৰদীপ কুমাৰ শইকীয়া। তেওঁৰ নেতৃত্বতেই বাঘজানৰ এই খনন হৈছিল এক আধুনিক প্ৰক্ৰিয়াৰে।

সমগ্ৰ অসমৰ ভিতৰত ইয়াত প্ৰথমবাৰৰ বাবে "নিউক্লিয়াৰ মেগনেটিক ৰিজনেন্স" অৰ্থাৎ "এন এম আৰ" যন্ত্ৰৰ প্ৰয়োগ কৰা হৈছিল। ইয়াৰ নমুনাৰ পৰা বিজ্ঞানী শইকীয়াই কৈছিল যে বাঘজান কেৱল গেছৰ খাদ নহয় ইয়াত কণ্ডেনচেটো আছে। কিন্তু অইল কৰ্তৃপক্ষৰ সেই সময়ৰ বৰমূৰীয়াই এইবোৰ কথা নামানি কেৱল গেছৰ খাদৰূপে ইয়াৰ স্বীকৃতি দিলে আৰু ইয়াত কেৱল গেছ খাদৰ বাবে ল'বলগীয়া সাৱধানতাবোৰহে ল'লে য'ত প্ৰকৃততে গেছ কণ্ডেনচেট খাদৰ সাৱধানতা ল'ব লাগিছিল।

তাৰ পাছত ২০০৬ চনৰ পৰা লাহে লাহে ইয়াত প্ৰাকৃতিক গেছৰ উৎপাদন আৰম্ভ হ'ল যদিও উৎপাদন কম আছিল। ২০১৫ চনৰ পৰা ২০১৯ চনলৈ ইয়াত সৰ্বোচ্চ পৰিমাণত উৎপাদন হৈছিল। কিন্তু ২০১৯ চনত ইয়াৰ কিছু কামত ব্যাঘাত জন্মা দেখি এই খাদটো

মেৰামতিৰ বাবে গুজৰাটৰ গেছ কোম্পানী "জ'ন এনাৰ্জী"ক দিলে যাক তেওঁলোকৰ ভাষাত "ৱৰ্ক অভাৰ ৰিগ" বুলি কোৱা হয়।

**বাঘজান কাণ্ড কেনেকৈ হ'বলৈ পালে-**

জ'ন এনাৰ্জীয়ে নিৰ্দিষ্ট কাম প্ৰায় সম্পাদন কৰি অইলক এই খাদটো গতাবলৈ লোৱাৰ সময়তে ইয়াত হ'ল এক অবাঞ্চনীয় পৰিস্থিতি, যিটোৰ কোনেও কিজানি কেতিয়াও কল্পনা কৰা নাছিল। ২৭ মে'ৰ পৰা অহৰহভাৱে এই খাদটোৰ পৰা গেছ আৰু কণ্ডেনচেট নিৰ্গত হোৱা আৰম্ভ কৰিলে। আৰু এই ঘটনাটো সংঘটিত হ'ল ৰিগটোৰ "ৱেল হেড"টো সলনি কৰা সময়ত। এই কাণ্ড হ'বলৈ পালে কেৱল কৰ্মচাৰীৰ সোনকালে কৰিব খোজা প্ৰৱণতাৰ বাবে। যি "ৱেল হেড" সলনি কৰি ইয়াৰ খাপ খাবলৈ ৪৮ ঘণ্টা সময় লাগে,সেই "ৱেল হেড" অইলৰ কৰ্মচাৰীয়ে মাত্ৰ ২৪ ঘণ্টা সময় থাকিবলৈ দিলে।

ইয়াৰ বাবে দোষী কেৱল অইল আৰু জ'ন এনাৰ্জী। যি সময়ত এই গুৰুত্বপূৰ্ণ কাম সম্পাদন হৈ আছিল সেইসময়ত অইলৰ "ড্ৰিলিং ইন-চাৰ্জ" আৰু "ইনষ্টলেচন অফিচাৰ" উপস্থিত নাছিল। কেৱল নিম্নখাপৰ কৰ্মচাৰীসকলক দায়িত্ব দি তেওঁলোক ঘটনাৰ ঠাইত অনুপস্থিত আছিল। এইয়া অইলৰ মোটা অংকৰ দৰমহা লাভ কৰা বিষয়া-কৰ্মচাৰীৰ কেনেধৰণৰ কৰ্ম-সংস্কৃতি সেয়া সহজে অনুমেয়। লগতে যি 'জ'ন এনাৰ্জী' নামৰ কোম্পানীটো আছিল তেওঁলোকৰ মেৰামতিৰ সময়ত থাকিবলগা "ৰিগ ইন-চাৰ্জ" আৰু "ড্ৰিলিং চুপাৰিনটেনডেন্ট"জন উপস্থিত নাছিল, কেৱল তেওঁলোকৰ নিম্নপৰ্যায়ৰ "টোল পুচাৰ"সকলে কাম কৰি আছিল।



*১০ জুনৰ দিনা বাঘজান, ফটোঃ শচীন ভৰালী*

এই সমগ্ৰ কৰ্মকাণ্ডৰ বাবে ২৭ মে'ৰ দিনাখন অইলৰ বাঘজান-৫ খাদৰ পৰা অহৰহ গেছ আৰু কণ্ডেনচেট নিৰ্গত হৈছিল যি বিয়পি পৰিছিল ওচৰ-পাজৰৰ গাঁও,অৰণ্যত আৰু কাষৰীয়া মাগুৰি মতাপুং বিলত। এনেদৰে প্ৰায় ১৪ দিন ধৰি নিৰ্গত হৈ থাকিল গেছ আৰু কণ্ডেনচেট। দেশৰ কিছুমান বিশেষজ্ঞ আনিও নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে এই নিৰ্গমন। অৱশেষত চিংগাপুৰৰ পৰা অনা হ'ল ৩ জন বিশেষজ্ঞ যিকেইজনে বাঘজানত নিজৰ কাম আৰম্ভ কৰাৰ দিনাই অৰ্থাৎ ৯ জুনৰ ভৰ দুপৰীয়া বিধ্বংসী বিস্ফোৰণেৰে জ্বলি উঠিল বাঘজান।

**কি হ'ল বাঘজানত-**

চাৰিওফালে লাগিল হুৰা-দুৰা। যেন ফিৰিঙতিৰ পৰা খাণ্ডৱদাহ। জুইৰ লেলিহান শিখাই আৱৰি ধৰিলে ওচৰৰ প্ৰায় ৫০০ মিটাৰৰ পৰা ১ কিলোমিটাৰ ব্যাসাৰ্ধৰ বৃহৎ এলেকা। জুইত ভস্মীভূত হ'ল কাষৰীয়া চাহ বাগিছা,ঘৰ-দুৱাৰ,ভঁৰাল,গছ-গছনি আদি নানা সম্পদ। অসম গৌৰৱ ডিব্ৰু ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান আৰু কাষৰীয়া মাগুৰি মতাপুং বিলৰ জীৱকূলৰ ব্যাপক ক্ষতিসাধন কৰিলে এই বিস্তৰ অগ্নিকাণ্ডই। ওচৰত বাস কৰা লোকসকলে প্ৰাণৰ তাড়নাত নিজ ঘৰ-বাৰী এৰি পলায়ন কৰিলে সুৰক্ষিত স্থানলৈ পলায়ন কৰিলে। আমি হেৰুৱালোঁ অইলৰ দুজনকৈ কৰ্মচাৰীক-দুৰ্লভ গগৈ আৰু তিখেশ্বৰ গোহাঁই আৰু আঘাতপ্ৰাপ্ত হ'ল অইল আৰু অ এন জি চিৰ কেইবাজনো কৰ্মচাৰী।

**এতিয়া কি হ'ব বাঘজানত-**


বাঘজানৰ কাষৰীয়া প্ৰায় ডেৰ কিলোমিটাৰ ব্যাসাৰ্ধৰ এলেকা বৰ্তমান সুৰক্ষিত নহয়। প্ৰায় ২৫-২৮ দিনৰ দৰকাৰ হ'ব বাঘজানৰ এতিয়াও জ্বলি থকা জুইক নিয়ন্ত্ৰণ কৰিবলৈ। পুনৰ তিনিজন বিশেষজ্ঞ অনা হৈছে আমেৰিকা আৰু কানাডাৰ পৰা। জুইকুৰা জ্বলি যোৱাৰ ফলত এটাই ভাল হ'ল এতিয়া আগতকৈ প্ৰদূষণ হ্ৰাস পাব। কিন্তু অতি সোনকালে যদি ওচৰৰ মাগুৰি বিল আৰু গছ-গছনিত পৰা কণ্ডেনচেট আঁতৰোৱাৰ ব্যৱস্থা কৰা নহয় তেতিয়া পুনৰ অধিক উত্তাপ পালে এইবোৰ জ্বলি যোৱাৰ সম্ভাৱনা আছে আৰু মাগুৰি বিলৰ জলচৰ জীৱবোৰ অক্সিজেনৰ অভাৱত মৃত্যু ঘটাৰো সম্ভাৱনা আছে। ইতিমধ্যেই প্ৰায় ২০০ টা প্ৰজাতিৰ চৰাইৰ বিচৰণস্থলী মাগুৰিবিলৰ জৈৱবৈচিত্ৰৰ প্ৰতি সৃষ্টি হৈছে তীব্ৰ ভাবুকি।

আমাক এতিয়া দৰকাৰ এজাক দোপালপিটা বৰষুণৰ যি উটুৱাই লৈ যাব সকলো কণ্ডেনচেট আৰু সাৰ পাই উঠিব কাষৰীয়া জনসাধাৰণৰ আশাবোৰ। এতিয়া অতি সোনকালে বাঘজানৰ খাদত জ্বলি থকা জুই নিৰ্বাপন কৰিব লাগিব তেতিয়াহে ওচৰৰ প্ৰকৃতি তথা মানুহে সকাহ পাব। চৰকাৰলৈ আহ্বান- বাঘজানত ক্ষতিগ্ৰস্ত হোৱা লোকসকলৰ বাবে যি পুঁজিৰ

আবন্টন হয় তাৰ যেন কোনো হৰণ-ভগন নহয়। প্ৰশ্ন হয়- জুই ৰাছিয়াতো জ্বলে,ত্ৰিপুৰাতো জ্বলে কিন্তু বাঘজানবাসীৰ অন্তৰত যিকুৰা অগ্নিয়ে দহিছে সেই অগ্নি নুমুৱাব কোনে?

*******

# অযোধ্যা বিবাদঃ ৰাম মন্দিৰ আৰু বাবৰি মছজিদ




*প্ৰকাশঃ ১১ আগষ্ট, ২০২০*

ভাৰতৰ ন্যায়পালিকাৰ ইতিহাসৰ বৰ্তমানলৈ সুদীৰ্ঘ সময়ৰ বাবে বিচাৰ হোৱা গোচৰৰ ভিতৰত এটা অন্যতম হৈছে অযোধ্যা বিতৰ্ক। ১৯৫০ ৰ পৰা ২০১৯ চনলৈ প্ৰায় ৬৯ বছৰীয়া এই পৰিক্ৰমাত দিনৰ পাছত দিন এই বিষয়টোক লৈ এলাহাবাদ উচ্চ ন্যায়ালয়ৰ লগতে ভাৰতৰ উচ্চতম ন্যায়ালয়তো বিচাৰ চলি আহিছিল। অৱশেষত ২০১৯ৰ ৯ নৱেম্বৰত উচ্চতম ন্যায়ালয়ত এই অযোধ্যা বিবাদৰ গোচৰ নিষ্পত্তি কৰা হয় আৰু দুয়োপক্ষৰ মাজত মীমাংসা কৰি সিদ্ধান্ত দিয়া হয়। আৰু ইমানতে ন্যায়ালয়ৰ মজিয়াত অযোধ্যা বিতৰ্কৰ ওৰ পৰে। অযোধ্যা বিবাদ সম্পৰ্কে এটা বিশ্লেষণাত্মক অধ্যয়ন আগবঢ়োৱা হ'ল-

**অযোধ্যাৰ পৰিচয়ঃ**

অযোধ্যা বৰ্তমান ভাৰতৰ এখন গুৰুত্বপূৰ্ণ মহানগৰ তথা উত্তৰ প্ৰদেশৰ ই এখন গুৰুত্বপূৰ্ণ জিলা। অযোধ্যাৰ অৱস্থিতি হৈছে ২৬.৮০ উত্তৰ অক্ষাংশ আৰু ৮২.২০ পূৱ দ্ৰাঘিমাংশত অৱস্থিত। কোনো কোনো পণ্ডিতৰ মতে অযোধ্যা শব্দটি "যুদ্ধ" শব্দৰ পৰা উৎপত্তি হৈছে। অথৰ্ববেদৰ মতে এইখন আছিল শত্ৰুয়ে জয় কৰিব নোৱাৰা নগৰ,সেয়ে ই অযোধ্যা নাম পায়।

অযোধ্যা এখন ঐতিহাসিক নগৰ। ইয়াতে বিষ্ণুৰ অৱতাৰ শ্ৰীৰামৰ জন্ম হৈছিল বুলি বিশ্বাস কৰা হয়। অযোধ্যাৰ পূৰ্বৰ নাম চাকেট আছিল আৰু এই নগৰ কোশল মহাজনপদৰ ৰাজধানী আছিল। কিছুমান বৌদ্ধ আৰু জৈন ধৰ্মৰ পুথিৰ মতে গৌতম বুদ্ধ আৰু মহাবীৰ জৈন আহি এই নগৰত বাস কৰিছিলহি। অযোধ্যা নগৰখন জৈন ধৰ্মৰ পাঁচজন অন্যতম তীৰ্থংকৰ- ঋষভনাথ, অজিতনাথ,অভিনন্দননাথ,সুমাতিনাথ আৰু অনন্তনাথৰ জন্মস্থান আছিল বুলি উল্লেখ আছে। অযোধ্যা হিন্দুধৰ্মৰ সাতখন তীৰ্থক্ষেত্ৰত ভিতৰত অন্যতম। খ্ৰীষ্টীয় চতুৰ্থ শতিকাত গুপ্ত ৰজা স্কন্ধগুপ্তই তেওঁৰ ৰাজ্যৰ ৰাজধানী এই ঠাইলৈ স্থানান্তৰিত কৰি চাকেট নামৰ পৰিৱৰ্তন ঘটাই পুনৰ অযোধ্যা নাম দিয়ে।

**ৰাম জনমভূমিৰ সন্দৰ্ভতঃ**

ৰাম জনমভূমি অৰ্থাৎ বিষ্ণুৰ সপ্তম অৱতাৰ ৰামৰ জন্মস্থান। ৰামায়ণত উল্লেখ থকা মতে ত্ৰেতা যুগত শ্ৰীৰামৰ জন্ম সৰুযু নদীৰ পাৰত অৱস্থিত নগৰ অযোধ্যাত হৈছিল। কিছুমান হিন্দু বিশেষজ্ঞৰ মতে ৰামৰ জন্ম হৈছিল বাবৰি মছজিদ থকা ঠাইত।

**বাবৰি মছজিদ সন্দৰ্ভতঃ**

বাবৰি মছজিদ অৰ্থাৎ বাবৰৰ মছজিদ হৈছে অযোধ্যাত থকা এটা মছজিদ যিটো ৰামৰ জন্মস্থানত নিৰ্মাণ কৰা বুলি হিন্দুসকলে বিশ্বাস কৰে। এই মছজিদটো বাবৰৰ নিৰ্দেশত নিৰ্মাণ কৰিছিল মোগল সম্ৰাট বাবৰৰ সেনাধ্যক্ষ মীৰ বাকিয়ে। ১৯৪০ চনৰ আগতে এই মছজিদক “মছজিদ ই জন্মস্থান” বুলি জনা গৈছিল। এই মছজিদটো “ৰামকোট” নামৰ পাহাৰত অৱস্থিত য'ত অতীজতে ৰামৰ দুৰ্গ আছিল বুলি বিশ্বাস কৰা হয়। স্থানীয় লোকৰ মতে,এই মছজিদটো ঔৰংগজেৱে তেওঁৰ শাসনকালত ৰামৰ নামত উৎসৰ্গা কৰা এটা মন্দিৰ ধ্বংস কৰি নিৰ্মাণ কৰাইছিল।

**অযোধ্যা বিতৰ্কৰ ক্ৰমণিকাঃ**

অযোধ্যাৰ বিতৰ্কৰ আৰম্ভণি হৈছিল ১৮৫৫ চনত। ১৮৫৫ চনত প্ৰথম সাম্প্ৰদায়িক ধৰ্মীয় সংঘৰ্ষ সংঘটিত হৈছিল। চুন্নী মুছলমান সম্প্ৰদায়ৰ কিছুলোকে দাবী কৰিছিল যে হনুমানগড়িৰ বৈৰাগীসকলে ইয়াৰ ওপৰত থকা এটা মছজিদত আক্ৰমণ কৰি ধ্বংস কৰিছে। তাৰপাছত মুছলমানসকল উত্তেজিত হৈ হনুমানগড়িত আক্ৰমণ কৰিবলৈ গ'ল কিন্তু তেওঁলোকক হিন্দুসকলে তাৰ পৰা খেদি দিলে। মুছলমানসকল তাৰ পৰা পলাই গৈ তাৰ নিকটৱৰ্তী বাবৰি মছজিদত সোমালগৈ। তাৰপিছত হিন্দুসকলে মুছলমানসকলক খেদি গৈ বাবৰি মছজিদত আক্ৰমণ কৰিলগৈ। তাৰপাছৰে পৰাই স্থানীয় হিন্দুসকলে দাবী কৰি আহিছে যে বাবৰি মছজিদ

থকা ঠাইখন হিন্দুসকলৰহে পবিত্ৰ তীৰ্থক্ষেত্ৰ আৰু সেয়ে তেওঁলোকক তাত ৰাম মন্দিৰ নিৰ্মাণ কৰিবলৈ দিব লাগে। কিন্তু সেইসময়ৰ ব্ৰিটিছ-ভাৰতৰ ঔপনিবেশিক চৰকাৰে সকলো দাবী নস্যাৎ কৰে।

পুনৰ ১৯৪৬ চনত "হিন্দু মহাসভা"ৰ এটা ভাতৃ সংগঠন "অখিল ভাৰতীয় ৰামায়ণ মহাসভা"ই বাবৰি মছজিদ থকা ঠাইখন অধিগ্ৰহণ কৰিবলৈ এটা আন্দোলন আৰম্ভ কৰে। ১৯৪৯ চনত গোৰষনাথ মথৰ সন্ত দিগ্বিজয় নাথে "অখিল ভাৰতীয় ৰামায়ণ মহাসভা"ত যোগদান কৰে আৰু তেওঁ নদিনীয়া অখণ্ড "ৰামচৰিত মানস" পাঠৰ অনুষ্ঠান আয়োজন কৰে। এই ৰামায়ণ পাঠৰ অন্ত পৰাৰ পাছতে ২২ ডিচেম্বৰৰ দিনা হিন্দু কাৰ্যকৰ্তাসকলে বাবৰি মছজিদত প্ৰৱেশ কৰি মছজিদৰ কিছু অংশৰ ক্ষতিসাধন কৰে আৰু তাত ৰাম-সীতাৰ মূৰ্তি স্থাপন কৰে। আৰু মানুহে বিশ্বাস কৰে যে অলৌকিকভাৱে ৰাম-সীতাৰ মূৰ্তি বাবৰি মছজিদৰ ভিতৰত প্ৰকট হৈছে।

তাৰপাছত, সেইসময়ৰ ভাৰতৰ তদানীন্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে অযোধ্যাৰ স্থানীয় চৰকাৰী বিষয়-ববীয়াক মছজিদৰ পৰা ৰাম-সীতাৰ মূৰ্তি আঁতৰ কৰিবলৈ আদেশ দিয়ে। কিন্তু সেইসময়ৰ অযোধ্যাৰ স্থানীয় উচ্চপদস্থ বিষয়া কে. কে. কে. নায়াৰে সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হ'ব বুলি এই কাৰ্য্য কৰিবলৈ অসন্মতি প্ৰকাশ কৰে। (এইটো কাৰণৰ বাবেই কিছুদিনৰ পাছত নায়াৰক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছিল)তেতিয়া স্থানীয় আৰক্ষী প্ৰশাসনে এই স্থানৰ প্ৰৱেশদ্বাৰসমূহ বন্ধ কৰি দিয়ে যাতে হিন্দু,মুছলমান কোনো লোকেই ইয়াৰ অভ্যন্তৰত প্ৰৱেশ কৰিব নোৱাৰে। কিন্তু একেসময়তে মছজিদৰ ভিতৰত থকা ৰাম-সীতাৰ মূৰ্তি দুটাক পূজা কৰিবলৈ দৈনিক পুৰোহিতক প্ৰৱেশ কৰিবলৈ দিয়া হৈছিল। অৰ্থাৎ মছজিদটো কিছু ক্ষেত্ৰত মন্দিৰলৈ পৰিণত হৈছিল। তাৰ পৰৱৰ্তী পৰ্যায়ত "চুন্নী ৱাকফ বৰ্ড" আৰু "অখিল ভাৰতীয় ৰামায়ণ মহাসভা"ই পৃথকে পৃথকে স্থানীয় আদালতত বিবদমান ঠাইখনত নিজৰ নিজৰ অধিকাৰৰ দাবী জনাই আৱেদন দিয়ে। অৱশেষত আদালতে এই ঠাইখন বিতৰ্কৰ ভিতৰত আৰু ন্যায়ালয়ৰ বিচাৰাধীন বুলি ঘোষণা কৰে আৰু ইয়াৰ প্ৰৱেশদ্বাৰ সম্পূৰ্ণ বন্ধ কৰি দিয়া হয়।

এই বিতৰ্কটোক গতি প্ৰদান কৰে ১৯৬৪ চনত "বিশ্ব হিন্দু পৰিষদ"ৰ গঠনে। "বিশ্ব হিন্দু পৰিষদ" আৰু "অখিল ভাৰতীয় ৰামায়ণ মহাসভা" দুয়োটা সংগঠন লগ হৈ এইবাৰ সেই বিবদমান এলেকাটো অধিগ্ৰহণ কৰিবলৈ আন্দোলন কৰে।

পুনৰ এই বিবদমান ঠাইৰ বাবে জোৰদাৰ আন্দোলন আৰম্ভ হয় ১৯৮০ৰ দশকত। “বিশ্ব হিন্দু পৰিষদে” এই বাবৰি মছজিদ থকা এলেকাটো হিন্দুসকলৰ বুলি পুনৰ দাবী কৰে আৰু তাত মছজিদৰ সলনি ৰামলালা অৰ্থাৎ ৰামৰ বাল্যকালক সোৱঁৰি এটা মন্দিৰ নিৰ্মাণ কৰিব লাগে বুলি দাবী জনায়। আৰু এই দাবীৰ ৰাজনৈতিকভাৱে প্ৰচাৰ কৰে ১৯৮০ চনত গঠন হোৱা ৰাজনৈতিক দল ভাৰতীয় জনতা পাৰ্টিয়ে। এইবাৰ ১৯৮৬ চনত জিলা দণ্ডাধীশে এইবুলি ৰায় প্ৰদান কৰে যে এই বিবদমান ঠাইৰ প্ৰৱেশদ্বাৰ অতি শীঘ্ৰে খুলিব লাগে আৰু লগতে হিন্দুসকলক ৰাম-সীতাৰ মূৰ্তিত পূজা-অৰ্চনা কৰিবলৈও অনুমতি প্ৰদান কৰে। আৰু এই ঘোষণাই ৰাম মন্দিৰ নিৰ্মাণৰ সপক্ষে হৈ থকা আন্দোলনক এটা তীব্ৰ গতি দান কৰে।

কালক্ৰমত ১৯৯০ চনৰ ছেপ্টেম্বৰত ভাৰতীয় জনতা পাৰ্টিৰ নেতা লালকৃষ্ণ আদৱানীয়ে ৰাম মন্দিৰ আন্দোলনৰ সপক্ষে জনজাগৰণ সৃষ্টি কৰিবলৈ আৰু আন্দোলনক গতি প্ৰদান কৰিবলৈ অযোধ্যালৈ “ৰথ যাত্ৰা” আৰম্ভ কৰে। এই ৰথযাত্ৰাৰ ফলত ভাৰতৰ কিছুমান নগৰত সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি হয়। আৰু ৰথযাত্ৰাৰ অৱস্থাতে বিহাৰ পুলিচে লালকৃষ্ণ আদৱানীক বিহাৰৰ সমষ্টিপুৰত গ্ৰেপ্তাৰ কৰে। কিন্তু ইয়াৰ পাছতো ক্ষান্ত হোৱা নাছিল “ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ”ৰ হিন্দু কৰসেৱকসকল। কৰসেৱকসকল অযোধ্যাত উপস্থিত হয় আৰু বাবৰি মছজিদত আক্ৰমণ কৰিবলৈ উদ্যত হয়। কিন্তু উত্তৰ প্ৰদেশ পুলিচ আৰু পেৰামিলিটাৰী ফৰ্চৰ জোৱানসকলে তেওঁলোকৰ আক্ৰমণৰ চেষ্টাক ব্যৰ্থ কৰে। এই কাৰ্যত বহুতো কৰসেৱকৰ মৃত্যু হয়। এইটো সময়তে ভাৰতীয় জনতা পাৰ্টিয়ে শাসকীয় বিশ্বনাথ প্ৰতাপ সিং চৰকাৰক নিষ্ক্ৰিয় আখ্যা দি কেন্দ্ৰীয় চৰকাৰৰ পৰা নিজৰ সমৰ্থন প্ৰত্যাহাৰ কৰে। দেশত পুনৰ নিৰ্বাচন অনুষ্ঠিত হয় আৰু ভাৰতীয় জনতা পাৰ্টিৰ আসন আৰু লাভ কৰা ভোটৰ শতাংশ বৃদ্ধি হয়। লগতে উত্তৰ প্ৰদেশ বিধানসভাত একক সংখ্যাগৰিষ্ঠতা লাভ কৰি ভাৰতীয় জনতা পাৰ্টিয়ে চৰকাৰ গঠন কৰে।

এইবাৰ ১৯৯২ চনৰ ৬ ডিচেম্বৰ তাৰিখে বিশ্ব হিন্দু পৰিষদ আৰু ভাৰতীয় জনতা পাৰ্টিয়ে বাবৰি মছজিদৰ এলেকাত এটা ৰেলীৰ আয়োজন কৰে। এই ৰেলীত আছিল প্ৰায় ডেৰ লাখ ভাৰতীয় জনতা পাৰ্টি আৰু বিশ্ব হিন্দু পৰিষদৰ হিন্দু কৰসেৱক। এই ৰেলীত জেষ্ঠ্য বিজেপি নেতা লালকৃষ্ণ আদৱানী,মুৰলী মনোহৰ যোশী তথা উমা ভাৰতীয়ে ভাষণ প্ৰদান কৰে। আৰু এই ভাষণৰ দ্বাৰা উত্তেজিত হৈ হিন্দু কৰসেৱকসকলে পাছবেলা বাবৰি মছজিদ ধ্বংস কৰে। মছজিদক সুৰক্ষা দিবলৈ পুলিচ বাহিনী নিয়োগ কৰা হৈছিল যদিও কৰসেৱকৰ সংখ্যাৰ তুলনাত পুলিচ বাহিনী নগণ্য আছিল। মাত্ৰ কেইটামান ঘণ্টাৰ ভিতৰতে বাবৰি মছজিদ ধ্বংস

কৰি দিয়া হ'ল। ভাৰতৰ উচ্চতম ন্যায়ালয়ক উত্তৰ প্ৰদেশ চৰকাৰে বাবৰি মছজিদৰ কোনো ক্ষতি নহয় বুলি কথা দিওঁ কথা ৰাখিব নোৱাৰিলে। এই বাবৰি মছজিদৰ ধ্বংসলীলাৰ পাছত দেশৰ বহুত ঠাইত সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি হ'ল আৰু এইবোৰত প্ৰায় দুহেজাৰ লোক মৃত্যুমুখত পৰে।

এই ঘটনাৰ তাৎক্ষণিক প্ৰতিক্ৰিয়া ঘটনাৰ তদন্তৰ বাবে হিচাপে ১৬ ডিচেম্বৰৰ দিনা দেশৰ কেন্দ্ৰীয় চৰকাৰে লিবাৰহান আয়োগ গঠন কৰি দিয়ে। এইখনেই আছিল ভাৰতৰ ইতিহাসৰ আটাইতকৈ দীঘলীয়া আয়োগ। এই আয়োগৰ ৰিপৰ্টত অটল বিহাৰী বাজপেয়ী,বাল থাকৰে, লালকৃষ্ণ আদৱানী,প্ৰমোদ মহাজন,কল্যান সিং,উমা ভাৰতী,মুৰলী মনোহৰ যোশী,বিজয়া ৰাজে সিন্ধিয়া,অশোক সিংঘল আদিক বাবৰি মছজিদৰ ধ্বংসলীলাৰ বাবে জগৰীয়া কৰে। কিছুমান প্ৰত্যক্ষদৰ্শীৰ মতে বহুকেইজন নেতাই উত্তেজনামূলক ভাষণ প্ৰদান কৰি জনগণক মছজিদটো ধ্বংস কৰিবলৈ উত্তেজিত কৰিছিল। আৰু লগতে এইটোও কোৱা হৈছে যে তেওঁলোকে ইচ্ছা কৰাহেতেন এই ধ্বংসলীলা স্থগিত কৰিব পাৰিলেহেঁতেন কিন্তু তেওঁলোকে কৰা নাছিল।

বহুতো মুছলমান সংগঠনে বাবৰি মছজিদৰ ধ্বংসলীলাৰ বাবে এতিয়াও ক্ষোভৰ বহিঃপ্ৰকাশ কৰে। ২০০৭ চনত তেতিয়াৰ ৰাম মন্দিৰৰ মুখ্য পুৰোহিত এম এন গোপাল দাসক বহুতো মুছলমান সন্ত্ৰাসবাদী গোটে হত্যাৰ ভাবুকি দিয়ে। কিছুমান জেহাদী গোটে বাবৰি মছজিদৰ ধ্বংসৰ প্ৰতিক্ৰিয়াস্বৰূপে বহুতো হিংসাত্মক কাৰ্য্য সংঘটিত কৰে।

**অযোধ্যা বিতৰ্কৰ ন্যায়িক যুদ্ধঃ**

ৰাম মন্দিৰ আৰু বাবৰি মছজিদক লৈ চলি থকা বিবাদৰ মাজতে ১৯৫০ চনত গোপাল সিং বিশাৰদে এলাহাবাদ উচ্চ ন্যায়ালয়ত অযোধ্যাৰ বিবদমান এলেকাত পূজা কৰিবলৈ অনুমতি প্ৰদান কৰিবলৈ এখন লেখ আৱেদন দাখিল কৰে। তাৰ কিছুদিন পাছতেই একেই লেখ আৱেদন দাখিল কৰে অযোধ্যাৰ পৰমহংস দাসে কিন্তু পাছত এইখন উঠাই লয়। ১৯৫৯ চনত এটা হিন্দু ধৰ্মীয় অনুষ্ঠান নিৰ্মোহী আখৰাই বিবদমান ভূমি তেওঁলোকৰ বুলি তৃতীয়খন লেখা আৱেদন দাখিল কৰে। আকৌ চতুৰ্থখন লেখ আৱেদন দাখিল কৰে চুন্নী ৱাকফ বৰ্ডে আৰু তেওঁলোকে ঘোষণা কৰে সেই বিবদমান এলেকা তেওঁলোকৰ হয়। এলাহাবাদ উচ্চ ন্যায়ালয়ে এই গোচৰৰ শুনানি ২০০২ চনত আৰম্ভ কৰে আৰু ২০১০ চনৰ ৩০ ছেপ্টেম্বৰত এই গোচৰৰ শুনানি শেষ হয় আৰু ন্যায়াধীশ এছ. ইউ. খান, সুধীৰ আগৰৱালা আৰু ডি ভি বাৰ্মাৰ নেতৃত্বত ৰায়দান কৰে যে অযোধ্যাৰ বিবদমান এলেকা তিনিভাগত ভাগ কৰা হ'ব। ৰামলালাৰ মূৰ্তি

থকা অংশটো লাভ কৰিব ৰামলালাৰ ভক্তগণে,নিৰ্মোহী আখৰাই লাভ কৰিব সীতা ৰচ'ই অৰ্থাৎ সীতাৰ ৰান্ধনিশাল আৰু ৰাম চাবুটাৰা আৰু চুন্নী ৱাকফ বৰ্ডে লাভ কৰিব বাকী থকা অংশটো। কিন্তু কোনো এটা পক্ষই এই ভাগ ভাগ কৰি দিয়া সিদ্ধান্ত মানি নল'লে আৰু পুনৰ ২০১০ চনৰ ডিচেম্বৰত তিনিওটা পক্ষই উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে ভাৰতৰ উচ্চতম ন্যায়ালয়ত গোচৰ তৰিলে।

উচ্চতম ন্যায়ালয়ে ২০১১ চনৰ ৯ মে'ত উচ্চ ন্যায়ালয়ৰ ৰায়ত স্থগিতাদেশ ঘোষণা কৰে। আৰু তেনেকৈয়ে দিনৰ পাছত দিন গৈ থাকে কিন্তু এই গোচৰ অমীমাংসীত হৈ আছিল। অৱশেষত ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈদেৱে ২০১৯ ত ঘোষণা কৰে যে অতি শীঘ্ৰে অযোধ্যা বিবাদৰ নিষ্পত্তি কৰা হ'ব। এই বিবাদ নিষ্পত্তিৰ বাবে ৰঞ্জন গগৈৰ নেতৃত্বত ডি ৱাই চন্দ্ৰচূড়,এ আব্দুল নাজিৰ,অশোক ভূষণ আৰু এছ এ ববদেৰ বেঞ্চ গঠন কৰি দিয়া হয়। আৰু এই বিবাদৰ উচ্চতম ন্যায়ালয়ৰ চূড়ান্ত শুনানি আৰম্ভ হয় ৬ আগষ্টত আৰু অন্ত পৰে ১৬ অক্টোবৰত।

অৱশেষত বুৰঞ্জীমূলক সাক্ষ্য, প্ৰমাণৰ ওপৰত ভিত্তি কৰি এই গোচৰৰ একেবাৰে শেষৰ চূড়ান্ত শুনানি প্ৰদান কৰে ৯ নৱেম্বৰ তাৰিখে। এই শুনানিত ভাৰতৰ উচ্চতম ন্যায়ালয়ে বিবদমান ভূমি ৰাম মন্দিৰ নিৰ্মাণ কৰিবলৈ দিবলৈ আদেশ দিয়ে। লগতে এইটোও আদেশ দিয়ে যে এই বিবদমান ভূমিৰ বিকল্পৰূপে চুন্নী ৱাকফ বৰ্ডক মছজিদ নিৰ্মাণ কৰিবলৈ ৫ একৰ ভূমি প্ৰদান কৰিবলৈ।

উচ্চতম ন্যায়ালয়ে এইটোও ঘোষণা কৰে যে নিৰ্মোহী আখৰা এই ভূমিৰ ন্যায়িক উত্তৰাধিকাৰী নহয় আৰু এওঁলোক ৰামলালাৰ পূজকো নহয়। গতিকে,তেওঁলোকৰ আবেদন খাৰিজ কৰে।উচ্চতম ন্যায়ালয়ত এই ৰায়দান পুনৰ বিচাৰৰ বাবে সৰ্বমুঠ ১৮ খন আৱেদন দাখিল কৰে যদিও ১২ ডিচেম্বৰৰ দিনা উচ্চতম ন্যায়ালয়ে সকলো আৱেদন পোনচাতেই খাৰিজ কৰে।আৰু এনেদৰেই মীমাংসা হয় ভাৰতৰ ইতিহাসৰ সৰ্বকালৰ এটা দীঘলীয়া গোচৰ “অযোধ্যা বিবাদ”। এই বিবাদৰ মূলতে হ'ল সকলো পক্ষৰ ধৰ্মীয় সংকীৰ্ণতা। এনে এটা ধৰ্মীয় সংকীৰ্ণ বিষয় ভাৰতীয় উচ্চতম ন্যায়ালয়ে কোনো সাম্প্ৰদায়িক সংঘৰ্ষ নোহোৱাকৈ সমাধান কৰাটো ভাৰতীয় উচ্চতম ন্যায়ালয়ৰ এটা যোগাত্মক বিষয়। ভাৰতৰ দৰে দেশত ইমান এটা দীঘলীয়া ধৰ্মীয় ভাৱাবেগ জড়িত বিষয় সমাধান কৰাটো ন্যায়পালিকাৰ বাবে সহজসাধ্য নাছিল কিন্তু এইয়া সম্ভৱ হ'ল ভাৰতীয় ন্যায়পালিকাৰ নিৰপেক্ষতা তথা নিৰ্ভীকতাৰ বাবে।

উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্ত অনুসৰি ২০২০ চনৰ ৫ ফেব্ৰুৱাৰী দিনা ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ১৫ জন সদস্যযুক্ত শ্ৰীৰাম জন্মভূমি তীৰ্থক্ষেত্ৰ ন্যাস গঠন কৰে। এই ন্যাসটোৰ নেতৃত্বত আছে মহন্ত নৃত্যগোপাল দাসজী মহাৰাজ। আৰু বহু প্ৰতীক্ষিত এই ৰামমন্দিৰৰ ভূমিপূজন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে যোৱা ৫ আগষ্টত।

আশাকৰো এই মন্দিৰ ভগৱান শ্ৰীৰামৰ প্ৰজাহিতকৰ আদৰ্শেৰে পৰিচালিত হ'ব। কেৱল এটা ধৰ্মৰ বাবেই নহয় বিশ্বৰ সকলো ধৰ্মৰ সকলো জনগণৰ বাবেই ন্যায় তথা শান্তিৰ ধ্বজাবাহক হ'ব। ৰাম কোনো ধৰ্মৰ নহয় ৰাম সকলো জনগণৰ। জাতিৰ পিতা মহাত্মা গান্ধীয়ে ভাৰতত প্ৰতিষ্ঠা কৰিব বিচাৰিছিল ৰামৰাজ্য। এই ৰাম মন্দিৰে যেন ৰাৱণসদৃশ বিশ্ব তথা মানৱ সমাজৰ ক্ষতিকাৰক লোকসকলৰ মাজৰ পৰা অসূয়া-অপ্ৰীতি নাশ কৰে।

********

# EIA-2020 বনাম উত্তৰ পূৰ্বাঞ্চলৰ জৈৱ বৈচিত্ৰ




*প্ৰকাশঃ ২২ আগষ্ট, ২০২০*

"সেউজী সেউজী সেউজী অ'
সেউজী ধৰনী ধুনীয়া
সোণোৱালী শইচৰ
পথাৰ কোলাত শোভে ৰ'দালিৰে ফুল ফল সেন্দুৰীয়া
আমাৰ চকুলোৰে
পানী দি জীয়ালো মানিকী মধুৰি ধান
তোমালৈ আনিছো
জগতৰে শইচ এৰা নিমাতী মান"
(জ্যোতিপ্ৰসাদ আগৰৱালা)

সেউজীয়া আমাৰ কাম্য। আমি বিচাৰো চাৰিওফালে সেউজীয়াৰ চাদৰ। সেউজীয়া সৃষ্টি হয় গছ-বনৰ সংমিশ্ৰনেৰে। অৰ্থাৎ গছ-গছনি তথা প্ৰকৃতি ৰক্ষা কৰাটো আমাৰ দায়িত্ব তথা কৰ্তব্য। আমি সবাই প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য পান কৰি ভাল পাওঁ। প্ৰকৃতিৰ শ্যামল বৰণত লুকাই থাকে এক অনিৰ্বচনীয় আনন্দ আৰু প্ৰশান্তি যিটো কেতিয়াও আন কতো পোৱা নাযায়।

ভাৰতৰ এটা প্ৰান্তত উত্তৰ-পূৰ্বাঞ্চল অৰ্থাৎ অসমকে ধৰি সাতভনীয়ে প্ৰকৃতিৰ এক বৃহৎ বৰদান লাভ কৰিছে। প্ৰাকৃতিকভাৱে উত্তৰ পূৰ্বাঞ্চল যথেষ্ট চহকী। উত্তৰ পূৰ্বাঞ্চলে এক বৃহৎ পৰিমাণৰ প্ৰাকৃতিক সৌন্দৰ্য ধৰি ৰাখিছে। জৈৱ বৈচিত্ৰতাৰ ক্ষেত্ৰত ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ তুলনা হয়তো আন কোনো ঠাইৰ লগত কৰিব নোৱাৰি বা কৰাৰ প্ৰশ্নই উত্থাপন নহয়। উত্তৰ পূৰ্বাঞ্চলৰ গভীৰ অৰণ্যত পোৱা গছ-গছনি তথা জীৱ-জন্তু,চৰাই-চিৰিকটি আদিয়ে এই অঞ্চলৰ জৈৱ বৈচিত্ৰতাৰ মূল কাৰণ। জৈৱ বৈচিত্ৰতা আমাৰ বাবে এক চিনাকি তথা মানুহ তথা সকলো সুস্থভাৱে জীয়াই থাকি পৰিস্থিতিতন্ত্ৰ ৰক্ষা কৰিবলৈ জৈৱ বৈচিত্ৰতাৰ অত্যন্ত প্ৰয়োজন।

১৯৮৪ ৰ “ভূপাল গেছ ট্ৰেজেদী”ৰ পাছত কিছু উপলব্ধি কৰি ভৱিষ্যতে এনে ঘটনা নঘটিবলৈ ভাৰত চৰকাৰে ১৯৮৬ত প্ৰণয়ন কৰিলে “পৰিৱেশ সুৰক্ষা আইন”। এই আইনৰ এটা প্ৰক্ৰিয়াই হৈছে “EIA” অৰ্থাৎ “পাৰিৱেশিক প্ৰভাৱ নিৰূপণ”। এই প্ৰক্ৰিয়াত কয়লা খনন,নদীবান্ধ নিৰ্মাণ, শক্তি উৎপাদন, ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ আদি ক্ষেত্ৰসমূহ অন্তৰ্ভুক্ত হৈ থাকে। EIA ৰ দ্বাৰা এটা প্ৰকল্প কৰাৰ আগতে প্ৰকৃতিৰ ওপৰত তাৰ প্ৰভাৱ কেনেকুৱা হ’ব তাৰ অধ্যয়ন কৰা হয়। যোৱা ২৩ মাৰ্চৰ দিনা ভাৰতৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে নতুন “EIA,2020” অৰ্থাৎ পাৰিৱেশিক প্ৰভাৱ নিৰূপণ,২০২০ সন্দৰ্ভত অধিসূচনা জাৰি কৰে।

দেশৰ কেন্দ্ৰীয় চৰকাৰে জাৰি কৰা EIA ৰ এই নতুন খচৰাৰ জৰিয়তে পৰিৱেশ সুৰক্ষা আইনখন আগতকৈ শিথিলহে কৰা হৈছে। এই EIA,2020 ৰ খচৰাখন সম্পূৰ্ণ ৮৩ পৃষ্ঠাজোৰা। ইয়াত ঔদ্যোগিক বিকাশৰ কথা কোৱা হৈছে কিন্তু এই ক্ষেত্ৰত পাছপৰি ৰৈছে পৰিৱেশ সংৰক্ষণৰ বিষয়টো। যাৰফলত ঔদ্যোগিক বিকাশ আৰু পৰিৱেশ সংৰক্ষণ দুয়োটা বিষয়ৰ মাজত ভাৰসাম্যহীনতাৰ সৃষ্টি কৰাৰ সম্ভাৱনা ১০০ শতাংশই সত্য।

EIA 2020 ত চৰকাৰে ভালেমান পৰিৱেশৰ ক্ষতিকৰ সিদ্ধান্ত অন্তৰ্ভুক্ত কৰিছে। এই নৱপ্ৰস্তাৱিত খচৰাৰ জৰিয়তে অবৈধ বা সময়সীমা উকলি যোৱা কোনো প্ৰকল্পক অবাধ সুবিধা প্ৰদান কৰিছে আৰু বৈধ স্বীকৃতি প্ৰদান কৰাৰ ব্যৱস্থা কৰিছে। যিকোনো প্ৰকল্প স্থাপনৰ ক্ষেত্ৰত থকা ৩০ দিনৰ ৰাজহুৱা শুনানিৰ সুবিধা হ্ৰাস কৰি ২০ দিন কৰিছে। নতুন খচৰামৰ্মে,কোনো প্ৰতিষ্ঠানে পৰিৱেশ সুৰক্ষা আইন উলংঘা কৰিলেও জনসাধাৰণে তাত মন্তব্য দিব নোৱাৰিব। কেৱল চৰকাৰেহে প্ৰতিষ্ঠানক জবাবদিহি কৰিব পাৰিব। আৰু এই EIA,2020 ৰ আটাইতকৈ ভয়ানক কথাটো হৈছে সীমান্ত এলেকাৰ ১০০ কি মি দূৰত্বৰ ভিতৰত পৰা এলেকাত চৰকাৰে কিবা প্ৰকল্প হাতত ললে তাত কোনেও কোনো আপত্তি কৰিব নোৱাৰিব।

ভাৰতৰ উত্তৰ পূৰ্বাঞ্চল জৈৱ বৈচিত্ৰত অধিক চহকী। উত্তৰ পূৰ্বাঞ্চলৰ জৈৱ বৈচিত্ৰৰ কথা সকলোৰে মুখে মুখে। বিশ্বৰ কিছুমান বিপন্নপ্ৰায় চৰাই-চিৰিকটি,জীৱ-জন্তু তথা গছ-গছনি এই অঞ্চলৰ অৰণ্যসমূহত বিৰাজ কৰিছে।

কিন্তু কেন্দ্ৰীয় চৰকাৰৰ এই EIA,2020ৰ নীতি-নিয়মে উত্তৰ পূৰ্বাঞ্চলৰ জৈৱ বৈচিত্ৰক আওকাণ কৰিছে। তথা অৱহেলা প্ৰকাশ কৰিছে। নতুন EIA,2020 ৰ খচৰামতে হ'বলৈ হ'লে উত্তৰ-পূৰ্বাঞ্চলখন মৰুভূমিত পৰিণত হ'ব। উত্তৰ পূবত জৈৱ বৈচিত্ৰৰ সাংঘাটিক ৰূপত স্খলন ঘটিব যাৰ আমি কেতিয়াও কল্পনা কৰিব নোৱাৰিম। এই EIA,2020ৰ বাবে উত্তৰ পূৱৰ সেউজীয়া প্ৰকৃতিৰ বিনন্দীয়া সৌন্দৰ্যৰ  অকাল মৃত্যু ঘটিব। এই EIA,2020এ সম্পূৰ্ণ মষিমূৰ কৰি পেলাব উত্তৰ পূবৰ জৈৱ বৈচিত্ৰ।

আমি আমাৰ জৈৱ বৈচিত্ৰ কেতিয়াও হানি হ'ব নিদিওঁ। জৈৱ বৈচিত্ৰতাৰ অবিহনে সকলো মূল্যহীন। জৈৱ বৈচিত্ৰতাৰ হানিয়ে এটা পৰিস্থিতিতন্ত্ৰত ব্যাঘাত জন্মাব। অসম তথা উত্তৰ পূবৰ বাবে এই EIA,2020 মুঠেই সমীচীন নহয় কিয়নো তাৰ পৰা এহাতে কেৱল সম্পদৰ শোষণ হ'ব আৰু আনহাতে প্ৰকৃতিৰ ওপৰত লুণ্ঠন হ'ব,তাকো বৈধ!লগতে ই আমাৰ অস্তিত্ব বিপন্নৰো এক ভাবুকি। জৈৱ বৈচিত্ৰ ধ্বংস হোৱাৰ লগে লগে মানুহৰ স্বাস্থ্যতো প্ৰভাৱ পৰিব আৰু তাৰ ফলত কি হ'ব সহজেই অনুমেয়।

আমি আমাৰ জৈৱ বৈচিত্ৰতা ৰক্ষা কৰি যাব লাগিব অন্যথা মানৱ জাতিৰ ভৱিষ্যত ভয়ংকৰ। আমাক ঔদ্যোগিক বিকাশ লাগে কিন্তু তাৰ লগতে প্ৰথমে সদায় পৰিৱেশৰ ভাৰসাম্য ৰক্ষা হ'ব লাগিব। তেনে বহনক্ষম উন্নয়নহে আমাৰ কাম্য। চৰকাৰলৈ এয়ে আহ্বান যাতে অতি সোনকালে উত্তৰ পূৰ্বাঞ্চলৰ বাবে EIA,2020 বাতিল কৰক আৰু এখন সম্পূৰ্ণ পৃথক আৰু নতুন EIA গ্ৰহণ কৰক যাতে উত্তৰ পূৰ্বাঞ্চলৰ জৈৱ বৈচিত্ৰৰ কোনো ক্ষতিসাধন নহয় আৰু লগতে উন্নয়নেও যাতে প্ৰাধান্য পায়।

********

# ৰাষ্ট্ৰীয় নিয়োগ সংস্থা (NRA): এক বিশ্লেষণ




*প্ৰকাশঃ ২৩ আগষ্ট, ২০২০*

ৰাষ্ট্ৰীয় নিয়োগ সংস্থা অৰ্থাৎ NRA হৈছে স্বচ্ছ তথা নিকা আৰু শূণ্য সহনশীল,দুৰ্নীতিমুক্ত ভাৰতৰ বাবে দেশৰ কেন্দ্ৰীয় চৰকাৰৰ এক পদক্ষেপ। ৰাষ্ট্ৰীয় নিয়োগ সংস্থা অৰ্থাৎ NRA ই ভাৰতৰ যুৱপ্ৰজন্মৰ বাবে এক নতুন আশাৰ থল হৈ পৰিছে। ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA)ই ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ অন্তৰ্গত কিছুমান পৰীক্ষাৰ বাবে এটাই সাধাৰণ পৰীক্ষাৰ ব্যৱস্থা কৰিব। তাৰবাবে দেশৰ কোটি কোটি চাকৰিপ্ৰত্যাশীৰ মনত আশাৰ সঞ্চাৰ কৰিছে।

**ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA) কি?**

যোৱা বুধবাৰে অৰ্থাৎ ১৯ আগষ্ট তাৰিখে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বত বহা কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্ত অনুযায়ী ভাৰতত নিয়োগৰ ক্ষেত্ৰখন আৰু সুচল কৰিবলৈ এটা নতুন ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA) গঠন কৰা হ'ব। আৰু এই ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA)ই কেন্দ্ৰীয় চৰকাৰৰ অন্তৰ্গত ৰে'ল বিভাগ আৰু বেংকসমূহৰ গ্ৰুপ বি আৰু গ্ৰুপ চিৰ নিয়োগৰ বাবে চাকৰি প্ৰাৰ্থী সকলৰ মাজত এটা সাধাৰণ যোগ্যতাৰ পৰীক্ষা(Common Eligibility Test) অনুষ্ঠিত কৰিব। পৰৱৰ্তী পৰ্য্যায়ত ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA)ৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ গ্ৰুপ বি আৰু গ্ৰুপ চি পৰ্য্যায়ৰ আৰু কিছুমান পৰীক্ষাৰ সংযোজন ঘটোৱা

হ'ব। ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA)ত দেশৰ ৰে'ল বিভাগ,বিত্ত বিভাগ,এছ এছ চি(SSC),আৰ আৰ বি(RRB) আৰু আই বি পি এছ(IBPS)ৰ প্ৰতিনিধি থাকিব।

**ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA) গঠনৰ পটভূমিঃ**

ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA) গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পূৰ্বে ভাৰতত কেন্দ্ৰীয় চৰকাৰৰ অন্তৰ্গত বিভাগসমূহৰ গ্ৰুপ বি আৰু গ্ৰুপ চিৰ অ-কাৰিকৰী পদসমূহত নিযুক্তিৰ বাবে ভাৰতীয় ৰে'লৱে,বিভিন্ন বিভাগ আৰু বেংকসমূহে পৃথক পৃথককৈ পৰীক্ষা অনুষ্ঠিত কৰিছিল। কিন্তু এইবোৰৰ প্ৰায়ভাগতে একেই শৈক্ষিক যোগ্যতাৰ প্ৰয়োজন হয়। সকলো বিভাগৰে পৰীক্ষাবোৰ পৃথক পৃথককৈ অনুষ্ঠিত হোৱাৰ ফলত চাকৰি আৱেদনকাৰীসকলৰ এটা বোজাৰ সৃষ্টি হয়। কিয়নো প্ৰতিটো বিভাগৰ পৰীক্ষাৰ বাবে বেলেগ বেলেগকৈ মাচুল দিবলগা হয় লগতে কিছুমান পৰীক্ষাত অৱতীৰ্ণ হ'বলৈও দূৰ ভ্ৰমণ কৰিবলগা হয়।

সেইহেতুকে দেশৰ নিয়োগক্ষেত্ৰৰ পৰা এই সীমাবদ্ধতাবোৰ আঁতৰ কৰিবলৈ দেশত এটা ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA) গঠনৰ প্ৰস্তাৱ কৰা হ'ব বুলি এই বৰ্ষৰ ১ ফেব্ৰুৱাৰী তাৰিখে ২০২০-২১ চনৰ বাজেট ভাষণত দেশৰ বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে উল্লেখ কৰিছিল। আৰু এই ঘোষণা অনুসৰিয়েই যোৱা ১৯ আগষ্ট তাৰিখে দেশৰ কেন্দ্ৰীয় কেবিনেটে ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA) প্ৰতিষ্ঠাত অনুমোদন জনায়।

এই ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA)ই কেন্দ্ৰীয় চৰকাৰৰ অন্তৰ্গত বিভিন্ন বিভাগৰ বিভিন্ন পদৰ বাবে প্ৰত্যেক বছৰে দেশত দুটা সাধাৰণ যোগ্যতা পৰীক্ষা(CET) অনুষ্ঠিত কৰিব। তাৰ বাবে ভাৰতৰ কেন্দ্ৰীয় কেবিনেটে প্ৰথম তিনিবছৰৰ বাবে ১,৫১৭.৫৭ কোটি টকাৰ আবণ্টন কৰিছে।

**ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA)ৰ গঠনঃ**

ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA) গঠন হৈছে নিম্নোক্ত বিভাগসমূহৰ প্ৰতিনিধি সকলক লৈ-

১) ভাৰতৰ ৰে'ল মন্ত্ৰালয়(MoR)

২) ভাৰতৰ বিত্ত মন্ত্ৰালয়(MoF)

৩) ষ্টাফ চিলেকচন কমিশ্যন(SSC)

৪) ৰে'লৱে ৰিকৰুইটমেণ্ট বৰ্ড(RRB) আৰু

৫) ইনষ্টিটিউট অফ বেংকিং পাৰ্চনেল চিলেকচন(IBPS)

**ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA)ই অনুষ্ঠিত কৰিবলগা সাধাৰণ যোগ্যতা পৰীক্ষা(CET)ৰ বিষয়েঃ**

ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA)ই অনুষ্ঠিত কৰিবলগীয়া সাধাৰণ যোগ্যতা পৰীক্ষা(CET)ই কেন্দ্ৰীয় চৰকাৰৰ অন্তৰ্গত ষ্টাফ চিলেকচন কমিশ্যন(SSC),ৰে'লৱে ৰিকৰুইটমেণ্ট বৰ্ড(RRB) আৰু ইনষ্টিটিউট অফ বেংকিং পাৰ্চনেল চিলেকচন(IBPS)ৰ গ্ৰুপ বি আৰু গ্ৰুপ চিৰ চাকৰিৰ বাবে প্ৰথম পৰ্য্যায়ৰ পৰীক্ষাৰ বিলুপ্তি ঘটাব। ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA)ই মেট্ৰিক, উচ্চতৰ মাধ্যমিক(১০+২) আৰু স্নাতক পৰ্য্যায়ৰ চাকৰিৰ বাবে বাবে ক্ৰমে পৃথক পৃথককৈ সাধাৰণ যোগ্যতা পৰীক্ষা(CET) অনুষ্ঠিত কৰিব। এই সাধাৰণ যোগ্যতা পৰীক্ষা(CET)ত লাভ কৰা নম্বৰসমূহৰ তিনিবছৰলৈকে বৈধতা থাকিব।

সাধাৰণ যোগ্যতা পৰীক্ষা(CET)ৰ দ্বাৰা প্ৰথম পৰ্য্যায়ত লাভ কৰা নম্বৰৰ তালিকা অনুযায়ী নিৰ্দিষ্ট ব'ৰ্ডসমূহে যেনে – এছ এছ চি,আৰ আৰ বি,আই বি পি এছ আদিয়ে নিজৰ নিজৰ বিভাগৰ প্ৰয়োজনীয়তা অনুসৰি দ্বিতীয় আৰু তৃতীয় পৰ্য্যায়ৰ বাচনি পৰীক্ষা অনুষ্ঠিত কৰি নিৰ্দিষ্ট পদৰ বাবে প্ৰাৰ্থী নিৰ্বাচন কৰিব। কিন্তু সকলোৰে বাবে প্ৰথম পৰ্য্যায়ত সাধাৰণ যোগ্যতা পৰীক্ষা(CET) অনুষ্ঠিত হ'বই।

**ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA) দ্বাৰা আয়োজন হ'বলগা সাধাৰণ যোগ্যতা পৰীক্ষা(CET)ৰ মাধ্যমঃ**

সাধাৰণ যোগ্যতা পৰীক্ষা(CET) ইংৰাজী আৰু হিন্দীৰ লগতে সংবিধানৰ অষ্টম অনুসূচীৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত অন্য বাৰটা আঞ্চলিক ভাষাত অনুষ্ঠিত হ'ব।

**ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA)ৰ সাধাৰণ যোগ্যতা পৰীক্ষা(CET)ত কেইবাৰ অৱতীৰ্ণ হ'ব পৰা যাবঃ**

ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA)ৰ দ্বাৰা আয়োজন হ'বলগা সাধাৰণ যোগ্যতা পৰীক্ষা(CET)ত আৱেদনকাৰীসকলে ব্যক্তিগত নিৰ্দিষ্ট বয়সৰ উৰ্দ্ধসীমালৈকে যিমানবাৰ ইচ্ছা সিমানবাৰেই অৱতীৰ্ণ হ'ব পাৰিব। তাৰ ক্ষেত্ৰত কোনো বাধ্যবাধকতা নাই। আৱেদকসকলে নিজৰ প্ৰাপ্ত নম্বৰৰ বৃদ্ধি ঘটোৱাৰ উদ্দেশ্যেৰে এই সাধাৰণ যোগ্যতা পৰীক্ষা(CET)ত অৱতীৰ্ণ হ'ব পাৰিব।

**ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA)ৰ সাধাৰণ যোগ্যতা পৰীক্ষা(CET) অনুষ্ঠিত কৰিবলগা স্থানঃ**

এই পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ আৱেদনকাৰীসকলে নিজৰ জিলাৰ বাহিৰলৈ যোৱাৰ কোনো প্ৰয়োজন নাই। ৰাষ্ট্ৰীয় নিয়োগ আঁচনি(NRA)ৰ অধীনত সমগ্ৰ দেশতে মুঠ এহেজাৰ(১০০০)টা পৰীক্ষা কেন্দ্ৰ স্থাপন কৰা হ'ব য'ত প্ৰতিখন জিলাতে নূন্যতম এটা পৰীক্ষা কেন্দ্ৰ থাকিব।

সাধাৰণ যোগ্যতা পৰীক্ষা(CET) অনুষ্ঠিত হোৱাৰ পাছত অতি সোনকালে পৰীক্ষাৰ্থীৰ প্ৰাপ্ত নম্বৰ পৰীক্ষাৰ্থীক যোগান ধৰা হ'ব। আৰু তাৰ পৰা নিৰ্দিষ্ট নিয়োগ সংস্থাসমূহক নম্বৰৰ যোগান ধৰা হ'ব। ইয়াৰ পৰা নিযুক্তি প্ৰক্ৰিয়া অধিক নিকা হ'ব।

ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA) গঠনৰ ফলত আমি বহুতো সুফল লাভ কৰিম। সেইবোৰ হৈছে –

১) এই ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA) ই দেশৰ নিযুক্তি প্ৰক্ৰিয়া অধিক ত্বৰান্বিত কৰিব।

২) এই ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA)ই দেশৰ নিযুক্তি প্ৰক্ৰিয়া নিকা আৰু স্বচ্ছ কৰিব।

৩) এই ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA)ই কিছুমান অবাঞ্চিত টকাৰ খৰছ আৰু সময়ৰ খৰছ কমাব।

৪) এই ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA)ই চাকৰি আৱেদনকাৰী প্ৰাৰ্থীৰ খৰছ আগতকৈ বহুগুণে কম হ'ব কিয়নো আগতে প্ৰতিটো পৰীক্ষাৰ বাবে পৃথককৈ আৱেদন(ফৰ্ম ফিল আপ) কৰিব লগা হৈছিল কিন্তু নতুন প্ৰক্ৰিয়াত কেৱল এবাৰ আৱেদন কৰি এটাহে পৰীক্ষা দিব লাগিব।

৫) এই ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA)ই প্ৰাৰ্থীৰ অহা যোৱা কৰা খৰছ তথা সময় খৰছ হ্ৰাস কৰিব কিয়নো এই সংস্থাৰ অধীনত দেশৰ প্ৰতিখন জিলাতে নূন্যতম এটাকৈ পৰীক্ষা কেন্দ্ৰ স্থাপন কৰিব যিটো আজিৰ অৱস্থাত নাই।

৬) এই ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA)ই হিন্দী,ইংৰাজীৰ উপৰিও নিৰ্দিষ্ট ৰাজ্যত সেই ৰাজ্যৰ ৰাজ্যভাষাত অৰ্থাৎ সংবিধানৰ অষ্টম অনুসূচীৰ বাৰটা ভাষাত পৰীক্ষা অনুষ্ঠিত কৰিব। ফলত এনে ক্ষেত্ৰত যোগ্য চাকৰি প্ৰত্যাশীসকলৰ বাবে ভাষাৰ মাধ্যম কোনোকালেই হেঙাৰ হ'ব নোৱাৰে।

৭) এই ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA)ই অনুষ্ঠিত কৰা সাধাৰণ যোগ্যতা পৰীক্ষা(CET)ত সকলো দিশ চালি-জাৰি চাই এটা নিৰ্দিষ্ট পাঠ্যক্ৰম ঠিক কৰা হ'ব। যাৰ ফলত চাকৰি আৱেদনকাৰীসকলৰ বোজা হ্ৰাস হ'ব। আগতে যি পৃথক পৃথক পৰীক্ষাৰ বাবে পৃথক পৃথক পাঠ্যক্ৰম আছিল এতিয়া কেৱল এটা পৰীক্ষা অনুষ্ঠিত হ'ব লগতে এটা নিৰ্দিষ্ট পাঠ্যক্ৰম হ'ব।

দেশৰ কেন্দ্ৰীয় চৰকাৰে আৰু এটা কথা ঘোষণা কৰিছে যে ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA) অধীনত হ'বলগা সাধাৰণ যোগ্যতা পৰীক্ষা(CET)ত এজন চাকৰি প্ৰত্যাশীয়ে লাভ কৰা নম্বৰ কেন্দ্ৰীয় চৰকাৰে ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলবোৰলৈ প্ৰেৰণ কৰিব আৰু বেচৰকাৰী খণ্ডৰ কোম্পানীসমূহকো প্ৰেৰণ কৰিব যাৰফলত ৰাজ্যিক চৰকাৰ তথা ব্যক্তিগত কোম্পানীসমূহে

বিবেচনা কৰিলে বিভিন্ন চাকৰিৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA)ৰ সাধাৰণ যোগ্যতা পৰীক্ষা(CET)ৰ প্ৰাপ্ত নম্বৰৰ পৰাও নিৰ্দিষ্ট পদৰ বাবে প্ৰাৰ্থী নিৰ্বাচন কৰিব পাৰিব।

মুঠৰ ওপৰত সকলো কথা চালি-জাৰি চাই এটা নিৰ্দিষ্ট সিদ্ধান্তত উপনীত হ'ব পাৰি যে ভাৰত চৰকাৰৰ এই সংস্কাৰে দেশৰ চৰকাৰী নিয়োগক্ষেত্ৰত এটা আমূল পৰিৱৰ্তনৰ সূচনা কৰিব। ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA)ৰ গঠনে নিয়োগৰ ক্ষেত্ৰত দেখি অহা বিলম্ব তথা উৎকোচ দিয়া প্ৰথা উচ্ছেদ হ'ব আৰু সাধাৰণ চাকৰিপ্ৰাৰ্থীসকলৰ কিছু সকাহ হ'ব। ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA) ৰ সফল প্ৰয়োগে ভাৰতত যোগ্য যুৱশক্তিক যোগ্য কামত লগাব পৰা হ'ব। ৰাষ্ট্ৰীয় নিয়োগ সংস্থা(NRA)ৰ গঠনে দেশৰ কিছুমান অবাঞ্চিত খৰছ হ্ৰাস হ'ব আৰু সেই ধন জনতাৰ কল্যাণৰ অৰ্থে গ্ৰহণ কৰিব পৰা হ'ব। চৰকাৰৰ নিয়োগৰ ক্ষেত্ৰত এই সংস্কাৰ এক যুগান্তকাৰী পদক্ষেপ হিচাপে চিহ্নিত হ'ব আৰু ইয়াৰ সফল ৰূপায়ন হৈ কোটি কোটি নিবনুৱাৰ মুখত হাঁহি প্ৰদান কৰিব।

********

# নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ সম্পৰ্কে কিছু কথা




*প্ৰকাশঃ ২৭ আগষ্ট, ২০২০*

শিক্ষাই শক্তি। প্ৰতিজন ব্যক্তি তথা প্ৰতিখন দেশ আগুৱাই যোৱাত শিক্ষাই অপৰিসীম গুৰুত্ব বহন কৰে। শিক্ষা হৈছে জীৱনৰ চালিকা শক্তি। শিক্ষাই মানুহৰ জীৱনৰ দিক নিৰ্ণায়কৰ ভূমিকা পালন কৰে। প্ৰতিখন দেশে নিজ নিজ দেশৰ উন্নতিৰ বাবে এক নিৰ্দিষ্ট শিক্ষানীতি গ্ৰহণ কৰে। আমাৰ দেশ ভাৰতেও স্বাধীনতাৰ পাছৰে পৰাই "ৰাষ্ট্ৰীয় শিক্ষা নীতি" অভিধাৰে নিৰ্দিষ্ট কিছুমান শিক্ষানীতি গ্ৰহণ কৰি আহিছে। আৰু প্ৰয়োজনসাপেক্ষে সময়ে সময়ে ভাৰতৰ "ৰাষ্ট্ৰীয় শিক্ষা নীতি" সলনি হৈ আছে। ভাৰতৰ "ৰাষ্ট্ৰীয় শিক্ষা নীতি"য়ে সদায় এটা নিৰ্দিষ্ট জাতীয় পৰিচয় বৰ্তাই ৰাখিছে।

ভাৰতবৰ্ষৰ নতুন "ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০" ত যোৱা ২০২০ চনৰ ২৯ জুলাইত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী নেতৃত্বাধীন ভাৰতৰ কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনায়। ভাৰতৰ এই নতুন "ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০"য়ে পূৰ্বৰ "ৰাষ্ট্ৰীয় শিক্ষা নীতি,১৯৮৬"ৰ স্থান ল'ব। এই নতুন "ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০"য়ে ভাৰতৰ গ্ৰাম্য আৰু চহৰাঞ্চল উভয়তে প্ৰাথমিক স্তৰৰ পৰা উচ্চ স্তৰলৈকে শিক্ষাক লগতে বহুমুখী শিক্ষাকো এক নতুন দৃষ্টিভংগীৰে বহল প্ৰেক্ষাপটত সামৰি ল'ব। এই নতুন "ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০"ৰ লক্ষ্য হৈছে ২০৪০ চনলৈ ভাৰতৰ

বৰ্তমানৰ প্ৰচলিত শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন সাধন কৰি এক নতুন ৰূপ তথা গাঁথনি প্ৰদান কৰা।

**নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০ৰ পটভূমিঃ**

বৰ্তমানৰ নতুন "ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০" পূৰ্বৱৰ্তী "ৰাষ্ট্ৰীয় শিক্ষা নীতি,১৯৮৬"ৰ স্থানত স্থলাভিষিক্ত হৈছে। ২০১৪ চনৰ লোকসভা নিৰ্বাচনৰ প্ৰাকক্ষণত প্ৰকাশ পোৱা ভাৰতীয় জনতা পাৰ্টীৰ নিৰ্বাচনী মেনিফেষ্টোত এই কথা উল্লেখ আছিল যে দেশত শিক্ষাৰ মানদণ্ড আৰু ব্যৱস্থা উন্নত কৰিবলৈ নতুন শিক্ষা নীতিৰ প্ৰচলন কৰা হ'ব। সেই উদ্দেশ্যক বাস্তৱায়িত কৰিবলৈ ২০১৫ চনৰ জানুৱাৰীত প্ৰাক্তন কেবিনেট সচিব টি এছ আৰ সুব্ৰমনিয়ামৰ অধীনত এখন কমিটিয়ে নতুন শিক্ষা নীতিৰ বাবে পৰামৰ্শদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হয়।

তাৰপাছত ২০১৭ চনত এই কমিটিয়ে নিজৰ প্ৰতিবেদন দাখিল কৰে। এই কমিটিৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি ভাৰতীয় মহাকাশ গৱেষণা সংস্থা(ISRO)ৰ প্ৰাক্তন অধ্যক্ষ কৃষ্ণস্বামী কস্তুৰীৰংগনৰ নেতৃত্বত এখন খচৰা কমিটি গঠন কৰি দিয়া হয়। আৰু এই কমিটিয়ে খচৰা দাখিল কৰে ২০১৯ চনত। এই নতুন শিক্ষা নীতিৰ খচৰাখন দেশৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ে প্ৰকাশ কৰে। এই নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ খচৰাখন সৰ্বমুঠ ৪৮৪ পৃষ্ঠাযুক্ত আছিল। অৱশেষত প্ৰায় ২ লাখতকৈ অধিক জনসাধাৰণৰ পৰামৰ্শ গ্ৰহণ কৰি সকলো চালি-জাৰি চাই ২০২০ চনত নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি মুকলি কৰা হয়।

**ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০ৰ নীতি-নিয়মসমূহঃ**

নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০য়ে ভাৰতৰ শিক্ষা ব্যৱস্থাত বহুতো পৰিৱৰ্তন বলবৎ কৰিছে। নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০ ৰ মতে ভাৰতে প্ৰত্যেক বছৰে নিজৰ দেশৰ মুঠ জি ডি পি(GDP)ৰ ৪ ৰ পৰা ৬ শতাংশ শিক্ষাক্ষেত্ৰত খৰছ কৰিব। আৰু ভাৰতৰ ৰাজ্যসমূহেও এই হিচাপতে ব্যয় কৰিব।

**নতুন "ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০"ত ঘটা পৰিৱৰ্তন আৰু ইয়াৰ উদ্দেশ্যঃ**

**■ ভাষাৰ ক্ষেত্ৰতঃ**

ভাৰতৰ নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০য়ে মাতৃভাষা আৰু ৰাজ্যিক ভাষাসমূহক অধিক গুৰুত্ব প্ৰদান কৰিব। পঞ্চম শ্ৰেণীলৈকে সকলো শিক্ষাৰ্থীক নিজৰ ৰাজ্যৰ মাতৃভাষাতে পাঠদান কৰিব লাগিব। সংস্কৃত আৰু অন্যান্য বিদেশী ভাষাকো গুৰুত্ব প্ৰদান কৰা হ'ব। এই নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০য়ে কোনো শিক্ষাৰ্থীৰ ওপৰত কোনো ভাষা বলপূৰ্বকভাৱে প্ৰয়োগ নকৰে।

■ **বিদ্যালয়ৰ শিক্ষাঃ**

◆ ভাৰতৰ বিদ্যালয়সমূহৰ বৰ্তমানৰ গঠন “১০+২” ম’ডেলৰ সলনি “৫+৩+৩+৪” ম’ডেলত গঠন কৰা হ’ব। এই নতুন “৫+৩+৩+৪” ম’ডেল অনুসৰি এনেদৰে গঠন হ’ব-

১) **নিৰ্মাণৰ স্তৰ**- এই স্তৰটো বহুলভাৱে দুভাগত বিভক্ত কৰা হ’ব-প্ৰথমতে,তিনি বছৰৰ প্ৰাক-স্কুল বা অংগনবাদী আৰু দ্বিতীয়তে,প্ৰথম শ্ৰেণী আৰু দ্বিতীয় শ্ৰেণীক প্ৰাথমিক বিদ্যালয় বিদ্যালয়ত হ’ব। এই স্তৰে ৩ৰ পৰা ৮ বছৰীয়া শিশুক সামৰি ল’ব। ইয়াৰ জৰিয়তে মূলতঃ কাৰ্যকলাপৰ জৰিয়তে অধ্যয়নক গুৰুত্ব আৰোপ কৰা হ’ব।

২) **প্ৰাথমিক স্তৰ**- এই স্তৰত তৃতীয় শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ সন্নিৱিষ্ট হ’ব আৰু এই স্তৰে ৮ ৰ পৰা ১১ বছৰৰ শিক্ষাৰ্থীক সামৰি ল’ব। নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০ ৰ মতে এই স্তৰতে ক্ৰমান্বয়ে লাহে লাহে কোৱা,পঢ়া,লিখা,শাৰীৰিক শিক্ষা,ভাষা,কলা,বিজ্ঞান আৰু গণিত আদি বিষয় সন্নিৱিষ্ট কৰিব।

৩) **মধ্যম স্তৰ**- এই স্তৰত ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ সন্নিৱিষ্ট হ’ব আৰু লগতে ইয়াত ১১ ৰ পৰা ১৩ বছৰৰ শিক্ষাৰ্থী সকলক সামৰি ল’ব। এইটো স্তৰত সমাজ বিজ্ঞান,কলা,বিজ্ঞান,গণিত আৰু ইংৰাজী বিষয় বহল প্ৰেক্ষাপটত আলোচনা কৰা হ’ব।

৪) **মাধ্যমিক স্তৰ**- এই স্তৰত নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ সন্নিৱিষ্ট হ’ব আৰু ই ১৪ ৰ পৰা ১৮ বছৰৰ শিক্ষাৰ্থীসকলক সামৰি ল’ব। আৰু এই মাধ্যমিক স্তৰটো দুটা পৰ্য্যায়ৰ হ’ব। প্ৰথম পৰ্য্যায়ত- নৱম আৰু দশম শ্ৰেণীৰ আৰু দ্বিতীয় পৰ্য্যায়ত- একাদশ আৰু দ্বাদশ শ্ৰেণী। শিক্ষাৰ এই চাৰিবছৰতে শিক্ষাৰ্থীক বহুমুখী পাঠ্যক্ৰমৰ জ্ঞান দিয়া হ’ব আৰু লগতে গভীৰ আৰু জটিল চিন্তা-ধাৰাৰ প্ৰতি আকৃষ্ট কৰা হ’ব। শিক্ষাৰ এইটো স্তৰত বহু বিষয় গ্ৰহণৰ বিকল্প দিয়া হ’ব।

◆ বিদ্যালয় পৰ্য্যায়ত শিক্ষাৰ্থীসকলে অষ্টম শ্ৰেণীলৈকে কেৱল মাত্ৰ তিনিটা পৰীক্ষাত অৱতীৰ্ণ হ’ব লাগিব আৰু সেইকেইটা হৈছে – তৃতীয়, পঞ্চম আৰু অষ্টম শ্ৰেণীত।

◆ দশম আৰু দ্বাদশ শ্ৰেণীৰ বাবে বৰ্ডৰ পৰীক্ষা অনুষ্ঠিত কৰা হ’ব যদিও তাক বেলেগ ধৰণে অনুষ্ঠিত কৰা হ’ব। পৰশ(PARAKH) নামৰ এখন মূল্যায়ন বৰ্ডৰ জৰিয়তে এই পৰীক্ষাৰ মান নিৰ্ণয় কৰা হ’ব। পৰীক্ষা পদ্ধতি সহজ কৰিবলৈ এবছৰত দুটাকৈ পৰীক্ষা অনুষ্ঠিত কৰা হ’ব অৰ্থাৎ চেমিষ্টাৰ পদ্ধতিত মূল্যায়ন কৰা হ’ব। এই পৰীক্ষাৰ দুটা ভাগ থাকিব – বিকল্পধৰ্মী আৰু বৰ্ণনাধৰ্মী।

◆ নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০ৰ মতে ছাত্ৰ-ছাত্ৰীৰ পৰা পাঠ্যক্ৰমৰ অযথা বোজা হ্ৰাস কৰা হ'ব। আৰু এই শিক্ষানীতিত এটা বিভাগৰ শিক্ষাৰ্থীয়ে আন এটা বিভাগৰ বিষয়ো অধ্যয়ন কৰিব পাৰিব আৰু ইচ্ছা অনুযায়ী যিকোনো ভাষা অধ্যয়নৰ সুবিধা লাভ কৰিব। নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০ ত দক্ষতাত অধিক গুৰুত্ব প্ৰদান কৰা হ'ব।

◆ এই শিক্ষা নীতিত ষষ্ঠ শ্ৰেণীৰ পৰাই কম্পিউটাৰৰ কডিং শিক্ষণৰ আৰম্ভণি কৰিব আৰু অভিজ্ঞতাসম্পন্ন শিক্ষণৰ কাৰ্য্যসূচী গ্ৰহণ কৰা হ'ব।

◆ শিক্ষাৰ্থীৰ বাবে থকা মধ্যাহ্ন ভোজন আঁচনিৰ প্ৰসাৰ ঘটোৱা হ'ব আৰু নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০ৰ মতে প্ৰাতঃভোজনো আগবঢ়োৱা হ'ব। মুখ্যতঃ শিক্ষাৰ্থীৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যত গুৰুত্ব প্ৰদান কৰা হ'ব।

এনেদৰেই নতুন "ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০" য়ে ভাৰতৰ শিক্ষাক্ষেত্ৰত এক আলোড়নৰ সৃষ্টি কৰিব আৰু ই হ'ব বিশ্ব নেতৃত্বৰ ক্ষেত্ৰত ভাৰতৰ এক সবল খোজ। এই "ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০"য়ে ভাৰতৰ শিক্ষা ব্যৱস্থাৰ পৰিসৰ বহল কৰিব আৰু শিক্ষাৰ গুণগত মানদণ্ড উন্নত কৰিব। "ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০"য়ে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধন কৰিব আৰু ই এক অতি সাহসী পদক্ষেপ।

**********

# কৃষক আন্দোলন – ২০২০




*প্ৰকাশঃ ১৫ ডিচেম্বৰ, ২০২০*

(কৃষক আন্দোলন ভাৰতীয় কৃষক সমাজৰ বাবে কোনো নতুন কথা নহয়। তাহানিৰ পথৰুঘাটৰ আন্দোলন অসমীয়া মানুহৰ বাবে ইয়াৰ এক উৎকৃষ্ট উদাহৰণ। সমগ্ৰ ভাৰতবৰ্ষতে আৰম্ভ হোৱা ২০২০ বৰ্ষৰ কৃষকৰ আন্দোলনৰ ওপৰতে আমাৰ এক বিশেষ আলোচনা)

*মাটি আৰু খেতিয়কৰ*
*সম্বন্ধ আছে যুগ-যুগৰ*
*কৃষক মাটিৰ মিলনত*
*দিয়ে অন্তৰায়,*
*দিয়ে অন্তৰায়*
*-(ভূপেন হাজৰিকাৰ 'অ' মোৰ ধৰিত্ৰী আই' শীৰ্ষক গীত)*

ৰাষ্ট্ৰ ব্যৱস্থাৰ উৎপত্তিৰ পাছৰে পৰাই বিভিন্ন ৰাষ্ট্ৰত বিভিন্ন সময়ত কৃষক সমাজ আৰু শাসক সকলৰ মাজত সংঘাত সৃষ্টি হৈ আহিছে। এনে সংঘাতে আনকি বহু সময়ত ৰাষ্ট্ৰৰ চৰিত্ৰকেই সলনি কৰি পেলাইছে। অসম তথা ভাৰতৰ ইতিহাসটো এনে বহুতো কৃষক বিদ্ৰোহৰ উদাহৰণ আছে। বিশেষকৈ ঔপনিবেশিক বৃটিছৰ আগমণৰ পাছৰ পৰা ভাৰতত এনে কৃষক বিদ্ৰোহ সংঘটিত হ'বলৈ আৰম্ভ কৰিছিল। বংগৰ নীল খেতিয়ক সকলৰ 'নীল বিপ্লৱে'

সেইসময়ৰ ইংৰাজ শাসকসকলৰ টোপনি হৰিছিল। অসমতো ফুলগুৰিৰ কৃষক বিদ্ৰোহ আৰু পথৰুঘাটৰ কৃষক বিদ্ৰোহে ইংৰাজৰ দিনত এক বিশেষ মাত্ৰা লাভ কৰিছিল। বৰ্তমান একবিংশ শতিকাৰ দ্বিতীয় দশকতো ভাৰতীয় শাসকসকলে এক ভংয়কৰ কৃষক বিদ্ৰোহৰ সন্মুখীন হৈছে। এই বিদ্ৰোহৰ কাৰণ বিশ্লেষণ কৰিবলৈ আমি এটা উদাহৰণৰ সহায় ল'ব পাৰো।

অসমত বৰ্তমান সময়ত খুব জনপ্ৰিয় হোৱা এটা ধাৰণা হৈছে-বিভিন্ন কোম্পানীৰ সৈতে চুক্তিবদ্ধ হৈ ব্ৰয়লাৰ পালন কৰা পদ্ধতিটো। এই কাৰ্যই বহুতো নিবনুৱাৰ সংস্থাপনৰ বাট মুকলি কৰিছে। এনে পদ্ধতিৰে ব্ৰয়লাৰ পালন কৰিলে পালনকৰ্তাজনৰ বিশেষ মূলধনৰ প্ৰয়োজন নহয় লগতে তেওঁৰ বাবে অপ্ৰয়োজনীয় হৈ পৰে লাভ-লোকচানৰ মূৰঘমোৱা অংকবোৰো। কিন্তু পালনকৰ্তাজন তেওঁৰ অজানিতে হৈ পৰে ফাৰ্মখনৰ মাথো এজন শ্ৰমিকহে। কিন্তু অসমৰ কৃষকসকলে হয়তো কল্পনাও কৰিব পৰা নাই যে,বৰ্তমান নৰেন্দ্ৰ মোডী নেতৃত্বাধীন বিজেপি চৰকাৰখনে বৃহৎ পুঁজিপতি গোষ্ঠীসমূহৰ সৈতে লগ হৈ এনে এখন ফান্দ পাতিছে য'ত ভৰি দি তেওঁলোকৰ একমাত্ৰ আশা-ভৰশাৰ থল মাটিডৰাও কোনোবা বৃহৎ পুঁজিপতি গোষ্ঠীৰ হাতত গতাই দিব লগা হ'ব আৰু তেওঁ হৈ পৰিব সেই মাটিডৰাৰ এজন নামমাত্ৰ শ্ৰমিক!

কিন্তু আশাৰ বিষয় এই যে, অসমৰ কৃষকে বুজি নোপোৱা এই বিষয়টো বুজি পাবলৈ সক্ষম হৈছে পাঞ্জাৱ, হাৰিয়ানা আৰু উত্তৰ প্ৰদেশকে ধৰি কেইবাখনো ৰাজ্যৰ কৃষকসকলে। সেয়ে তেওঁলোকে কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ প্ৰনয়ণ কৰা এই তিনিখন কৃষি বিলৰ তীব্ৰ বিৰোধিতা কৰিছে। আৰু ঘোষণা কৰিছে যে, এই তিনিখন বিল বাতিল নকৰা পৰ্যন্ত তেওঁলোকে আন্দোলন প্ৰত্যাহাৰ নকৰে। এই তিনিখন বিল হৈছে-

১) কৃষকৰ উৎপাদন সামগ্ৰীৰ ব্যৱসায় আৰু বাণিজ্য (সংবৰ্ধন আৰু সুবিধা) বিধেয়ক, ২০২০

২) কৃষকৰ (কতৃৰ্ত্বৱান আৰু সুৰক্ষা) মূল্য নিশ্চিতকৰণ চুক্তি আৰু কৃষি সেৱা বিধেয়ক, ২০২০

৩) অত্যাৱশ্যকীয় সামগ্ৰী (সংশোধন) বিধেয়ক, ২০২০

কি আছে এই কৃষি বিল তিনিখনত-

সকলোৰে মনত উদয় হোৱা এটা সাধাৰণ প্ৰশ্ন হ'ব পাৰে-কি আছে এই বিল তিনিখনত? প্ৰথমখন বিল **'কৃষকৰ উৎপাদন সামগ্ৰীৰ ব্যৱসায় আৰু বাণিজ্য (সংবৰ্ধন আৰু সুবিধা) বিধেয়ক, ২০২০'** য়ে কৃষিজাত সামগ্ৰীৰ ক্ৰয়-বিক্ৰয় প্ৰক্ৰিয়ালৈ এক ব্যাপক পৰিৱৰ্তন কঢ়িয়াই আনিছে। যদিও অসমৰ দৰে ৰাজ্যত কৃষিজাত পণ্যৰ বজাৰ সমিতি(ইংৰাজীত চমুকৈ এ পি এম চি)ৰ ধাৰণাটো প্ৰায়ে অপৰিচিত। কিন্তু কৃষক বিদ্ৰোহে উকমুকণি দি থকা পাঞ্জাৱ,হাৰিয়ানাৰ দৰে ৰাজ্যত কৃষিজাত পণ্যৰ ক্ৰয়-বিক্ৰয় এই এ পি এম চিৰ জৰিয়তেই

হয়। এই সমিতিবোৰ সম্পূৰ্ণৰূপে চৰকাৰীভাৱে পৰিচালিত। এই বজাৰসমূহৰ পৰা ৰাজ্য চৰকাৰ সমূহে কৃষিজাত পণ্যৰ কিনা-বেচাৰ ওপৰত এক বিশেষ হাৰত কৰ সংগ্ৰহ কৰে যদিও ইয়াৰ বিনিময়ত কৃষক সকলক তেওঁলোকৰ দ্বাৰা উৎপাদিত কৃষি পণ্যৰ এক নুন্যতম সমৰ্থন মূল্যও প্ৰদান কৰে। এই নতুন আইনখনে কৃষকসকলক এই এ পি এম চি বজাৰৰ বাহিৰতো কৃষি সামগ্ৰীৰ বিক্ৰীৰ বাবে অনুমতি প্ৰদান কৰিছে আৰু এই বিক্ৰী সম্পূৰ্ণৰূপে কৰমুক্ত হ'ব বুলি ঘোষণা কৰিছে।

দ্বিতীয় খন বিল, **কৃষকৰ (কতৃৰ্ত্বৱান আৰু সুৰক্ষা) মূল্য নিশ্চিতকৰণ চুক্তি আৰু কৃষি সেৱা বিধেয়ক, ২০২০** য়ে চুক্তিবদ্ধ কৃষিকৰ্ম আৰু কৃষিজাত পণ্যৰ প্ৰত্যক্ষ বিক্ৰীৰ সুবিধা আগবঢ়াইছে। ই কৃষিক্ষেত্ৰত বৃহৎ পুঁজিপতিৰ বিনিয়োগৰ বাট মুকলি কৰিছে। এই আইনত কৃষিজাত পণ্যৰ ক্ৰয়-বিক্ৰয়ৰ বাবে ব্যৱসায়িক চুক্তিৰ কথা উল্লেখ কৰিছে। এই প্ৰক্ৰিয়াত যাতে কৃষকসকল কৃষি-বাণিজ্যৰ লগত জড়িত ব্যৱসায়ীৰ পৰা সুৰক্ষিত হয় তাৰ ব্যৱস্থা কৰাৰ কথাও কৈছে। মূল্য নিৰ্ধাৰণৰ ক্ষেত্ৰতো যাতে কৃষকসকল সুৰক্ষিত হয় তাৰো ব্যৱস্থা কৰাৰ কথা কৈছে। (পৰিতাপৰ বিষয় যে এই নতুন আইনখনে কৃষকক নুন্যতম সমৰ্থন মূল্য প্ৰদান কৰিব নে নকৰে তাৰ কোনো স্পষ্ট উল্লেখ নাই।) এই আইনখনৰ এটা উল্লেখযোগ্য দিশ হৈছে- কৃষি ব্যৱসায়ী গোষ্ঠী আৰু কৃষকৰ মাজত হ'ব পৰা বিবাদ নিষ্পত্তিৰ বাবে এটা তিনিতৰপীয়া বিবাদ নিষ্পত্তি প্ৰণালীৰো ব্যৱস্থা কৰিছে।

তৃতীয় খন বিল, **অত্যাৱশ্যকীয় সামগ্ৰী (সংশোধন) বিধেয়ক ২০২০** ৰ জৰিয়তে আলু, পিয়াঁজ, দাইল, খোৱা তেল আদি সামগ্ৰীসমূহক অত্যাৱশ্যকীয় সামগ্ৰীৰ তালিকাৰ পৰা কৰ্তন কৰিছে। আৰু এইসমূহ পণ্যৰ উৎপাদন, মজুতকৰণ, বিতৰণ আৰু বিক্ৰীৰ ক্ষেত্ৰত থকা সকলো চৰকাৰী নিয়ন্ত্ৰণ পৰিহাৰ কৰিছে। কিন্তু আইনখনত এই কথা উল্লেখ আছে যে, এইবোৰ খাদ্যসামগ্ৰী অস্বাভাৱিক পৰিস্থিতি যেনে– যুদ্ধ, দুৰ্ভিক্ষ, অস্বাভাৱিক মূল্যবৃদ্ধি আৰু ভয়ানক ৰূপৰ প্ৰাকৃতিক দুৰ্যোগৰ সময়ত কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনা জাৰি কৰি নিয়ন্ত্ৰণ কৰিব পাৰিব।

কৃষক সকল অসন্তুষ্ট কিয় ?

কৃষকসকলৰ অসন্তষ্টি ক'ত? প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়েই হওক বা কেন্দ্ৰীয় কৃষি মন্ত্ৰী গৰাকীয়ে হওঁক, কৃষক সকলক বাৰে বাৰে আশ্বস্ত কৰিবলৈ চেষ্টা কৰি আছে যে-এই আইনে তেওঁলোকৰ কোনো ক্ষতি নকৰে,বৰঞ্চ এইখন আইনে তেওঁলোকৰ উপকাৰহে সাধিব। সাধাৰণ দৃষ্টিৰে চালে আপোনাৰো এই আইনকেইখনে উপকাৰ সাধিব যেনেই অনুমান হ'ব। কিন্তু

পাঞ্জাব, হাৰিয়ানাৰ দৰে কৃষিক্ষেত্ৰত আগবঢ়া ৰাজ্যকেইখনৰ কৃষকসকলে আশংকা কৰিছে যে, এই আইনকেইখনে বৰ্তমান প্ৰচলিত কৃষি পণ্য বজাৰ সমিতিবোৰ(এ পি এম চি) ধ্বংস কৰি পেলাব। (য'ত তেওঁলোকে উৎপাদিত শষ্য বিশেষকৈ ধান আৰু ঘেঁহুৰ বাবে এক নুন্যতম সমৰ্থন মূল্য লাভ কৰি আহিছে। যি তেওঁলোকৰ টনকিয়াল অৰ্থনীতিৰ মুখ্য কাৰণ। )

এই কৃষি আইন কেইখনত পোনপটীয়াকৈ এ পি এম চি বোৰ ভংগ কৰাৰ কথা কোৱা নাই যদিও এ পি এম চি বোৰৰ বাহিৰৰ বজাৰবোৰ কৰমুক্ত হোৱাৰ বাবে ব্যৱসায়ীসকলে মুক্ত বজাৰৰ পৰা কৃষি পণ্যবোৰ ক্ৰয় কৰাত অধিক গুৰুত্ব দিব। য'ত আনকি কৃষকসকলক নুন্যতম সমৰ্থন মূল্য প্ৰদানৰো কোনো বাধ্যবাধকতা নাথাকিব। এই প্ৰক্ৰিয়াটো কেইবছৰ মান চলাৰ পাছত স্বাভাৱিকতে এ পি এম চি বোৰ মৃত্যু মুখত পৰিব আৰু কৃষকসকলৰ আশাৰ থল স্বৰূপ নুন্যতম সমৰ্থন মূল্যৰ ধাৰণাটোও চিৰদিনৰ বাবে নোহোৱা হৈ পৰিব। আৰু এনেদৰেই এদিন বৃহৎ পুঁজিপতি সকলৰ হাতোৰাত পৰি কৃষকসকলে আৰ্থিক স্বাৱলম্বিতা হেৰুৱাব আৰু হৈ পৰিব একো একোজন নামমাত্ৰ কৃষি-শ্ৰমিক।

### কৃষকসকলৰ দাবী কি?

যদিও কৃষকসকলে দাবী তুলিছে উপৰোক্ত তিনিওখন বিলেই বাতিল হ'ব লাগিব কিন্তু তেওঁলোকৰ দাবী মুখ্যত নুন্যতম সমৰ্থন মূল্য বা এম এচ পিক লৈহে। ২০১৫ চনৰ শান্তা কুমাৰ প্ৰতিবেদন অনুসৰি আমাৰ দেশৰ কেৱল ৬% কৃষকেহে চৰকাৰী এম এচ পিৰ সুবিধা লাভ কৰি আহিছে। আৰু বিগত পাঁচ বছৰৰ আধাতকৈ বেছি চৰকাৰী ক্ৰয় কেৱল পাঞ্জাব আৰু হাৰিয়ানাৰ পৰাই হৈছে। এতিয়া কৃষকসকলে দাবী তুলিছে যে, এই সুবিধা গোটেই দেশৰে কৃষকসকলে লাভ কৰিব লাগে। কেইটামান কৃষক সংগঠনে আনকি এম এচ পিক কৃষকৰ আইনগত অধিকাৰলৈ পৰিণত কৰিব লাগে বুলিও দাবী তুলিছে। উল্লেখ্য যে, কৃষক আন্দোলনৰ তীব্ৰতা দেখি কেন্দ্ৰীয় চৰকাৰে পূৰ্বৰ দৰেই এম এচ পি বাহাল ৰাখিব বুলি লিখিত প্ৰতিশ্ৰুতি দিয়াৰ প্ৰস্তাৱ দিছে। ইয়াৰ প্ৰত্যুত্তৰত তেওঁলোকে কৈছে যে, তিনিওখন বিল বাতিল নোহোৱা পৰ্যন্ত তেওঁলোক ঘৰলৈ ঘূৰি নাযায়। কিয়নো এই বিল তিনিখনৰ গুপ্ত অভিসন্ধি হৈছে দেশৰ কৃষি ব্যৱস্থাক কৃষকৰ হাতৰ পৰা কাঢ়ি নি পুঁজিপতিৰ হাতত তুলি দিয়া।

### কৃষক বিদ্ৰোহৰ অন্ত কেতিয়া?

সময়ৰ গতিত এই বিদ্ৰোহো যে এদিন নিস্তেজ হ'ব বা দমন কৰোৱা হ'ব সেয়া নিশ্চিত। কিন্তু কৃষকসকলৰ অন্তৰৰ বেথা বুজি যদি ইয়াৰ এটা গ্ৰহণযোগ্য সমাধান উলিয়াব নোৱাৰে তেনেহলে ই এদিন বৰ্তমানতকৈ ভয়ংকৰ ৰূপত উদ্ভাসিত হ'ব নাইবা এক ছদ্মবেশী

আৰ্থ-সামাজিক ব্যাধিৰ ৰূপ ল'ব। কৃষকসকলে শ্ৰমৰ মূল্য আৰু বিনিয়োগকৃত ধনৰ নুন্যতম প্ৰতিফল লাভ কৰাতো কেৱল কৃষকসকলৰে নহয় দেশৰ অৰ্থনীতিৰো প্ৰাপ্য।

কৃষি অৰ্থনীতিৰ উদাৰীকৰণে এই ক্ষেত্ৰখনত প্ৰতিযোগিতা, বিনিয়োগ, নতুন প্ৰযুক্তিৰ সামাহাৰ ঘটোৱাৰ লগতে নতুন বজাৰ আৰু সম্ভাৱনাৰ দিশ নিশ্চয়কৈ মুকলি কৰিব। কিন্তু আমাৰ সন্মুখত দেখা দিয়া লাখটকীয়া প্ৰশ্নটো হ'ল আমাৰ দেশৰ ক্ষুদ্ৰ আৰু মজলীয়া পুঁজিৰ গৰাকী কৃষকসকলে এই খেলখনত কিমান সময় টিকি থাকিব পাৰিব?

এই প্ৰশ্নবোৰৰ উত্তৰ ৰজাঘৰীয়াই সঠিক সময়ত সময়ত সঠিক ভাৱে সন্ধান কৰিব বুলি আশা ৰাখিলো।

********

# প্ৰমোদ বড়োৰ উত্থান আৰু বড়ো ৰাজনীতিৰ ভৱিষ্যত




*প্ৰকাশঃ ২৪ ডিচেম্বৰ, ২০২০*

এক ব্যতিক্ৰমী ৰূপেৰে ২০২০ বৰ্ষৰ বি টি চি নিৰ্বাচন অনুষ্ঠিত হৈ গ'ল। বড়ো ৰাইজে এইবাৰৰ নিৰ্বাচনত নাচ-গানো কৰিলে আৰু ভয়-শংকা মুক্ত হৈ ভোটদান কৰি গণতন্ত্ৰৰ জয়গানো গালে। ৰক্তপাতহীন এই নিৰ্বাচনৰ ফলস্বৰূপে বড়ো নেতা হাগ্ৰামা মহিলাৰী ক্ষমতাচ্যুত হ'ল আৰু বি টি আৰৰ ৰাইজে পালে এজন নতুন সাংবিধানিক মুৰব্বী প্ৰমোদ বড়োক। ইয়াৰ লগতে ৰাইজে দেখিলে আৰু এটা নতুনত্ব-আগতে কোনো ৰাষ্ট্ৰীয় দলে পাত্তা নিদিয়া বি টি চিৰ নিৰ্বাচনত এইবাৰ দেশৰ সৰ্ববৃহৎ ৰাজনৈতিক দল ভাৰতীয় জনতা পাৰ্টিয়ে চিলনীয়ে থপিওৱাৰ দৰে দহখন আখন নিজৰ দখললৈ লৈ গ'ল।

**বড়ো ৰাজনীতিৰ ইতিহাস কি?**

একবিংশ শতিকাৰ অসমৰ সৰ্ববৃহৎ জনজাতীয় লোকগোষ্ঠীটোৱেই হৈছে বড়ো। পিছে বড়োসকল কেৱল সৰ্ববৃহৎ লোকগোষ্ঠীয়েই নহয়,তেওঁলোকক ব্ৰহ্মপুত্ৰ উপত্যকাৰ এক প্ৰাচীনতম লোকগোষ্ঠীও। আহোমসকলৰ অসম আগমণৰ আগলৈকে যদি অসমৰ ৰাজনৈতিক, সাংস্কৃতিক আৰু আৰ্থ-সামাজিক ইতিহাস লিখা হয় তেনেহ'লে এই ইতিহাসৰ ৯০ শতাংশই হ'ব বড়োসকলৰ ইতিহাস। পিছে আমি যি বড়ো ৰাজনীতিৰ ইতিহাসৰ কথা ক'বলৈ ওলাইছো সেই বড়ো ৰাজনীতি বৃটিছৰ শাসন কালৰ পৰাহে আৰম্ভ হৈছে।

**বৃটিছৰ যুগৰ বড়ো ৰাজনীতি**

সময়ৰ পাক লগা গতিত আত্মবিস্মৃত হৈ পৰা বড়োসকলৰ মাজলৈ পোনপ্ৰথম বাৰৰ বাবে আত্মচেতনাৰ কিৰণ প্ৰবাহিত কৰিছিল ব্ৰহ্ম ধৰ্মৰ প্ৰচাৰক গুৰুদেৱ কালীচৰণ ব্ৰহ্মাই। সময় আছিল কুৰি শতিকাৰ দ্বিতীয় দশক। কালীচৰণ ব্ৰহ্মৰ দ্বাৰা প্ৰচাৰিত ব্ৰহ্ম ধৰ্ম মূলত এক ধৰ্মীয় আন্দোলন আছিল যদিও ই সেইসময়ৰ অনগ্ৰসৰ বড়ো সমাজখনত সংস্কাৰ আৰু নবজাগৰণৰ পথো প্ৰশস্ত কৰিছিল। কালীচৰণ ব্ৰহ্মৰ মুখ্য পৃষ্ঠপোষকতাত আৰু বড়ো ছাত্ৰ সন্মিলনীৰ উদ্যোগত ১৯২৪ চনৰ পৰা প্ৰকাশ পোৱা 'বিবাৰ' নামৰ আলোচনীখনত ব্ৰহ্ম ধৰ্মৰ তত্ত্ব কথা প্ৰকাশ পোৱাৰ লগতে বড়োসকলৰ গৌৰৱোজ্জ্বল ইতিহাস, তেওঁলোকৰ স্বাধিকাৰ আৰু আৰ্থ-সামাজিক ন্যাৰ্য প্ৰাপ্তিৰ কথা বিশেষভাৱে প্ৰকাশ পাইছিল।

ব্ৰহ্ম আন্দোলনৰ পাছত ৰাজনৈতিকভাৱে শোষিত হৈ থকা বড়োকে আদি কৰি ভৈয়ামৰ পাছপৰা জনজাতিসমূহক প্ৰতিনিধিত্ব কৰিবলৈ ১৯৩৩ চনত গঠন কৰা হৈছিল 'ট্ৰাইবেল লীগ' নামৰ ৰাজনৈতিক দলটো। (প্ৰথম অৱস্থাত ইয়াৰ নাম আছিল Assam backward plains league)। এই ৰাজনৈতিক শক্তিটোৰ প্ৰধান নেতা আছিল যাদব চন্দ্ৰ খাখলাৰী আৰু ভীমবৰ দেউৰী। ১৯৩৫ চনত ভাৰত শাসন আইন অনুসৰি ট্ৰাইবেল লীগে ভয়ামৰ জনজাতি সকলৰ বাবে অসম বিধান সভাত ৪খন আসনত সংৰক্ষণ লাভ কৰিছিল আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ মিত্ৰ দল হিচাপে ১৯৩৮ চনত চৰকাৰো গঠন কৰিছিল। বৃটিছ যুগত ভৈয়ামৰ জনজাতি সকলক পূব বংগৰ মুছলমান প্ৰবজনকাৰীসকলৰ আগ্ৰাসনৰ পৰা ৰক্ষা কৰিবলৈ প্ৰবৰ্তন কৰা লাইন প্ৰথাৰ দাবীদাৰো আছিল এই ট্ৰাইবেল লীগেই।

**স্বাধীনোত্তৰ বড়ো ৰাজনীতি**

স্বাধীনতাৰ পাছত ট্ৰাইবেল লীগৰ নেতাসকলে কংগ্ৰেছ দলত যোগদান কৰিবলৈ আৰম্ভ কৰিছিল আৰু বিধানসভা-লোকসভাতো নিজৰ অধিপত্য বিস্তাৰ কৰিছিল। সেইসময়ছোৱাত তেওঁলোকৰ মানসিকতা পৃথকতাবাদী হোৱাৰ বিপৰীতে এখন বৃহত্তৰ অসম গঢ়াৰ মানসিকতাহে পোষণ কৰিছিল। কিন্তু অসমত অসমীয়া ভাষাক ৰাজ্যভাষা কৰিবলৈ কৰা দীৰ্ঘদিনীয়া আন্দোলনে তেওঁলোকৰ মানসিকতালৈ লাহে লাহে পৰিৱৰ্তন কৰিবলৈ ল'লে।

বড়ো ৰাজনৈতিক ইতিহাসৰ আৰু এটা উল্লেখযোগ্য ঘটনা হ'ল ১৯৫২ চনৰ,১৬ নৱেম্বৰত কোকৰাঝাৰ জিলাৰ বাসুগাওঁত বড়ো সাহিত্য সভাৰ গঠন। ই বড়ো জাতীয়তাবাদৰ বিকাশত প্ৰভূত বৰঙণি যোগাইছিল। আৰু বড়ো জাতীয়তাবাদে লাহে লাহে অসমীয়া

জাতীয়তাবাদী ভাৱধাৰাৰ পৰা ফালৰি কাটিবলৈ আৰম্ভ কৰিছিল। তেওঁলোকে আনকি অসমৰ ৰাজ্যভাষা অসমীয়া হোৱাৰ বিপৰীতে হিন্দী হ'ব লাগে বুলিও মত পোষণ কৰিছিল।

বড়ো জাতীয়তাবাদৰ বিকাশ আৰু বড়ো ৰাজনীতিৰ এটা মাইলৰ খুঁটি আছিল **১৯৬৭** চনৰ,**১৫** ফেব্রুৱাৰীত নিখিল বড়ো ছাত্র সন্থা চমুকৈ এবছুৰ গঠন হোৱা ঘটনাটো। এবছুৰ এই মঞ্চখনৰ জড়িয়তেই আধুনিক শিক্ষা আৰু ধ্যান-ধাৰণাৰে পুষ্ট বড়ো যুৱক আৰু ছাত্র সকলে তেওঁলোকৰ আত্ম পৰিচয়ৰ প্ৰতি অধিক সচেতন হৈ পৰাৰ লগতে জাতীয় আত্মপ্ৰতিষ্ঠাৰ বাবে এক নতুন সংগ্ৰামৰো পাতনি মেলে।

বড়ো ৰাজনৈতিক ইতিহাসৰ আন এটা উল্লেখযোগ্য ঘটনা হৈছে-**১৯৬৭** চনত প্লেইন ট্ৰাইবেল কাউন্সিল অৱ আছাম চমুকৈ পিটিচিএ ৰ গঠন। পিটিচিএ ৰ নেতা চৰণ নাৰ্জাৰীয়ে অসমৰ জনজাতিসকলৰ বাবে 'উদয়াচল' নামেৰে এখন কেন্দ্ৰীয় শাসিত অঞ্চল গঠনৰ বাবে দাবী তুলি এক ব্যাপক আন্দোলন গঢ়ি তুলিছিল। যদিও এই আন্দোলন সফল নহ'ল ই পৃথকতাবাদী বড়ো আন্দোলনক এক অনন্য মাত্ৰা প্ৰদান কৰিছিল।

**বিদেশী বহিষ্কাৰৰ বড়ো ৰাজনীতি**

ইয়াৰ পাছতেই অসমত **১৯৭৯** চনৰ পৰা **১৯৮৫** চনলৈ ৬ বছৰ যোৱা অবৈধ বিদেশী বহিষ্কাৰ আন্দোলনৰ সূত্ৰপাত হয়। এই আন্দোলনৰ আৰম্ভণি সময় ছোৱাত বড়ো জনগোষ্ঠীৰ লোকসকলেও খিলঞ্জীয়া অসমীয়াৰ সকলৰ সৈতে একে শাৰীতেই আন্দোলন কৰিছিল যদিও পাছৰ পৰ্যায়ত ই এক উগ্ৰ অসমীয়া জাতীয়তাবাদী ৰূপ লোৱাত বড়ো জনগোষ্ঠীৰ লোকসকলে পাছলৈ ইয়াৰ পৰা ফালৰি কাটি তেওঁলোকে নিজা পথ বাছি লয়। বড়ো নেতৃত্বতই অসম চুক্তি ৬নং দফাৰ 'অসমীয়া মানুহৰ' সংজ্ঞাটোৰ মাজত তেওঁলোকক বিচাৰি নোপোৱা যেন অনুভৱ কৰে। ইয়াৰ উপৰি অসম চুক্তি ১০ নং দফাত উল্লেখ থকা 'ট্ৰাইবেল বেল্ট আৰু ব্লক'ৰ পৰা বেদখলকাৰী উচ্ছেদ কৰাৰ দাবীটোৰ প্ৰতিও তেওঁলোক বিতুস্ত হৈ পৰে কিয়নো এনে অঞ্চলবোৰত বহু সংখ্যক বড়ো জনজাতিৰ লোকেও অবৈধ ভাবে বসবাস কৰি আছিল।

**১৯৮৫** চনত অসম চুক্তি স্বাক্ষৰিত হোৱাৰ পাছত উপেন্দ্ৰনাথ ব্ৰহ্মৰ নেতৃত্বত **১৯৮৭** চনৰ প্ৰথম ভাগৰে পৰাই 'ডিভাইড আচাম ফিফটি ফিফটি' শ্লোগানেৰে অধিক তীব্ৰ ৰূপত পৃথক বড়ো ৰাজ্যৰ গঠনৰ দাবী উত্থাপন হবলৈ ধৰে। এই সময়ছোৱাতে গঠন হোৱা আৰু এটা বড়ো ৰাজনৈতিক সংগঠন আছিল 'বড়ো পিপলছ একছন কমিটি'। এই সংগঠনটোৰ মূল দাবী আছিল এক পৃথক বড়ো ৰাজ্যৰ গঠন। এবছু আৰু বি পি এ চি দাবী সমূহক লৈ **১৯৯১** চনৰ

আৰম্ভণিৰে পৰা অসম চৰকাৰ,কেন্দ্ৰীয় চৰকাৰ আৰু বড়ো আন্দোলনকাৰী নেতৃত্বৰ মাজত কেইবালানিও ত্ৰিপাক্ষীক আলোচনা অনুষ্ঠিত হয়।

**বড়ো শান্তি চুক্তি**

অৱশেষত অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ উদ্যোগত এবছু আৰু বি পি এ চিৰ মাজত ১৯৯৩ চনৰ ২০ ফেব্ৰুৱাৰীত প্ৰথমখন বড়ো শান্তি চুক্তি স্বাক্ষৰিত হয়। এই চুক্তি মৰ্মে বড়ো স্বায়ত্বশাসিত পৰিষদ চমুকৈ বি এ চি গঠন কৰা হয়। এই চুক্তিয়ে বড়ো সৰ্বসাধাৰণ ৰাইজৰ মনলৈ উচাহ-উদ্দীপনাৰ ঢৌ কঢ়িয়াই অনাৰ লগতে কিছু দিনলৈ বড়োভূমিলৈ শান্তিৰ পৰিৱেশো ঘূৰাই আনে।

যদিও বড়ো জনসাধাৰণে বি এ চি চুক্তিখন অতি সাদৰেৰে গ্ৰহণ কৰিছিল ইয়াৰ বিপৰীতে কিন্তু বড়ো নেতৃবৰ্গ এই চুক্তিকলৈ বেছিদিন সন্তুষ্ট হৈ থাকিব নোৱাৰিলে। এই পৰিষদ গঠন হোৱাৰ মাত্ৰ তিনিমাহ পাছতেই ইয়াৰ মুখ্য কাৰ্যবাহী সদস্য ছানছুমা খুংগুৰ বিছমুতিয়াৰীয়ে পৰিষদলৈ পৰ্যাপ্ত পুঁজিৰ যোগান নিদিয়াৰ অভিযোগ তুলি পদত্যাগ কৰে। আৰু অৱশেষত ১৯৯৬ চনৰ ২২ এপ্ৰিলত বি এ চি চুক্তিৰ মুল উদ্যোক্তা হিতেশ্বৰ শইকীয়াৰ মৃত্যুৰ পাছত বড়ো নেতৃবৃন্দই এই 'বড়ো চুক্তি' প্ৰত্যাখ্যান হোৱা বুলি ঘোষণা কৰি পুনৰ পৃথক বড়োলেণ্ডৰ দাবীত জোৰদাৰ আন্দোলন গঢ়ি তোলে। 1997 চনত এবছুৰ নেতৃত্বত গঠিত হয় Bodoland statehood movement council (BSMC)। আৰু তীব্ৰ ৰূপত বড়োলেণ্ডৰ দাবীত আন্দোলন চলাই নিয়ে।

**বড়ো ৰাজনীতিৰ সশস্ত্ৰ ধাৰা**

ইমানদিনে অহিংস পন্থাৰে পৰিচালিত হৈ থকা বড়ো পৃথকতাবাদী সংগ্ৰামখনে ৯০ দশকৰ মাজভাগৰ পৰাই লাহে লাহে সশস্ত্ৰ পন্থালৈ গতি কৰিবলৈ আৰম্ভ কৰে। ১৯৯৬ চনৰ ১৮ জানুৱাৰীত আত্মপ্ৰকাশ কৰা বড়ো লিবাৰেচন টাইগাৰ্ছ চমুকৈ বি এল টিয়ে পৃথক বড়ো ৰাজ্যৰ দাবীত সশস্ত্ৰ সংগ্ৰামৰ পাতনি মেলে। ইয়াৰ সমান্তৰালভাৱে ১৯৮৬ চনৰে পৰা সশস্ত্ৰ সংগ্ৰামত বিশ্বাসী Bodo Security Force (BSF) এ1993 ত National Democratic Fronts of Bodoland ( NDFB) নামেৰে পুনঃগঠিত হৈ সৰ্বভৌম বড়োলেণ্ডৰ দাবীত সশস্ত্ৰ কাৰ্যপন্থা চলাবলৈ আৰম্ভ কৰে।

অৱশেষত ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় চৰকাৰ,অসম চৰকাৰ আৰু বি এল টিৰ মাজত ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসুচীৰ আধাৰত বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল চমুকৈ

বি টি চি চুক্তি স্বাক্ষৰিত হয়। এই চুক্তি এবছুকে আদি কৰি অন্যান্য বড়ো জনগোষ্ঠীয় সংগঠনে সাদৰেৰে গ্ৰহণ কৰে আৰু বড়োলেণ্ড আন্দোলনৰো অন্ত পৰা বুলি ঘোষণা কৰে।

২০০৩ চনৰ এই বড়ো শান্তি চুক্তিয়ে বড়োভূমিলৈ বিশেষ একো পৰিৱৰ্তন আনিব নোৱাৰিলেও তাত এজন বিশেষ প্ৰভাৱশালী নেতাৰ জন্ম দিলে- তেওঁ আছিল প্ৰাক্তন বি এল টি ৰ অধ্যক্ষ হাগ্ৰামা মহিলাৰী। তেওঁ ২০০৪ চনৰ ৬ ডিছেম্বৰৰ পৰা ২০২০ চনলৈ প্ৰায় ১৬ বছৰৰো অধিক কাল বি টি চি ৰ শাসনভাৰ চলায়। কিন্তু পৃথক ৰাজ্যৰ দাবীৰে হাতত অস্ত্ৰ তুলি লোৱা হাগ্ৰামাই পৰৱৰ্তী সময়ত বড়ো পৃথকতাবাদক সম্পূৰ্ণ ৰূপে পৰিহাৰ কৰি ভোটৰ ৰাজনীতিৰ পাকচক্ৰত অবড়ো ৰাইজৰ তোষণ আৰু পোষণ কৰা নীতি অৱলম্বন কৰিবলৈ ধৰে।

**শান্তি চুক্তি আৰু বি টি আৰ ৰ গঠন**

কোৱা বাহুল্য যে,এবছুয়ে বি টি চি চুক্তিৰ প্ৰতি আস্থা হেৰুৱাই আকৌ পৃথক বড়ো ৰাজ্যৰ দাবীত পুনৰ বড়ো ভূমিৰ আকাশ-বতাহ উত্তাল কৰি তোলে। আৰু ইয়াৰ সমান্তৰালভাৱে সাৰ্বভৌম বড়োলেণ্ডৰ দাবীত অস্ত্ৰ হাতত তুলি লোৱা এন ডি এফ বিয়েও তেওঁলোকৰ সশস্ত্ৰ সংগ্ৰাম অব্যাহত ৰাখে। অশান্ত বড়োভূমিত আকৌ নিতৌ সংঘটিত হবলৈ ধৰে ব্যাপক নৰসংহাৰ। সংঘটিত হয় ২০০৮ চনৰ ৩০ অক্টোবৰৰ ধাৰাবাহিক বোমা বিস্ফোৰণৰ দৰে অসমৰ ইতিহাসত কালিমাসনা অভিশপ্ত ঘটনাৱলীৰ।

এই সকলোবোৰ অশান্তিৰ ওৰ পেলাবলৈ আকৌ এখন শান্তি চুক্তিৰ প্ৰয়োজন হৈ পৰে আৰু অৱশেষত ২০২০ চনৰ ২৭ জানুৱাৰী তাৰিখে কেন্দ্ৰীয় চৰকাৰ,অসম চৰকাৰ আৰু বড়ো নেতৃবৰ্গ বিশেষকৈ এবছু আৰু এন ডি এফ বি ৰ চাৰিটা গোটৰ মাজত তৃতীয়খন বড়ো শান্তি চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিৰ ফলত বি টি এ ডিক বি টি আৰ (বড়ো টেৰিটৰিয়েল ৰিজিয়ন) নামেৰে নতুনকৈ নামাকৰণ কৰা হয়। এই শান্তি চুক্তিয়ে বড়ো ভূমিলৈ শান্তিৰ বাতাৱৰণ কঢ়িয়াই আনিব বুলি আশা কৰা হৈছে। কিয়নো এই কিয়নো চুক্তিখন স্বাক্ষৰিত হোৱাৰ তিনিদিন পিছতেই এনডিএফবিৰ ১,৬১৫ জন সংগ্ৰামীয়ে ৩০ জানুৱাৰী,২০২০ৰ দিনা বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰৰ সৈতে আত্মসমৰ্পণ কৰে।

**প্ৰমোদ বড়ো কোন?**

এটা বাক্যত যদি প্ৰমোদ বড়োৰ পৰিচয় দিবলৈ হয় সেয়া হ'ব- প্ৰমোদ বড়ো এগৰাকী বড়ো জাতীয়তাবাদী নেতা। ছাত্ৰ অৱস্থাৰ পৰাই ৰাজনীতিৰ লগত জড়িত প্ৰমোদ বড়োয়ে ২০০৯ চনত নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি ৰূপে নিৰ্বাচিত হয়। ক্ৰমাৎ স্তিমিত হৈ পৰা

পৃথক বড়োলেণ্ড আন্দোলন তেখেতৰ দিনতে পুনৰ সক্ৰিয় হৈ পৰে। আৰু বড়োভূমিত ই এক ব্যাপক জনজাগৰণৰ ৰূপ লয়। তেখেতে তেওঁৰ কাৰ্যকালত অসমৰ সমগ্ৰ বড়ো সমাজত শিক্ষাৰ সজাগতাৰ বাবে এক ব্যাপক প্ৰচাৰ অভিযান চলাইছিল। তেওঁ বিশেষকৈ মাতৃভাষা বড়ো মাধ্যমত শিক্ষা গ্ৰহণৰ ওপৰত গুৰুত্ব দিছিল।

প্ৰমোদ বড়োৰ জীৱনৰ বিশেষ কৃতিত্ব বুলিলে ক'ব লাগিব তৃতীয় বড়ো শান্তি চুক্তি সফলতাৰে সম্পন্ন কৰা ঘটনাটো। তেখেতে তেওঁৰ ৰাজনৈতিক জীৱনৰ অধিক সময় পাৰ কৰিছিল বড়োভূমিত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰাৰ চেষ্টাত। আৰু এই চেষ্টাত তেওঁ বহুলাংশে সফল হৈছে বুলিও ক'ব পাৰি। কিয়নো বি টি আৰ চুক্তি স্বাক্ষৰিত হোৱাৰ পাছতেই এন ডি এফ বিৰ কেওটা গোটেই অস্ত্ৰ সম্বৰণ কৰিছে। ইয়াৰ উপৰি তেখেতে বি টি আৰ চুক্তিৰ জড়িয়তে বি টি চি প্ৰশাসন আৰু চৰকাৰলৈ অধিক ক্ষমতা হস্তান্তৰ কৰাৰ প্ৰতিশ্ৰুতি আদায় কৰিছে।

তৃতীয় বড়ো শান্তি চুক্তি সফলতাৰে সম্পাদন কৰাৰ পাছত প্ৰমোদ বড়োৱে সংসদীয় ৰাজনীতিলৈ মন মেলে আৰু নিখিল বড়ো ছাত্ৰ সন্থাৰ পৰা অৱসৰ লৈ ২০২০ চনৰ ফেব্ৰুৱাৰী মাহত ইউনাইটেড পিপলছ পাৰ্টি লিবাৰেলত যোগদান কৰে। ২০২০ চনৰ ১৫ ডিছেম্বৰত ফলাফল ঘোষণা কৰা বি টি চি নিৰ্বাচনত ভাগ লৈ প্ৰমোদ বড়ো নেতৃত্বাধীন ইউ পি পি এল দলে মুঠ ১২ খন আসন লাভ কৰে আৰু ভাৰতীয় জনতা পাৰ্টি (১১ খন আসন) আৰু গণ সুৰক্ষা পাৰ্টি (১খন আসন)ৰ নিৰ্বাচিত সদস্যসকলৰ লগ হৈ বি টি চিত চৰকাৰ গঠন কৰে। তেওঁ ১৬ বছৰীয়া হাগ্ৰামা ৰাজৰ অন্ত পেলাই বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্যৰ পদত অধিস্থিত হবলৈ সক্ষম হৈছে।

**প্ৰমোদ বড়োয়ে বড়োসকলৰ ৰাজনৈতিক সপোন পূৰণ কৰিব পাৰিবনে?**

ৰাষ্ট্ৰীয়তাবাদী দল বিজেপি আৰু বড়োভূমিৰ অবড়োসকলৰ ৰক্ষকস্বৰূপ গণ সুৰক্ষা পাৰ্টিৰ লগত সন্মিলিত চৰকাৰ গঠন কৰাৰ পাছতেই সচেতন ৰাজনৈতিক মহলত প্ৰশ্ন উঠিছে- প্ৰমোদ বড়োয়ে সঁচাকৈয়ে বড়োসকলৰ ৰাজনৈতিক সপোন পূৰণ কৰিব পাৰিবনে? নে তেওঁ আৰু তেওঁৰ দল ক্ৰমাৎ বিজেপিৰ আগ্ৰাসী ৰাষ্ট্ৰীয়তাবাদৰ জুইত পুৰি ছগাৰ দৰে নিঃশেষ হৈ যাব। বড়োসকলৰ সপোন হ'ল নিজ জাতি আৰু ভাষাৰ উন্নতি সাধন কৰা, ভাৰতৰ আন ৰাজ্যতকৈ তুলনামূলকভাৱে অনগ্ৰসৰ বড়ো সমাজখনৰ আৰ্থ-সামাজিক উন্নতি সাধন কৰা আৰু যতদূৰ সম্ভৱ এখন পৃথক বড়ো ৰাজ্য নাইবা স্বাধীন ৰাষ্ট্ৰ গঠন কৰা। যদিও পৃথক বড়োলেণ্ড গঠন কৰা সপোনটোত প্ৰমোদ বড়োৱে ইতিমধ্যেই হাৰ মনা যেন অনুভৱ হৈছে। কিন্তু বি টি

আৰৱ সাংবিধানিক মুৰব্বী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি বড়ো ভাষা আৰু জাতিৰ উন্নতি সাধন কৰিবলৈ তেওঁ নিশ্চয়কৈ সুযোগ পাব। এই সুযোগৰ তেওঁ কেনেদৰে সদব্যৱহাৰ কৰে সেয়া আগন্তুক দিনত লক্ষণীয় বিষয় হব।

বিজেপি বি টি আৰ চৰকাৰৰ সহযোগী দল হোৱাৰ বাবে নিশ্চয়কৈ বি টি আৰলৈ আগতকৈ অধিক পুঁজিৰ আগমন হ'ব। আইন-শৃংখলা পৰিস্থিতিও পূৰ্বতকৈ অধিক কটকটীয়া আৰু শান্তিপূৰ্ণ হ'ব। যদিও ক্ষমতাৰ কুটিল ৰাজনীতি চলি থাকিব তথাপিও আশাকৰা হৈছে আগন্তুক দিনবোৰত বি টি আৰবাসীয়ে পূৰ্বতকৈ সুস্থ আৰু শান্তিপূৰ্ণ গণতান্ত্ৰিক পৰিৱেশ লাভ কৰিব। কিয়নো ইতিমধ্যে এন ডি এফ বিৰ আটাইকেইটা গোটেই অস্ত্ৰ সম্বৰণ কৰিছে আৰু দাম্ভিক,অহংকাৰী আৰু দূৰ্নীতিপৰায়ণ বুলি অভিযোগ থকা হাগ্ৰামা মহিলাৰীৰো পতন ঘটিছে। ইয়াৰ লগতে আশা কৰা হৈছে বড়োভূমিত এইবাৰ অবড়োসকলো বিশেষ নিৰাপত্তাহীনতাৰ সন্মুখীন নহ'ব। কিয়নো ইউ পি পি এল দলে লব পৰা যিকোনো অবড়ো বিৰোধী সিদ্ধান্তৰ বিৰোধিতা নিশ্চয়কৈ ৰাষ্ট্ৰীয়তাবাদী বিজেপি আৰু জি এছ পি য়ে কৰিব।

**মিত্ৰজোঁটৰ বড়ো ৰাজনীতি আৰু দূৰ্ভাৱনা**

বি টি চিৰ নতুন মিত্ৰজোঁটৰ চৰকাৰখনে যেনেকৈ বহুতো সম্ভাৱনাৰ দিশ মুকলি কৰিছে, ঠিক তেনেকৈ বহুতো দূৰ্ভাৱনাও বড়ো ৰাইজৰ মনলৈ কঢ়িয়াই ননাকৈ থকা নাই। বড়োভূমিত যদিও জাতি হিচাপে আন জাতিতকৈ বড়োসকলৰ সংখ্যাধিক্য আছে কিন্তু অঞ্চলটোৰ জনবিন্যাসে এনে এটা অৱস্থা পাইছেগৈ যে,বড়োসকলে বৰ্তমান কেৱল বড়ো ভোটেৰে চৰকাৰ গঠন কৰিব পৰা সামৰ্থ নাই। সেয়ে বড়ো জাতীয়তাবাদক মুখ্য উদ্দেশ্য কৰি আগবঢ়া প্ৰমোদ বড়োৰ দলটোৱে ৪০ খন আসনৰ ভিতৰত কেৱল ১২ খন আসনহে লাভ কৰিবলৈ সক্ষম হৈছে। সেয়ে তেওঁলোকৰ চৰকাৰৰ স্থায়িত্ব নিৰ্ভৰ বহু পৰিমাণে নিৰ্ভৰ কৰিছে অবড়ো ভোটাৰৰ জনপ্ৰিয় দল বি জেপিৰ দলগত সুস্থ মিত্ৰতাৰ ওপৰত।

এনে এটা অৱস্থাত সদ্য স্বাক্ষৰিত বি টি আৰ চুক্তিখন সঠিক ৰূপত ৰূপায়ন কৰাটো নিৰ্ভৰ কৰিব প্ৰমোদ বড়োৰ ৰাজনৈতিক আৰু কুটনৈতিক বিচক্ষণতাৰ ওপৰতহে। এই ক্ষেত্ৰত যদি তেওঁ বিফল হয় তেনেহ'লে বড়োভূমিত যে আকৌ এটা গণ আন্দোলন নাইবা সশস্ত্ৰ সংগ্ৰামৰ সূত্ৰপাত নহ'ব তাৰ নিশ্চয়তা আজিৰ তাৰিখত দিব নোৱাৰি। সৰ্বশেষত বড়োভূমিৰ ৰাজনীতিত দেখা দিয়া আটাইতকৈ ডাঙৰ দুৰ্ভাৱনাটো আহিছে বিজেপিয়ে অসমত তেওঁলোকৰ দুটাকৈ ৰাজনৈতিক মিত্ৰ দল অগপ আৰু বিপিএফৰ লগত কৰা কুটনৈতিক আচৰণৰ পৰা। মিত্ৰ দলৰ আভ্যন্তৰীণ ৰাজনীতিত প্ৰৱেশ কৰি নেতা আমদানি কৰাৰ কৌশলপূৰ্ণ খেলখন যদি

আগন্তুক দিনত বিজেপিয়ে ইউ পি পি এলৰ লগতো খেলিবলৈ হয় তেতিয়াহ'লে সিদিনাৰে আৰম্ভ হ'ব বড়ো জাতীয়তাবাদৰ নিৰ্ঘাত অপমৃত্যু !

*******

# স্বাগতম ২০২১ আৰু কিছু ভাল খবৰ




*প্ৰকাশঃ ৩১ ডিচেম্বৰ, ২০২০*

২০২০ বৰ্ষৰ এটা মুখে মুখে প্ৰচলিত কথা আছিল যে- এই বছৰটোৱেই বেয়া। এই বছৰটোৱে কেৱল আমাৰ পৰা এটা এটাকৈ সকলো কাঢ়িহে নিছে। স্বাভাৱিকতে সকলোৰে মনত এটা প্ৰত্যাক্ষা- আহিব লগা ২০২১ বৰ্ষটো ভাল হ'ব। গতিকে সোনকালেই আহক। আৰু অৱশেষত আহি পালেহি ২০২১। এই নৱবৰ্ষৰ প্ৰাকক্ষণত আমাৰ 'সাৰথি' পৰিয়ালৰ তৰফৰ পৰা সকলোকে শুভেচ্ছা জনালো। নতুন বছৰটোত সকলোৱে যেন নিজ কৰ্মোদ্যমেৰে আগবাঢ়ি যায় আৰু জীৱনবোৰ যেন সুখ-আনন্দৰে উপচি পৰে তাৰেই কামনা কৰিলো।

এষাৰ কথা আছে জীৱনৰ আটাইতকৈ বেয়া সময়টোৱেও মানুহক কিবা নহয় কিবা এটা ভাল বস্তু দি যায়। আৰু এই ভাল খিনিক আদৰি লব পৰাটোৱেই হৈছে মানৱীয় গুণ। এই ২০২০ বৰ্ষটোৱেও আমাক আমাৰ অজানিতেই বহুত কিবাকিবি দি গ'ল। আহকচোন এবাৰ সেইবোৰলৈও চকু ফুৰাই চাওঁ-

১) ক'ভিড ভেকচিনৰ আৱিষ্কাৰ- যদিও ২০২০ বৰ্ষটোৰ কৰোণা ভাইৰাছ সৃষ্ট ক'ভিড-১৯ য়ে বিশ্ববাসীক বাৰুকৈয়ে জ্বলা-কলা খুৱাই গ'ল। অৱশেষত কিন্তু বছৰটোৰ শেষৰ ফালে চিকিৎসাবিজ্ঞানীসকলে এই ভাইৰাছৰ লগত যুঁজিবলৈ কেইবাটাও ভেকচিন আৱিষ্কাৰ কৰি মানৱ

দেহত সফল প্ৰয়োগো কৰিলে। ইতিমধ্যে বিশ্বৰ কেইবাখনো দেশে গণটিকাকৰণৰ ব্যাপক কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ লৈছে। আৰু এই ক্ষেত্ৰত আমাৰ দেশ ভাৰতবৰ্ষও পিছ পৰি থকা নাই।

২) পৰিৱেশ সজাগতা আৰু প্ৰদূষণ হ্ৰাস- ২০২০ বৰ্ষটোত এটা দীৰ্ঘসময়জুৰি বিশ্বৰ প্ৰায়ভাগ দেশতেই লকডাউন বাহাল ৰখাৰ বাবে কল-কাৰখানা আৰু যান-বাহানৰ পৰা নিৰ্গত প্ৰদূষণো বন্ধ হৈ আছিল। এই প্ৰদূষণ হ্ৰাসে পৃথিৱীৰ বায়ুমণ্ডললৈ বহু পৰিমাণে সজীৱতা কঢ়িয়াই আনিলে। ই মানৱ সমাজলৈ এটা আশাৰ বতৰা কঢ়িয়াই আনিলে যে ভৱিষ্যতৰ দিনটো যদি আমি আমাৰ মানৱীয় উচ্চাকাংক্ষাক পৰিহাৰ কৰি কিছু পৰিমাণে হ'লেও প্ৰদূষণক নিয়ন্ত্ৰণলৈ আনিব পাৰোঁ তেনেহ'লে আমাৰ পৃথিৱীৰ আয়ুস নিশ্চয়কৈ আৰু অধিক বৃদ্ধি পাব।

৩) বিশ্ব ভাতৃত্ববোধৰ নৱ উন্মেষ- কৰোণা ভাইৰাছৰ উৎপত্তি স্থানক লৈ যদিও ২০২০ বৰ্ষটোত যদিও যথেষ্ট বাক-বিতণ্ডা চলি আছিল তথাপিও এই বৰ্ষটোৰ এটা ধনাত্মক কথা আছিল যে,এই বৰ্ষটোত বিশ্বৰ আগশাৰীৰ আৰু ক্ষমতাবান দেশসমূহে পাৰস্পৰিক যুঁজ-বাগৰৰ সলনি ক্ষুদ্ৰাতিক্ষুদ্ৰ কৰোণা ভাইৰাছৰ বিৰুদ্ধে যুঁজাতহে অধিক সময় অতিবাহিত কৰিলে। হয়তো মানৱজাতিয়ে অনুভৱ কৰিবলৈ বাধ্য হ'ল মানুহৰ শত্ৰু মানুহ নহয়। মানুহৰ শত্ৰু হৈছে এতিয়ালৈকে অজেয় প্ৰকৃতিৰ ৰোগ ব্যাধিবোৰহে। যদিহে মানুহৰ বোধ শক্তি আৰু উন্নতৰ হয় তেতিয়াহ'লে হয়তো ভৱিষ্যত দিনত পৃথিৱীত বিশ্বভাতৃত্ববোধৰ বান্ধোন আৰু অধিক সবল হব।

৪) ২০২০ বৰ্ষটো সমগ্ৰ বিশ্বৰ ক্ৰীড়াক্ষেত্ৰৰ লগতে অসমৰ ক্ৰীড়াক্ষেত্ৰৰ বাবেও সুখকৰ নাছিল যদিও অসমৰ ক্ৰীড়াক্ষেত্ৰত এক সুখৰ খবৰ দি যায় অসমৰ মহিলা বক্সাৰ লাভলিনা বৰগোঁহায়ে। লাভলিনাই প্ৰথমগৰাকী অসমীয়া মহিলা হিচাপে অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰে। লগতে তেওঁ ২০২০ বৰ্ষতো ষষ্ঠগৰাকী অসমীয়া হিচাপে অৰ্জুন বঁটা লাভ কৰিবলৈও সক্ষম হয়।

৫) দেশীয় অৰ্থনীতি আৰু জীৱিকাৰ প্ৰতি নতুন দৃষ্টিভংগী-কৰোণা ভাইৰাছে সৃষ্টি কৰা বিভীষিকাময় পৰিস্থিতিয়ে আমাৰ দেশ ভাৰতবৰ্ষক বহুতো কথা নতুনকৈ চিন্তা কৰিবলৈ বাধ্য কৰালে। ভাৰতীয় ৰাষ্ট্ৰনেতাসকলে অনুভৱ কৰিবলৈ বাধ্য হ'ল অৰ্থনৈতিক আত্মনিৰ্ভৰতা যে এখন দেশৰ বাবে কিমান প্ৰয়োজনীয়! সেয়ে ভাৰত চৰকাৰে আত্মনিৰ্ভৰত ভাৰতৰ দৰে আঁচনিৰ অৱতাৰণা কৰি দেশৰ অৰ্থনীতিক অনন্য ৰূপ দিয়াৰ কথা চিন্তা কৰিলে। থলুৱা উৎপাদন এখন দেশৰ অৰ্থনীতিৰ বাবে কিমান প্ৰয়োজন সেয়াও আমি ২০২০ বৰ্ষতেই নতুনকৈ

অনুভৱ কৰিলো। সেৱা আৰু উদ্যোগখণ্ডত দেখা দিয়া সংস্থাপনহীনতাই আমাৰ দেশৰ লগতে ৰাজ্যৰ যুৱকসকলকো কৃষি খণ্ডৰ লগতে ক্ষুদ্ৰ উদ্যোগৰ ক্ষেত্ৰখনত স্বনিয়োজনৰ বাট মুকলি কৰাৰ কথা চিন্তা কৰিবলৈ বাধ্য কৰাইছে।

৬) তথ্য-প্ৰযুক্তিৰ ক্ষেত্ৰখনত অসমীয়া ভাষাৰ উন্নতি- অসমৰ বাবে ২০২০ বৰ্ষটোৰ এটা আশাব্যঞ্জক দিশ বুলিবলৈ গ'লে ক'ব পাৰি যে, এটা বছৰটোতে আমাৰ চিৰচেনেহী অসমীয়া ভাষাটোৱে ইন্টাৰনেটৰ জগতখনত বহু কেইটা স্বীকৃতি লাভ কৰিলে। বিশ্বৰ আগশাৰীৰ তথ্য-প্ৰযুক্তিৰ কোম্পানী মাইক্ৰছফ্টে অসমীয়া ভাষাটোক তেওঁলোকৰ 'মাইক্ৰছফ্ট ট্ৰান্সলেটৰ'ত দ্বাদশতম ভাৰতীয় ভাষা হিচাপে যোৱা ছেপ্টেম্বৰ মাহত অন্তৰ্ভুক্ত কৰিলে। যদিও এই অনুবাদক যন্ত্ৰটোৰ বহুখিনি উন্নতি সাধিবলৈ আছে তথাপিও আমি আজিৰ তাৰিখত একো একোটা বৃহৎ আকাৰৰ প্ৰবন্ধ নিমিষতে ইংৰাজীকে ধৰি বিশ্বৰ বিভিন্ন প্ৰান্তৰ ভাষাৰ পৰা অসমীয়ালৈ অনুবাদ কৰিব পাৰো। (ইচ্ছুক পাঠকে এই লিংটোত https://www.bing.com/translator গৈ চেষ্টা কৰি চাব পাৰে। )

ইয়াৰ উপৰি বিশ্বৰ আন এটা আগশাৰীৰ তথ্য- প্ৰযুক্তিৰ কোম্পানী গুগলেও তেওঁলোকৰ ছাৰ্চ ইঞ্জিন আৰু তেওঁলোকৰ অন্যান্য সেৱাসমূহত অসমীয়া ভাষা প্ৰয়োগ কৰিব পৰাৰ সুবিধা এই বৰ্ষৰ মাজভাগৰে পৰা কৰি দিছে। ইয়াৰ বাবে আপোনাৰ গুগল একাউণ্টৰ ভাষা ছেটিংছটো সলাই অসমীয়ালৈ পৰিৱৰ্তন কৰিব লাগিব। ইয়াৰো উপৰিও গুগলে তেওঁলোকৰ অনুবাদ যন্ত্ৰ 'গুগল ট্ৰান্সলেটৰ'ত অসমীয়া ভাষাৰ পৰা ইংৰাজীকে আদি কৰি অন্যান্য ভাষালৈ প্ৰবন্ধ-পাতি অনুবাদ কৰিব পৰা সেৱাটোও অনানুষ্ঠানিক ভাবে মুকলি কৰি দিছে। (অন্য ভাষাৰ পৰা অসমীয়ালৈ এতিয়াও এই সুবিধা নাই)

ইমান প্ৰত্যাহ্বানৰ মাজতো যদি ২০২০ বৰ্ষত এইখিনি ভাল খবৰ আহিব পাৰিছে তেনেহ'লে ২০২১ বৰ্ষত বাৰু ভাল খবৰ নহাৰ প্ৰশ্ন ক'ত?

*********

# ভাৰতত কোভিড-১৯ ৰ টিকাকৰণ




*প্ৰকাশঃ ১৬ জানুৱাৰী, ২০২১*

ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে সমগ্ৰ দেশৰ ৩,০০৬ টা টিকাকৰণ স্থানক সম্বোধন কৰি আজি (শনিবাৰে) দিনৰ ১০.৩০ বজাত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কোভিড-১৯ ৰ টিকাকৰণ অভিযান আৰম্ভ কৰে।

ভাৰতে দেশৰ তিনি কোটি আগশাৰীৰ কৰ্মীক টিকাকৰণ আৰম্ভ কৰাৰ লগে লগে নভেল কৰোনা ভাইৰাছৰ বিৰুদ্ধে বিশ্বৰ সৰ্ববৃহৎ টিকাকৰণ অভিযান আজিৰে পৰা আৰম্ভ হয়। প্ৰথম পৰ্যায়ত, প্ৰাথমিক গোটসমূহক দুটা স্বদেশী ভেকছিন- *কোভেক্সিন* আৰু *কোভিশ্বিল্ড* প্ৰদান কৰা হ'ব। ভাৰতত এতিয়ালৈকে এক কোটি আৰু ৫.২৭ লাখৰো অধিক লোক এই ভাইৰাছৰ দ্বাৰা সংক্ৰমিত হৈছে আৰু প্ৰায় ১.৫২ লাখ লোকৰ মৃত্যু হৈছে।

আজি কোনে কোভিড-১৯ ভেকছিন লাভ কৰিছে ?

প্ৰাথমিক গোটবোৰৰ ভিতৰত আছে স্বাস্থ্য কৰ্মী, চাফাই কাৰ্মচাৰী, সেনা আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ স্বেচ্ছাসেৱকসকল। চৰকাৰে কৈছে যে, আজি দেশৰ ৩,০০৬ টা টিকাকৰণ স্থানত প্ৰায় ১০০ জনকৈ লোকে শ্বট লাভ কৰিছে। প্ৰথম পৰ্যায়ৰ এই টিকাকৰণ কেইমাহমানৰ ভিতৰতে সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে।

টিকাকৰণ অভিযান কেনেদৰে সম্পন্ন কৰা হ'ব ?

ভাৰতত ১৩০ কোটি জনসংখ্যা আছে, দেশখনে ভেকছিন অভিযান চলাবলৈ নিৰ্বাচন অনুষ্ঠিত কৰাৰ অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰিছে। গৃহ মন্ত্ৰালয়ে আনকি প্ৰাথমিক গোটৰ লোকসকলক চিনাক্ত কৰিবলৈ লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ বাবে শেহতীয়া ভোটাৰ তালিকাৰ তথ্য ভাগ বটোৱাৰা কৰিবলৈ নিৰ্বাচন আয়োগক অনুৰোধ জনাইছে।

১৮ বছৰৰ অধিক বয়সৰ লোকসকলৰ বাবে এই অনুশীলনটো সম্পন্ন কৰা হ'ব। নিৰ্বাচনী বুথৰ দৰে কাম কৰা প্ৰতিটো ছাইটত হিতাধিকাৰী তালিকাৰ তিনিটা হাৰ্ড কপি থাকিব। এই নামবোৰ বিষয়াসকলে চৰকাৰৰ কো-উইন( Co-win) পোৰ্টেলত আপলোড কৰিব। জানিব পৰা মতে আজিৰ তালিকাখন দুদিন আগতীয়াকৈয়ে আপলোড কৰা হৈছিল।

এজন বিষয়াই এই সন্দৰ্ভত কৈছে- "টিকাকৰণ অধিবেশনটো পুৱা ৯ বজাৰ পৰা বিয়লি ৫ বজালৈ হ'ব। যিজন ব্যক্তি বিয়লি ৫ বজাৰ আগত আহে, ঠিক নিৰ্বাচনত যেনেদৰে হয় তেনেদৰেই দৰেই ৫ বজালৈকে প্ৰতিষেধক দিয়া হ'ব।"

প্ৰধান মন্ত্ৰীয়ে কৈছে যে ভাৰতে এই অনুশীলনত সাৰ্বজনীন টিকাকৰণ কাৰ্য্যসূচী (ইউ আই পি) আৰু তাত হোৱা জন অংশগ্ৰহণৰ অভিজ্ঞতাবোৰ ব্যৱহাৰ কৰিব।

ভেকছিনটো বিনামূলীয়া নেকি ?

প্ৰথম পৰ্যায়ত প্ৰদান কৰা ভেকছিনবোৰ বিনামূলীয়া হ'ব। "কেন্দ্ৰই ৩ কোটি প্ৰাথমিক জনসংখ্যাৰ টিকাকৰণৰ বাবে ব্যয় বহন কৰিব"-এই সপ্তাহৰ আৰম্ভণিত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছিল।

ভাৰতীয়সকলক প্ৰদান কৰা দুটা কোভিড-১৯ ভেকছিন কি কি ?

দুটা ভেকছিন – 'কোভেক্সিন' আৰু 'কোভিশ্বিল্ড'ক – ভাৰতৰ ঔষধ নিয়ন্ত্ৰক সংস্থা চি.ডি.এছ.চি.অ'. য়ে অনুমোদন প্ৰদান কৰিছে। তেওঁলোকে লাভ কৰিছে "জৰুৰী পৰিস্থিতিত প্ৰতিবন্ধিত ব্যৱহাৰৰ অনুমোদন", যাৰ অৰ্থ হৈছে কোম্পানীবোৰে নিদানিক পৰীক্ষণ সম্পূৰ্ণ নকৰা স্বত্বেও সেইবোৰ ব্যৱহাৰ কৰিব পাৰিব।

কোভিশ্বিল্ড হৈছে AZD1222-ৰ ভাৰতীয় প্ৰকাৰ–এষ্ট্ৰাজেনেকা আৰু অ'ক্সফৰ্ড বিশ্ববিদ্যালয়ৰ দ্বাৰা বিকশিত ভেকছিন। ইয়াক পুনে-স্থিত চিৰাম ইনষ্টিটিউট অফ ইণ্ডিয়াৰ (এছ.আই.আই.)ৰ দ্বাৰা দেশত বিকশিত আৰু নিৰ্মাণ কৰা হৈছে। আৰু 'কোভেক্সিন'ক হাইদৰাবাদৰ ভাৰত বায়'টেকে ৰাষ্ট্ৰীয় ভাইৰ'লজী প্ৰতিষ্ঠানৰ সহযোগত বিকশিত কৰিছে।

বৰ্তমানে, চিৰাম ইনষ্টিটিউটৰ ১.১ কোটি পালি আৰু ভাৰত বায়োটেক ভেকছিনৰ ৫৫ লাখ পালি ভেকছিন প্ৰয়োগৰ বাবে উপলব্ধ হৈছে। প্ৰতিজন ব্যক্তিক ২৮ দিনৰ ভিতৰত দুয়োটা ভেকছিনৰ দুটা শ্বট প্ৰদান কৰা হ'ব। এই দুটাৰ উপৰিও আৰু চাৰিটা স্বদেশী ভেকছিনৰ কাম চলি আছে বুলি জানিব পৰা গৈছে।

**সমগ্ৰ ভাৰতত ভেকছিনবোৰ কেনেদৰে বিতৰণ কৰা হৈছে ?**

কেন্দ্ৰই ৰাজ্যবোৰৰ মাজত বিতৰণ নীতি ভৌগলিক প্ৰাথমিকতাৰ ওপৰত আধাৰিত কৰি বা "সংক্ৰমণৰ প্ৰৱণতা অধিক" থকা স্থানত নিৰ্ণয় কৰিছে। ইয়াৰ অৰ্থ হৈছে, মহাৰাষ্ট্ৰ আৰু কেৰালাৰ দৰে ৰাজ্য, যি সৰ্বাধিক দৈনিক ঘটনা প্ৰতিবেদন কৰি আছে, তেওঁলোকে আন ৰাজ্যবোৰৰ তুলনাত অধিক ভেকছিন লাভ কৰিব।

ইয়াৰ পৰিৱৰ্তে, ৰাজ্যসমূহে জিলা পৰ্য্যায়ত শ্বটবোৰ কেনেদৰে বিতৰণ কৰিব লাগে তাক নিৰ্ণয় কৰিব। প্ৰতিজন হিতাধিকাৰীক ভেকছিনকেইটাৰ দুটাকৈ পালি প্ৰদান কৰিব পৰাটো নিশ্চিত কৰিবলৈ জিলা পৰ্য্যায়ত বিতৰণ সমানুপাতিক হ'ব লাগিব বুলি কেন্দ্ৰই নিৰ্দেশ দিছে।

**আপোনাক টিকাকৰণ কৰাৰ পিছত কি হ'ব ?**

যিসকল লোকক টিকাকৰণ কৰা হয়, তেওঁলোকৰ ডাটা কো-উইন প্লেটফৰ্মত সঠিক সময়ত আপল'ড কৰা হ'ব। হিতাধিকাৰীসকলক চিনাক্ত আৰু নিৰীক্ষণ কৰাত সহায় কৰিবলৈ চৰকাৰে আধাৰ ব্যৱহাৰ কৰাৰ পৰিকল্পনা কৰিছে।

টিকাকৰণ কৰাৰ পিছত, হিতাধিকাৰীয়ে ডিজিটেল প্ৰমাণপত্ৰ লাভ কৰিব। ই তেওঁক মনত পেলাবলৈ সহায় কৰিব কেতিয়া দ্বিতীয়টো পালি ল'ব লাগিব। লগতে ইয়াৰ দ্বাৰা কোনে পালিটো লাভ কৰিছে সেয়া জানিবলৈ চৰকাৰৰ সহায় হব। দ্বিতীয় পালিটোৰ পিছত,এক অন্তিম ডিজিটেল প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব।

কো-উইন প্লেটফৰ্মৰ তথ্যই ভেকছিনৰ বিষয়ে উৰাবাতৰি আৰু মিছা তথ্য নিয়ন্ত্ৰণ কৰাত আৰু টিকাকৰণৰ পিছত যদি প্ৰতিকূল ঘটনা হয়, তাৰ কাৰ্যকৰী প্ৰতিবেদন লাভ কৰাত সহায় কৰিব।


**ভাৰতে কোভিড-১৯ টিকাকৰণ অভিযান চলাবলৈ সাজু নে ?**

টিকাকৰণৰ প্ৰস্তুতিৰ বাবে ভাৰতে ইতিমধ্যে তিনিটা মক ড্ৰিল পৰিচালনা কৰিছে। ভেকছিন প্ৰদান কৰাৰ সৰ্বশ্ৰেষ্ঠ উপায় বুজিবলৈ আৰু লজিষ্টিক আৰু প্ৰশিক্ষণত থকা দুৰ্বলতাবোৰ নিয়ন্ত্ৰণ কৰিবলৈ দেশজুৰি এই অনুশীলন কৰা হৈছিল।

ভেকছিন প্ৰদান আৰু কো-উইন ছফ্টৱেৰৰ সৈতে সম্পৰ্কিত প্ৰশ্নৰ সমাধানৰ বাবে ইতিমধ্যে চৰকাৰে ২৪ ঘণ্টীয়া এটা হেল্পলাইন নম্বৰ – 1075 মুকলি কৰিছে।

*********

# ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস ২০২১




*প্ৰকাশঃ ২৩ জানুৱাৰী, ২০২১*

(ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস প্ৰতিবছৰে সমগ্ৰ ভাৰতবৰ্ষতে ২৮ ফেব্ৰুৱাৰী তাৰিখে উদযাপন কৰা হয়। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস ২০২১ৰ লগত সংগতি ৰাখি আমাৰ এক বিশেষ লেখা-)

*বিজ্ঞানে আনিব জোৱাৰ*

*শত শত বস্তিৰে জ্ঞানৰ দিপালীৰে*

*জিলিকাব লুইতৰ পাৰ.....(ড০ ভূপেন হাজৰিকা)*

**ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ ধাৰণাঃ**

প্ৰাচীন প্ৰস্তৰ যুগৰ পৰা আজিৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ চৰম উন্নতিৰ যুগলৈ মানুহৰ নজনাক জনাৰ অপাৰ কৌতুহলে সভ্যতাক চূড়ান্ত শিখৰলৈ লৈ গৈছে। এই কৌতুহল আধাৰিত মানৱ মনৰ নিৰন্তৰ সাধনাই জন্ম দিলে বিজ্ঞানৰ। সেয়েহে কোৱা হয়, বিজ্ঞান কেৱল উদ্ভাৱন আৰু নতুন প্ৰযুক্তিয়েই নহয়, ই কৌতুহল আধাৰিত মানৱ মনৰ এক সূক্ষ্ম কলা। প্ৰকৃতাৰ্থত, প্ৰাচীন গুহাত আশ্ৰয় লোৱা মানুহে যিদিনাই শিলে শিলে ঘঁহাই জুই জ্বলাবলৈ সক্ষম হৈছিল তেতিয়াই জন্ম হৈছিল প্ৰায়োগিক বিজ্ঞানৰ। মানুহে অন্বেষণ কৰিছিল নতুন জ্ঞানৰ; নতুন আৱিষ্কাৰৰ।

বিজ্ঞানৰ এই সাধনাই যিহেতু গুহাবাসী মানুহক সভ্য, আধুনিক আৰু জীৱশ্ৰেষ্ঠ প্ৰাণী কৰি তুলিলে সেয়েহে আজিৰ মানৱ সমাজত বিজ্ঞান এক অবিচ্ছেদ্য বিষয়। তদুপৰি বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱন সমগ্ৰ বিশ্বৰ মানৱ জাতিৰ অৰ্থনৈতিক আৰু সামাজিক বিকাশৰ বাবে এক অত্যাৱশ্যকীয় অংগ। বিজ্ঞানৰ এই প্ৰচুৰ সম্ভাৱনাপূৰ্ণ আৰু সুদূৰপ্ৰসাৰী যাত্ৰাত অংশ ল'ব পৰাকৈ দেশৰ ভিন্ন শ্ৰেণীৰ লোকৰ মাজত সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্য আগত ৰাখিয়েই প্ৰতিবছৰে আমাৰ দেশ ভাৰতবৰ্ষত ২৮ ফেব্ৰুৱাৰী দিনটো ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস হিচাপে পালন কৰা হয়। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস হিচাপে এই দিনটো বাছি লোৱাৰ কাৰণ হৈছে- এই দিনটোতে ভাৰতীয় পদাৰ্থবিজ্ঞানী ছাৰ চি. ভি. ৰমনে ১৯২৮ চনত পোহৰ বিচ্ছুৰিত হোৱা ৰমন পৰিঘটনাৰ আৱিষ্কাৰ কৰে। আৰু এই ৰমন পৰিঘটনাৰ আৱিষ্কাৰৰ বাবে, তেওঁক ১৯৩০ চনত নোবেল বঁটা প্ৰদান কৰা হৈছিল।

পদাৰ্থবিজ্ঞানৰ ক্ষেত্ৰত আৰু ৰমন পৰিঘটনাৰ আৱিষ্কাৰত চি.ভি. ৰমনৰ অৱদানৰ বাবে ৰাষ্ট্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি যোগাযোগ পৰিষদে (এন.চি.এছ.টি.চি) ১৯৮৬ চনত ভাৰত চৰকাৰক প্ৰতি বছৰে ২৮ ফেব্ৰুৱাৰী দিনটো ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস হিচাপে উদযাপন কৰিবলৈ এক প্ৰস্তাৱ দাঙি ধৰে। এই প্ৰস্তাৱটোত ভাৰত চৰকাৰে অনুমোদন জনায় আৰু ১৯৮৭ চনৰ পৰা এই দিনটো সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস হিচাপে উদযাপন কৰা হয়। এই দিনটোত বিজ্ঞানৰ ক্ষেত্ৰৰ সন্মুখীন হোৱা গুৰুত্বপূৰ্ণ বিষয়বোৰৰ বিষয়ে আলোচনা তথা নতুন বৈজ্ঞনিক আৱিষ্কাৰসমূহৰ বিষয়ে আলোচনা কৰা হয়।

**ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস ২০২১ৰ থিমঃ**

প্ৰতি বছৰে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস একোটা থিম বা মুখ্য বিষয়ৰ সৈতে উদযাপন কৰা হয় যাতে বিষয়টোৰ দ্বাৰা বিজ্ঞানৰ গুৰুত্ব সম্পৰ্কে অধিক প্ৰচাৰ চলাব পাৰি। আৰু এই বিষয়টো ভাৰত চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ তৰফৰ পৰা বাচনি কৰা হয়। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস ২০২১ৰ বিষয় হৈছে "এছ.টি.আইৰ ভৱিষ্যতঃ শিক্ষা, দক্ষতা আৰু কামৰ ওপৰত প্ৰভাৱ"(Future of STI: Impacts on Education, Skills and Work) অৰ্থাত্ শিক্ষা, দক্ষতা আৰু কামৰ ক্ষেত্ৰত বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱনৰ ভৱিষ্যতৰ প্ৰভাৱৰ ওপৰত আলোকপাত কৰা।

**ৰমন পৰিঘটনাঃ**

পদাৰ্থৰ অণুৰ দ্বাৰা পোহৰ ৰশ্মি বিচ্ছুৰিত হৈ তৰংগদৈৰ্ঘ্যৰ সলনি হোৱা প্ৰক্ৰিয়াকে ৰমন পৰিঘটনাৰূপে জনা যায়। যেতিয়া পোহৰ ৰশ্মি এটাই এটা স্বচ্ছ ৰাসায়নিক যৌগত

আপতিত হয়, অতি ক্ষুদ্ৰ পৰিমাণৰ পোহৰ ৰশ্মি বিচ্ছুৰিত বৰ্ণালীতকৈ কিছু পৃথক হয় আৰু ইয়াৰ তৰংগদৈৰ্ঘ্যৰ পৰিৱৰ্তন হয়।

এই পৰিঘটনাটোক ভাৰতীয় পদাৰ্থবিদ ছাৰ চন্দ্ৰশেখৰ ভেংকট ৰমনৰ নামেৰে নামাংকিত কৰা হৈছে, যিয়ে পোন প্ৰথমবাৰৰ বাবে এই পৰিঘটনাতো লক্ষ্য কৰিছিল আৰু ইয়াৰ সত্যতা প্ৰমাণ কৰি দেখুৱাইছিল। সেয়েহে এই ঘটনাটোক 'ৰমন স্পেক্ট্ৰোস্কপি' বুলিও কোৱা হয় যিটো এতিয়া ৰসায়নবিদ আৰু পদাৰ্থবিদসকলে বিভিন্ন সামগ্ৰীৰ বিষয়ে জানিবলৈ ব্যৱহাৰ কৰে।

উল্লেখযোগ্য যে, ৰমন পৰিঘটনাৰ আৱিষ্কাৰৰ আগলৈকে দৃশ্যমান পোহৰৰ বিচ্ছুৰণৰ ক্ষেত্ৰত দুটা পৰিঘটনাকে মানি চলা হৈছিল-১) ৰে'লেৰ বিচ্ছুৰণ আৰু ২) প্ৰতিপ্ৰভা। যি বিচ্ছুৰণত পোহৰৰ আপতিত ৰশ্মি আৰু বিচ্ছুৰিত ৰশ্মিৰ তৰংগ দৈৰ্ঘ্য একে থাকে তাকে ৰে'লেৰ বিচ্ছুৰণ বোলা হয়। আকৌ কিছুমান পদাৰ্থত পোহৰ ৰশ্মি আপতিত হ'লে প্ৰতিপ্ৰভাৰ সৃষ্টি হয়। প্ৰতিপ্ৰভা ৰশ্মিৰ তৰংগ দৈৰ্ঘ্য আপতিত ৰশ্মিৰ তৰংগ দৈৰ্ঘ্যতকৈ চুটি।

**সাগৰৰ নীলা ৰঙৰ নতুন ব্যাখ্যাঃ**

পদাৰ্থবিজ্ঞানী ৰমনে বিজ্ঞানী ৰে'লেৰ ধাৰণাটো ভুল বুলি প্ৰমাণিত কৰি ১৯২৮ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে বৰ্ণালী বীক্ষণৰ সহায়ত বিচ্ছুৰিত পোহৰ লক্ষ্য কৰি আপতিত নীলা ৰঙৰ সলনি নীলা আৰু সেউজীয়া অঞ্চলত দুডাল ৰেখা দেখিবলৈ পালে আৰু এই নতুন আৱিষ্কাৰৰ কথা ঘোষণা কৰিলে। তাত্বিকভাৱে এই পৰিঘটনা বুজাবলৈ তেওঁ সাগৰৰ পানী নীলা দেখাৰ কাৰণ ব্যাখ্যা কৰিছিল। ইয়াৰ আগলৈকে 'আকাশৰ নীলা ৰঙৰ প্ৰতিফলনৰ বাবেই সাগৰৰ ৰং নীলা' বুলি প্ৰচলিত ধাৰণাটোৰ নতুন ব্যাখ্যা কৰিছিল এইদৰে- "বায়ুৰ কণিকাবোৰত হোৱা সূৰ্যৰ ৰশ্মিৰ স্থিতিস্থাপক বিচ্ছুৰণৰ ফলত আকাশৰ ৰং যিদৰে নীলা দেখা যায়, ঠিক একেদৰে সাগৰৰ পানীৰ অণুবোৰত পোহৰ ৰশ্মিৰ স্থিতিস্থাপক বিচ্ছুৰণ সংঘটিত হোৱাৰ ফলতহে সাগৰৰ পানী নীলা হোৱা দেখা যায়। সূৰ্যৰ বগা পোহৰ যিহেতু সাতটা পোহৰৰ সমষ্টি, সেয়ে সাগৰৰ পানীৰ অণুবোৰে এই সাত ৰঙৰ কেৱল নীলা ৰংটোহে চৌদিশে বিচ্ছুৰিত কৰে আৰু আন ৰংবোৰ শোষণ কৰে।"

**চি.ভি. ৰমনঃ**

ভাৰতীয় পদাৰ্থ বিজ্ঞানৰ প্ৰবাদ পুৰুষ ছাৰ চি. ভি. ৰমনৰ জন্ম হৈছিল ১৮৮৮ চনৰ ৭ নৱেম্বৰ তাৰিখে। হিন্দু পৰম্পৰা অনুসৰি, ৰমনক মূলতঃ এজন হিন্দু দেৱতাৰ নামত ভেঙ্কটৰমন নাম দিয়া হৈছিল, আৰু ইয়াৰ আগত তেওঁৰ পিতৃৰ প্ৰথম নাম চন্দ্ৰশেখৰ দিয়া

হৈছিল। স্কুলত তেওঁৰ নাম চি. ভেঙ্কট ৰমনলৈ বিভক্ত কৰা হৈছিল, যি পিছত চি.ভি. ৰমন হৈ পৰিছিল। পদাৰ্থ বিজ্ঞান আৰু গণিতৰ অধ্যাপক পিতৃ আৰু সংস্কৃত পণ্ডিতসকলৰ পৰিয়ালৰ পৰা অহা মাতৃৰ সৈতে ৰমনে কম বয়সতে প্ৰচণ্ড মেধাশক্তিৰ পৰিচয় দিছিল। তেওঁ ১৬ বছৰ বয়সত মাদ্ৰাজৰ প্ৰেচিডেন্সী কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰিছিল। তেওঁ শ্ৰেণীত প্ৰথম স্থান লাভ কৰিছিল আৰু পদাৰ্থ বিজ্ঞানত সোণৰ পদক লাভ কৰিছিল।

ইয়াৰ পাছত স্নাতকোত্তৰ ডিগ্ৰীৰ বাবে অধ্যয়ন কৰোতে, তেওঁ ১৮ বছৰ বয়সত 'ফিলছ'ফিকেল মেগাজিন' নামৰএখন প্ৰখ্যাত বিজ্ঞান পত্ৰিকাত তেওঁৰ প্ৰথম গৱেষণা পত্ৰ প্ৰকাশ কৰিছিল। এইখন প্ৰেচিডেন্সি কলেজৰ পৰা প্ৰকাশিত প্ৰথম গৱেষণা পত্ৰ আছিল।

**ৰমনৰ চাকৰিকাল আৰু গৱেষণাঃ**

স্বাস্থ্য দুৰ্বল হোৱাৰ বাবে, তেওঁ উচ্চশিক্ষাৰ বাবে ইংলেণ্ডলৈ যাব পৰা নাছিল। ভাৰতত আৰু পঢ়িবলৈ নোপোৱাৰ বাবে, ১৯০৭ চনত তেওঁ বিত্তীয় অসামৰিক সেৱা পৰীক্ষাত উত্তীৰ্ণ হৈছিল আৰু সহকাৰী একাউণ্টেণ্ট জেনেৰেল হিচাপে চাকৰিত যোগদান কৰিছিল।

চাকৰিকালত তেওঁ পদাৰ্থবিজ্ঞানৰ গৱেষণাও সমানে সমানে চলাই নিয়ে আৰু প্ৰথম ১০ বছৰত প্ৰায় অকলে কাম কৰি তেওঁ ২৭ খন গৱেষণা পত্ৰ প্ৰকাশ কৰিছিল আৰু 'ইণ্ডিয়ান এচ'চিয়েচন ফৰ দি কাল্টিভেচন অৱ চাইন্স' নামৰ গৱেষণা প্ৰতিষ্ঠানটোক এক নতুন গতি দিছিল। এই প্ৰাৰম্ভিক কামৰ বেছিভাগ কম্পনৰ তত্ত্বৰ ওপৰত আছিল কিয়নো ই বাদ্যযন্ত্ৰৰ সৈতে সম্পৰ্কিত আছিল। আৰু ৰমনে সংগীত তথা সুৰ খুব ভাল পাইছিল। তেওঁৰ ব্যক্তিগত জীৱনত এগৰাকী সংগীত শিল্পী লোকসুন্দৰী দেৱীক বিয়া কৰাইছিল। চাকৰিকালতে তেওঁ ১৯১২ আৰু ১৯১৩ চনত গৱেষণাৰ বাবে পুৰস্কাৰ লাভ কৰিছিল। জনপ্ৰিয় বিজ্ঞানত তেওঁৰ ব্যাপক বক্তৃতাৰ সৈতে আই.এ.চি.এছৰ খ্যাতি বৃদ্ধি কৰিছিল, দৰ্শকসকলক তেওঁৰ কণ্ঠস্বৰ, জীৱন্ত প্ৰদৰ্শন, সুন্দৰ আৰু সমৃদ্ধ হাস্যৰসৰে মুগ্ধ কৰি ৰাখিছিল।

**ৰয়েল চচাইটিলৈ ৰমনঃ**

২৯ বছৰ বয়সত তেওঁ তেওঁৰ লোভনীয় অসামৰিক সেৱাৰ চাকৰিৰ পৰা পদত্যাগ কৰিছিল তেতিয়া কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আশুতোশ মুখাৰ্জীয়ে তেওঁক অধ্যাপকত্ব আগবঢ়াইছিল। আৰু ১৯২১ চনত তেওঁৰ প্ৰথম ইংলেণ্ড ভ্ৰমণৰ সময়লৈ, পদাৰ্থ বিজ্ঞানত তেওঁৰ খ্যাতি সুপৰিচিত হৈ উঠিছিল। তিনি বছৰ পিছত তেওঁ ৰয়েল চচাইটিৰ ফে'ল নিৰ্বাচিত হৈছিল – তেওঁ আছিল ৰয়েল চচাইটিত চতুৰ্থজন ভাৰতীয়। সেই বছৰেই তেওঁ আমেৰিকা

ভ্ৰমণ কৰিছিল, ন'বেল বিজয়ী ৰবাৰ্ট মিলিকানৰ আমন্ত্ৰণৰ জৰিয়তে কেলিফৰ্ণিয়া ইনষ্টিটিউট অফ টেকন'লজীত চাৰি মাহ অতিবাহিত কৰিছিল।

১৯২৮ চনত 'ৰমন পৰিঘটনা' আৱিষ্কাৰ কৰাৰ পিছত, ১৯৩০ চনত পদাৰ্থ বিজ্ঞানত ন'বেল বঁটা লাভ কৰে। ইয়াৰ পাছত তেওঁ কলিকতাৰ পৰা বাংগালোৰলৈ ৰাওনা হৈছিল, য'ত তেওঁ ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠানৰ মুৰব্বী হিচাপে কাম কৰিছিল। তাত তেওঁ ৰমন প্ৰভাৱৰ ওপৰত তেওঁৰ কাম অব্যাহত ৰাখিছিল আৰু স্ফটিক, বিশেষকৈ হীৰাৰ গাঁথনিৰ প্ৰতি আগ্ৰহী হৈ পৰিছিল। ১৯৩৪ চনত তেওঁ 'ভাৰতীয় বিজ্ঞান একাডেমী' প্ৰতিষ্ঠা কৰে আৰু ইয়াৰ কাম আৰম্ভ কৰে। ১৯৪৮ চনত ৰমনে নৱনিৰ্মিত 'ৰমন গৱেষণা প্ৰতিষ্ঠান'ৰ পৰিচালক হৈছিল, য'ত তেওঁ নিৰন্তৰ সক্ৰিয় হৈ আছিল, তেওঁৰ মৃত্যুৰ মাত্ৰ দুসপ্তাহ আগতে তেওঁৰ অন্তিম বক্তৃতা প্ৰদান কৰিছিল। পৰৱৰ্তী বছৰবোৰত তেওঁৰ গৱেষণাৰ আগ্ৰহ সলনি হৈছিল আৰু তেওঁ মুখ্যতঃ ৰঙৰ ধাৰণা অনুসন্ধান কৰিছিল।

**ৰমনৰ মৃত্যুঃ**

বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে ভাৰত চৰকাৰে চি.ভি. ৰমনলৈ প্ৰথমবাৰৰ বাবে ১৯৫৮ চনত প্ৰৱৰ্তন কৰা সৰ্বোচ্চ অসামৰিক সন্মান 'ভাৰত ৰত্ন' আগবঢ়ায়। ১৯৭০ চনত এইগৰাকী মহান বিজ্ঞানী তথা ভাৰতীয় পদাৰ্থবিজ্ঞানৰ অন্যতম ধ্বজাবাহক চি.ভি. ৰমনৰ মৃত্যু হয়। সেয়েহে, ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ দিনা সমগ্ৰ দেশতে বিজ্ঞান আলোচনাৰ লগতে চি.ভি. ৰমনৰ বিশাল কৰ্মৰাজিৰ বিষয়েও আলোচনা কৰা হয়।

*********

# আং চান ছ্যু কী ক সেনাৰ গৃহবন্দী-ম্যানমাৰত অচলাৱস্থা




*প্ৰকাশঃ ১ ফেব্ৰুৱাৰী, ২০২১*

আং চান ছ্যু কী – ম্যানমাৰৰ সাহসী মহিলাগৰাকী পুনৰ এবাৰ চৰ্চালৈ আহিছে। আং চান ছ্যু কীয়ে বহু দশকজোৰা গণতান্ত্ৰিক আৰু অহিংস আন্দোলনৰ পাছত ম্যানমাৰত সেনাৰ স্বৈৰাচাৰী শাসন ওফৰাই ক্ষমতা দখল কৰিবলৈ সক্ষম হৈছিল। এতিয়া খবৰ আহিছে যে, এই দেশত পুনৰ সামৰিক শাসনৰ অভ্যুত্থান হৈছে। আৰু সেনা প্ৰধান মিন অং হ্লাইঙে ক্ষমতা দখল কৰিছে। এই সম্পৰ্কে সাৰথিৰ এক বিশ্লেষণ-

ম্যানমাৰৰ চমু ৰাজনৈতিক ইতিহাস

১৯৪৮ চনত বৃটিছৰ শাসনৰ পৰা স্বাধীনতা লাভ কৰা ম্যানমাৰত ১৯৬২ চনৰ পৰা ২০১১ চনলৈকে সামৰিক শাসন চলিছিল। ইয়াৰ পাছতেই ২০০৮ চনত গ্ৰহণ কৰা সংবিধানৰ ভিত্তিত ২০১০ চনত অনুষ্ঠিত কৰা নিৰ্বাচনৰ দ্বাৰা জুনতা চৰকাৰক ক্ষমতাচ্যুত কৰি জনগনক আংশিক গণতন্ত্ৰৰ সোৱাদ দিয়া হয় যদিও এই নিৰ্বাচনত সেনা-বাহিনীৰ দলটোৱেই জয়লাভ কৰিছিল। এই নিৰ্বাচনৰ পাছতেই ২০১০ চনৰ ১৩ নৱেম্বৰত দেশত চলি থকা গণতান্ত্ৰিক আন্দোলনৰ নেত্ৰী আং চান ছ্যু কীয়ে বন্দীত্বৰ পৰা মুক্তি লাভ কৰে।

২০১২ চনত হোৱা ম্যানমাৰৰ উপ-নিৰ্বাচনত আং চান ছ্যু কী সংসদৰ বিৰোধী দলৰ নেত্ৰী হিচাপে নিৰ্বাচিত হয়। ইয়াৰ পাছত ২০১৫ আৰু ২০২০ চনৰ নিৰ্বাচনত তেওঁৰ দল

নেচনেল লীগ ফৰ ডেমক্ৰেছিয়ে নিৰ্বাচনত জয়লাভ কৰে। আৰু আং চান ছ্যু কীয়ে বৈদেশিক মন্ত্ৰী আৰু ষ্টেট কাউন্সেলৰ হিচাপে অধিষ্ঠিত হয়। ইয়াৰ উপৰিও তেওঁ শাসনিধিষ্ঠ নেচনেল লীগ ফৰ ডেমক্ৰেছিৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।

**ম্যানমাৰৰ শেহতীয়া পৰিস্থিতি**

ম্যানমাৰৰ অনলাইন নিউজ পৰ্টেল 'ম্যানমাৰ নাউ'য়ে আজি সোমবাৰে পুৱা ৬: ৩০ বজাত এটা বাতৰি প্ৰকাশ কৰিছে যে, ম্যানমাৰৰ ৰাষ্ট্ৰ প্ৰধান আৰু নেচনেল লীগ ফৰ ডেমক্ৰেছিৰ নেত্ৰী আং চান ছ্যু কী আৰু দেশৰ আন আন জেষ্ঠ নেতাসকলক ম্যানমাৰৰ সেনাৰ দ্বাৰা গৃহবন্দী কৰা হৈছে। ইয়াৰ পাছতেই দেশখনৰ ৰাজধানী নেফিদাউত মোবাইল আৰু ইন্টাৰনেট সেৱা কৰ্তন কৰা হৈছে। আৰু দেশৰ প্ৰধান চহৰসমূহত সেনা-বাহিনীৰ অস্ত্ৰ সজ্জিত যান-বাহনৰ ভীৰ ক্ৰমাৎ বাঢ়ি আহিবলৈ লৈছে।

এই ঘটনাৰ কিছু সময়ৰ পাছতে ম্যানমাৰৰ সামৰিক দূৰদৰ্শনত ঘোষণা কৰা হৈছে যে, ম্যানমাৰত সেনাবাহিনীয়ে এবছৰৰ বাবে দেশখনৰ নিয়ন্ত্ৰণ হাতত লৈছে। উল্লেখযোগ্য যে, ম্যানমাৰত হ'ব পৰা ৰাজনৈতিক অচলাৱস্থাৰ উমান পাই যোৱা বছৰৰ নৱেম্বৰত নিৰ্বাচিত হৈ অহা নেচনেল লীগ ফৰ ডেমক্ৰেছিৰ নেতাসকলে তেওঁলোকৰ প্ৰথমখন অধিবেশনত আজি মিলিত হোৱাৰ কথা আছিল।

ইতিমধ্যেই আমেৰিকা যুক্তৰাষ্ট্ৰ, অষ্ট্ৰেলিয়া আৰু আন বহুতো দেশেই এই ঘটনা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে আৰু ম্যানমাৰৰ সামৰিক বাহিনীক আইনৰ শাসনক সন্মান জনাবলৈ আহ্বান জনাইছে।

**ম্যানমাৰত এই সামৰিক অভ্যুত্থান কিয় ?**

ম্যানমাৰত যোৱা বছৰৰ নৱেম্বৰ মাহত অনুষ্ঠিত হৈ যোৱা অন্তিমটো নিৰ্বাচনত আং চান ছ্যু কী ৰ দলে সন্মিলিত উচ্চ আৰু নিম্ন সদনৰ ৪৭৬ খন আসনৰ ৩৯৬ খন আসন দখল কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ বিপৰীতে সেনা-বাহিনীৰ দলটোৱে মাত্ৰ ২৫% আসনহে দখল কৰিবলৈ সক্ষম হৈছিল। সেনা-বাহিনীৰ পৰা অভিযোগ আহিছিল যে, নিৰ্বাচনৰ ভোট দানত ব্যাপক জালিয়াতি হৈছিল আৰু তেওঁলোকে এই ফলাফল মানি নলয়। তেওঁলোকে আনকি এই ভাবুকিও প্ৰদান কৰিছিল যে, যদি সংবিধানে সঠিক ভাৱে কাম কৰিব নোৱাৰে তেওঁলোকে এই সংবিধান প্ৰত্যাহাৰ কৰিব। কিন্তু দেশখনৰ নিৰ্বাচন আয়োগ তেওঁলোকৰ দাবী ন্যাসাৎ কৰি কৈছিল যে, নিৰ্বাচন আৰু ভোটদান প্ৰক্ৰিয়াত কোনো বেমেজালি হোৱা নাছিল আৰু এই সিদ্ধান্ত তেওঁলোকে মানি ল'ব লাগিব।

কিন্তু যোৱা প্ৰায় পাঁচটা দশক ধৰি শাসনৰ সোৱাদ পোৱা স্বৈৰাচাৰী সেনা-বাহিনীয়ে বাৰে বাৰে এনে পৰাজয় মানি ল'বলৈ টান পাইছে। সেয়ে হয়তো তেওঁলোকে অস্ত্ৰৰ বলেৰে পুনৰ এবাৰ দেশখনৰ ক্ষমতা দখল কৰিবলৈ অগ্ৰসৰ হৈছে। ম্যানমাৰৰ এই শেহতীয়া ঘটনাৱলীয়ে স্বাভাৱিকতে বিশ্ববাসীৰ দৃষ্টি হৰণ কৰিছে। আৰু গণতন্ত্ৰপ্ৰেমী সমূহ বিশ্বজনগণে ম্যানমাৰত পুনৰ ৰাইজৰ শাসন ঘূৰি অহাটো কামনা কৰিছে।

বৰ্তমান ম্যানমাৰৰ আটাইতকৈ জ্যেষ্ঠ নেত্ৰী ৭৫ বছৰীয়া আং চান ছু্য কীয়ে এই দুৰ্যোগৰ সময়ত বিশ্বৰ আন আন উন্নত দেশৰ নেতাসকলৰ সহায়-সহযোগিতা নিশ্চয়কৈ আশা কৰিব। শান্তিৰ ন'বেল বঁটা বিজয়ী এই গৰাকী নেত্ৰীয়ে পূৰ্বতেও বিশ্বৰ আন আন দেশৰ নেতা আৰু বুদ্ধিজীৱীৰ সহায়-সহযোগিতা লাভ কৰিছিল। এইবাৰো ইয়াৰ ব্যতিক্ৰম নহ'ব বুলি ভবা হৈছে আৰু ম্যানমাৰলৈও পুনৰ সুস্থ অৱস্থা ঘূৰি আহিব আশা কৰা হৈছে।

*********

**— সমাপ্ত —**